
# এন্ধাৰত প্ৰগতিৰ ছন্দ



ড° প্ৰাণেশ্বৰ নাথ

# এন্ধাৰত প্ৰগতিৰ ছন্দ

# এন্ধাৰত প্ৰগতিৰ ছন্দ

ড° প্ৰাণেশ্বৰ নাথ

মনালিছা প্ৰকাশ
ছয়গাঁও ঃ কামৰূপ

***Andharat Pragatir Chanda***

*A collection of some articles written by Dr. Praneswar Nath, Associate Professor, J. N. College, Boko, Kamrup and published by Mrs. Dhiramoni Nath on behalf of Monalisa Prakash, Chhaygaon-781124.*

---

First Edition : December, 2015

Price : Rs. 80.00 only

প্ৰকাশিকা ঃ **শ্ৰীধীৰামণি নাথ**

মনালিছা প্ৰকাশ

ছয়গাঁও, কামৰূপ

গ্ৰন্থস্বত্ব ঃ লেখক

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০১৫

বৰঙণি ঃ ৮০.০০ (আশী) টকা

বেটুপাত ঃ দিলীপ নাথ

মুদ্ৰক ঃ শ্ৰীবিষ্ণু অফ্‌ছেট প্ৰেছ

মিৰ্জা-৭৮১১২৫

পূজনীয় পিতৃ লেম্বুৰাম নাথৰ স্মৃতিৰে
নতুন প্ৰজন্মৰ হাতত...

# কৃতজ্ঞতা

ড° নৃপেন গোস্বামী, অধ্যক্ষ
ড° জয়শ্ৰী ভূঞা, উপাধ্যক্ষা
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

শ্ৰীপ্ৰবোধ দাস
ড° পল্লৱী ডেকা
শ্ৰীবিজন কুমাৰ ৰাভা
শ্ৰীবাপুকণ শইকীয়া

শ্ৰীহিমাংশু ঠাকুৰীয়া
শ্ৰীহৰেণ কলিতা
শ্ৰীঅনিল সাউদ
শ্ৰীগহীন বড়ো

# প্ৰাক্-কথন

বৰলুইতৰ পাৰেই মোৰ সঁচা পৰিচয়। এই লুইতৰ পাৰতেই ৰচিছোঁ আশাৰ সপোন। এন্ধাৰৰ মাজতো পোহৰৰ সন্ধান কৰিছোঁ— প্ৰতিদিনে। পিচে কিছু পালোঁ, কিছু হেৰুৱালোঁ। মই অনুভৱ কৰোঁ— পোৱা-নোপোৱা, হৰ্ষ-বিষাদেই জীৱন। মই জীৱনটোক লৈ সদায় Positive, আশাবাদী। মই সন্মান কৰোঁ মানুহৰ ঊৰ্ধ্বমুখী দৃষ্টিভংগী, অধ্যৱসায়, সদিচ্ছা আৰু সহিষ্ণুতাক। মই বিশ্বাস কৰোঁ— নতুন প্ৰজন্মই দক্ষতাৰে, সততাৰে কৰিব পাৰে সমাজৰ শ্ৰীবৃদ্ধি। ইয়াৰ বাবে লাগিব পিতৃ-মাতৃৰ আশীৰ্বাদ, গুণী-জ্ঞানীজনৰ আদৰ্শ আৰু সমাজৰ সৰ্বস্তৰৰ লোকৰ সহযোগিতা।

সময়ৰ তাগিদাত **'এন্ধাৰত প্ৰগতিৰ ছন্দ'**— এই ক্ষুদ্ৰ সংস্কৰণৰ যোগেদি ইতিমধ্যে আলোচনীত প্ৰকাশিত কিছু লেখা আৰু স্মৃতি সন্নিৱিষ্ট কৰি প্ৰকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। সমাজৰ যোগাত্মক দিশত সামান্য কামত আহিলেও মোৰ শ্ৰম সাৰ্থক হ'ব। আশাকৰোঁ, আপোনালোকৰ গঠনমূলক সঁহাৰিয়ে মোক কৃতাৰ্থ কৰিব।

শেষত গ্ৰন্থখনৰ প্ৰকাশিকা ধীৰামণি নাথ, আমাৰ নতুন প্ৰজন্ম মনালিছা নাথ আৰু হৃষীকেশ নাথলৈ স্নেহসহ ধন্যবাদ জনালোঁ। ইতি—

(ড° প্ৰাণেশ্বৰ নাথ)
ছয়গাঁও, কামৰূপ (গ্ৰাম্য), অসম
ফোন নং ঃ ৯৮৫৪৫-৪২৮৪২

সহযোগী অধ্যাপক
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো
দিনাংক ঃ ০৮/১২/২০১৫ ইং

# সূচীপত্ৰ


- মহাপুৰুষ শঙ্কৰদেৱ ঃ সংহতি-চেতনাৰে চিৰদীপ্তমান জীৱনাদৰ্শ ..... ১
- চিৰ অন্বেষক বিষ্ণুপ্ৰসাদ ৰাভাৰ মূল্যায়নৰ প্ৰয়োজনীয়তা ..... ৮
- ড° ভূপেন হাজৰিকাৰ গীতত জনগোষ্ঠীয় আকাংক্ষা, সংহতি আৰু সম্প্ৰীতি প্ৰকাশ ..... ১২
- গণমুখী আদৰ্শনিষ্ঠাৰে সমুজ্জ্বল গণশিল্পী খগেন মহন্ত ঃ আমাৰ আগলতি চিত ..... ১৮
- বিহু সংস্কৃতিৰ তাৎপৰ্য ঃ এটি চমু অৱলোকন ..... ২৬
- 'নাথ' শব্দৰ ব্যুৎপত্তি ..... ৩৯
- যোগী জাতিৰ ঐতিহ্য ..... ৪০
- ৰাভাসকলৰ সমস্যা, সংগ্ৰাম আৰু সমাধান ..... ৪৪
- শিশু, যুৱ প্ৰজন্ম আৰু নাৰী ঃ সুন্দৰ পৃথিৱীৰ মানৱ সম্পদ ..... ৪৭
- সাম্প্ৰতিক সময়ত মূল্যবোধৰ শিক্ষা আৰু দায়িত্ববোধ ..... ৫৫
- নতুন প্ৰজন্মৰ উত্তৰণত যোগাত্মক চিন্তাৰ আৱশ্যকতা ..... ৫৯
- ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত শিক্ষক-অভিভাৱক আৰু আমাৰ কৰ্তব্য ..... ৬৪
- সংগীত ঃ গায়কৰ গুণ-অৱগুণ প্ৰসংগ ..... ৭২
- সুধাকণ্ঠৰ সান্নিধ্যৰ সুবাস আৰু শুভাশিস ..... ৭৮
- সপোনৰ সপোনেৰে হৃদয়ৰ ভাষাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক স্মৰণ ..... ৮৪
- বিশিষ্ট পণ্ডিত ড° হীৰেন গোহাঁইদেৱৰ ঘৰত এদিন ..... ৮৭
- বন্ধুত্বৰ মাদকতা আৰু এখন মুকলি চিঠি ..... ৮৯
- জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী ..... ৯৩
- লুইতৰ পাৰৰপৰা আৰৱ সাগৰৰ পাৰলৈ ঃ এটি মধুময় স্মৃতি ..... ১০০


........o....o....o........

# মহাপুৰুষ শঙ্কৰদেৱ ঃ
# সংহতি-চেতনাৰে চিৰদীপ্তমান জীৱনাদৰ্শ

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বাহিৰে আন কোনো সন্তৰ নামৰ আগত 'মহাপুৰুষ'— এই অভিধাটি ব্যৱহৃত হোৱা নাই। তেনেভাৱে 'মহাপুৰুষীয়া'— এই বিশেষণটোও আন কোনো ধৰ্মমাৰ্গৰ পৰিচয়সূচক শব্দৰূপে ব্যৱহৃত হোৱা নাই। বিশিষ্টাদ্বৈতবাদ মতৰ চতুৰ্থ আচাৰ্য যমুনাচাৰ্য (প্ৰথমগৰাকী ৰংগনাথ)ৰদ্বাৰা প্ৰণীত 'মহাপুৰুষ-নিৰ্ণয়' নামৰ পুথি এখন থকাৰ কথা জনা যায়। 'পুৰুষ' শব্দই চৈতন্য বা আত্মাক বুজায়; 'প্ৰকৃতি' শব্দই বুজায় 'জড়' বা শৰীৰক। সাংখ্যই এই 'পুৰুষ' আৰু 'প্ৰকৃতি'কে সৃষ্টিৰ মূল বুলি কয়। বেদান্তই এই পুৰুষ আৰু প্ৰকৃতিৰ ওপৰত 'মাধৱ'ক থাপনা কৰিলে। 'নামঘোষা'ত মাধৱদেৱে লিখিছে—

"প্ৰকৃতি পুৰুষ দুইৰো নিয়ন্তা মাধৱ
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ।।" ৪০৫

মাধৱদেৱে উল্লেখ কৰা 'মাধৱ' বেদান্তৰ ব্ৰহ্ম। এই ব্ৰহ্মাই মহাপুৰুষ। মহাপুৰুষ শব্দই বিষ্ণুকো বুজায় (*Monier Monier Williams. A Sanskrit-English Dictionary. P. 797*)। মাধৱদেৱে নামঘোষাত (পদসংখ্যা ৬৫০) পৰীক্ষিতক শুকে কোৱা বুলি কৈছে—

"তোমাত কহিবো সেহি শাস্ত্ৰ তুমি আক
শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।"

সাধাৰণ অৰ্থত মহাপুৰুষ শব্দই মহৎ পুৰুষ, অৰ্থাৎ মহৎ ব্যক্তিকো বুজায়। ইয়াৰ সমাৰ্থক 'মহাত্মা' শব্দ বিবেচ্য। কিন্তু মাধৱদেৱে শঙ্কৰদেৱক 'গুৰু-ভটিমা'ত

"জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ।"

বুলি ঈশ্বৰৰ অংশৰূপে নমস্কাৰ কৰাটো মন কৰিবলগীয়া। যমুনাচাৰ্য প্ৰণীত 'মহাপুৰুষ-নিৰ্ণয়' যে ঈশ্বৰ-নিৰ্ণয়ৰে পুথি, সেই সম্পৰ্কে বোধকৰো সন্দেহ কৰিবলগীয়া নাই।

'গুৰুচৰিত'সমূহৰ শঙ্কৰদেৱক 'ঈশ্বৰ' আৰু 'ঈশ্বৰৰ অৱতাৰ'ৰূপে মান্য কৰাৰ অনেক প্ৰসংগ সিঁচৰতি হৈ আছে। আনকি বৈষ্ণৱ কবিসকলে ৰচনা কৰা কাব্যাদিতো শঙ্কৰদেৱৰ বিষয়ে য'তেই উল্লেখ কৰিছে, ত'তে তেনে বা তেনে পৰ্যায়ৰ অভিধা ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে 'কুলাচল বধ' কাব্যত ৰাম সৰস্বতীয়ে লিখা "শ্ৰীমন্ত শঙ্কৰ আপুনি ঈশ্বৰ নৰৰূপে জাত ভৈলা" লৈ আঙুলিয়াব পাৰি। ভাৰতীয় পৰম্পৰাতো "গুৰোৰ্ব্ৰহ্মা গুৰোৰ্বিষ্ণু গুৰোৰ্দেৱ মহেশ্বৰ।"

গুৰুচৰিতসমূহতে শঙ্কৰদেৱৰ নামৰ আগত 'মহাপুৰুষ' অভিধাটিৰ প্ৰথম ব্যৱহাৰ সম্ভৱতঃ কৰা হৈছিল। ভূষণদ্বিজৰ চৰিত পুথিৰ প্ৰথমতে থকা 'মহাপুৰুষ' শব্দটি এনেদৰে ব্যৱহাৰ কৰিছে—

"মহাপুৰুষৰ নাতিৰ চৰণে
উঠি আসি প্ৰণাম কৰয়।" ৯১৫।। নাইবা
"মহাপুৰুষৰ আসন থাপিয়া
সৱে সেৱা কৰি বৈলা।" ৯১৩।।

'গুৰুচৰিত কথা'তো শঙ্কৰদেৱৰ অভিধাস্বৰূপে 'মহাপুৰুষ' শব্দটি ব্যৱহৃত হৈছে—

"মহাপুৰুষৰ ঐকান্তিক সেৱকৰ দাসৰো দাসৰ চৰণত ধৰোঁ।" ৩।।
"পাছে মহাপুৰুষ নিতে নিতে বাঢ়ি যৌৱন হৈ আহিছে।" ৩৯।।
"একদিনা স্নান কৰি মহাপুৰুষ গুৰু এচলা শিল আছে
বহাৰ মুখতে তাতে বহি চুলি ফালিছে।" ৫০।।
"মহাপুৰুষ গুৰু জি তীৰ্থৰ জি ভাব কথা কাৰ্য মাত বলি...।" ৬৯।।

এনেভাৱে বিচাৰিলে আদিৰপৰা অন্তলৈ বিভিন্ন ঠাইত 'মহাপুৰুষ' শব্দটিৰ প্ৰয়োগ দেখা যাব। যথাৰ্থতে, একোটি ব্যক্তিত্বৰ মাজত তত্ত্বজ্ঞ দাৰ্শনিকৰ, শাস্ত্ৰজ্ঞ পণ্ডিতৰ, 'অপূৰ্ব বস্তু নিৰ্মাণক্ষম প্ৰজ্ঞা'ৰ অধিকাৰী কবিৰ, নৃত্য-গীত-বাদ্য— এই তিনিওটি কলাৰ তত্ত্ব আৰু প্ৰয়োগত পাৰংগত এগৰাকী প্ৰতিভাধৰ

স্ৰষ্টাৰ, নাট্যতত্ত্ব আৰু নাট্যকলাবিদ, নাট্যকাৰ আৰু অভিনেতাৰ, পৰ্যটক, সংস্কাৰক আৰু সংগঠকৰ, এগৰাকী চিত্ৰকৰৰ আৰু সৰ্বোপৰি, নৱ-বৈষ্ণৱ আন্দোলনক দাস্য ভক্তিৰ প্ৰাধান্যৰে এটি শক্তিশালী নতুন মাত্ৰা দিওঁতা ধৰ্ম প্ৰচাৰকৰ প্ৰতিভা আৰু বৈশিষ্ট্যই একেলগে সমন্বিত ৰূপ লাভ কৰা নাই। সমগ্ৰ বিশ্বৰ কোনো সন্তৰ মাজত এনে গুণ, প্ৰতিভা আৰু দক্ষতাৰ একত্ৰ সমাৱেশ এতিয়ালৈকে হোৱা নাই। তেওঁৰ শিষ্য মাধৱদেৱে শঙ্কৰদেৱৰ আঁকোৱালি নোপোৱা ব্যক্তিত্ব আৰু প্ৰতিভা বিস্ময়-বিমুগ্ধ দৃষ্টিৰে চাই দিয়া 'সৰ্বগুণাকৰ' বিশেষণটি তেওঁৰ প্ৰতিভা চিনি পোৱাৰ সাঁচাৰ কাঠীস্বৰূপ।

তেওঁ অসমীয়া মানুহক দি গ'ল বিশ্ব সৃষ্টিৰ আৰু স্ৰষ্টাৰ ধাৰণা, দি গ'ল বিশিষ্ট জীৱন-দৃষ্টিভংগী, দি গ'ল আধ্যাত্মিক-নৈতিক-সামাজিক আৰু মানৱীয় মূল্যবোধ আৰু দি গ'ল এক গভীৰ সৌন্দৰ্যবোধ আৰু শিল্পবোধ। এই কথা অনস্বীকাৰ্য যে পূব ভাৰতত শঙ্কৰদেৱেই প্ৰথম দাৰ্শনিক ভাবনা-সম্পৃক্ত চিন্তাৰ জন্ম দিছিল। এই সম্পৰ্কে বিৰিঞ্চি কুমাৰ বৰুৱাই যথাৰ্থ মন্তব্য কৰিছিল—

*"Sankardeva was not a philosopher, nor did he endeavour to evolve a new philosophy. Nevertheless, his literary works are pointers to the fact that he was steeped in the lore of Hindu Philosophy."*

যথাৰ্থতে অসমৰ মানুহৰ তেওঁ অন্তৰ্জীৱন আৰু বহিৰ্জীৱনত সৰ্বাত্মক পৰিৱৰ্তন সাধন কৰি অকলেই সৃষ্টি কৰি গ'ল এক নৱজাগৰণ। অসমীয়া জাতিয়ে শঙ্কৰদেৱে সাধন কৰি যোৱা নৱজাগৰণত স্নান কৰি পৰিশোধিত হৈ দ্বিজত্ব লাভ কৰিলে।

আমাৰ ইতিহাসৰ এনে এটি গুৰুত্বপূৰ্ণ মুহূৰ্তত জন্মগ্ৰহণ কৰা এইজনা ক্ষণজন্মা পুৰুষে সহজতে হয়তো বুজিব পাৰিছিল যে, পাৰস্পৰিক সমন্বয় আৰু সংহতি অবিহনে ছেদেলি-ভেদেলি হৈ থকা এনে এখন সমাজৰ যথাৰ্থ উদ্‌গতি আৰু জাতীয় চৈতন্যৰ জাগৰণ কেতিয়াও সম্ভৱপৰ নহয়; তাকে কৰিবলৈ হ'লে সমাজৰ বুকুৰপৰা প্ৰথমতে আঁতৰাব লাগিব সকলো প্ৰকাৰৰ বৈষম্য আৰু অসহিষ্ণুতাৰ ভাব। সেয়েহে, তেওঁ ধৰ্ম প্ৰচাৰৰ কাম হাতত লৈয়ে 'যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ' ধ্বনিৰে দশোদিশ মুখৰিত কৰি সকলো শ্ৰেণীৰ মানুহক তেওঁৰ ধৰ্মমতলৈ আহ্বান জনাই ঘোষণা কৰিলে—

"কিৰাট কছাৰি খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলুক ৰজক তুৰুক
কুবাচ ম্লেচ্ছ চাণ্ডাল।।
আনো যত নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পৱিত্ৰ হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়।।"

মহাপুৰুষৰ এনে উদাত্ত আহ্বানে অসমৰ জাতি-উপজাতি, উন্নত-অনুন্নত সকলোৱে প্ৰাণত বিজুলী প্ৰবাহেৰে এনে এক অভিনৱ আশাৰ সঞ্চাৰ কৰিলে যে, তেওঁৰ ধৰ্ম প্ৰচাৰৰ মাত্ৰ কেইটিমান বছৰৰ ভিতৰতে নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, ভোটৰ জয়হৰি, আনকি মুছলমানৰ চান্দসাই পৰ্যন্ত একশৰণ ধৰ্মত যোগ দি নামৰ ধ্বনিৰে সমগ্ৰ অসম ৰজনজনাই তুলিলে। অসমত জাতীয় প্ৰাণৰ উন্মেষ আৰু বিভিন্ন জাতি-উপজাতিৰ মাজত সমন্বয়ৰ ভাব প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মহাপুৰুষৰ এনে প্ৰচেষ্টাই হ'ল ঐতিহাসিকভাৱে প্ৰথম প্ৰচেষ্টা আৰু সৰ্বভাৰতীয় আদৰ্শেৰে এই দেশত পৰস্পৰে পৰস্পৰক আঁকোৱালি লৈ ঐক্য আৰু সংহতিৰে বসবাস কৰাৰ বাবে এক উপযুক্ত পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰতো সৰ্বপ্ৰথম সাংস্কৃতিক অভিযান।

সমাজত সংহতি আৰু সমন্বয় স্থাপনৰ প্ৰধান কাৰণ যিদৰে দুটি ধৰ্মীয় সহিষ্ণুতা আৰু সকলো জীৱৰ প্ৰতি সমভাৱ প্ৰদৰ্শন, সামাজিক বিসংহতি আৰু অনৈক্যৰ কাৰণো সেইদৰে মূলতঃ দুটি। সেই দুটি হৈছে ৰাজনৈতিক নিপীড়ন আৰু অৰ্থনৈতিক শোষণ। শঙ্কৰদেৱ আছিল এই দুটি সম্পৰ্কেও সম্পূৰ্ণ সজাগ। মহাপুৰুষে স্থাপন কৰা অসমৰ সামাজিক জীৱনৰ আপুৰুগীয়া সম্পদ সত্ৰ আৰু নামঘৰ— এনে কাৰ্যকৰী প্ৰচেষ্টাৰে দুটি অবিস্মৰণীয় কীৰ্তি। উপাস্য দেৱতাক মন্দিৰৰ অন্ধকাৰৰপৰা জনতাৰ মাজলৈ উলিয়াই আনি আৰু পথাৰৰ ৰাইজক এক থূপ কৰি তৎকালীন অসমীয়া সমাজক আধ্যাত্মিকভাৱে একগোট আৰু সামাজিকভাৱে একেলগ কৰাৰ দুটি মহামন্ত্ৰস্বৰূপ এই সত্ৰ আৰু নামঘৰসমূহে অকল আমাৰ জাতীয় জীৱনৰ ক্ষেত্ৰতে নহয়, সৰ্বভাৰতীয় ঐক্য আৰু সংহতিৰ ক্ষেত্ৰতো কেনেধৰণৰ বৰঙণি আগবঢ়াইছিল, তাৰ ইংগিত দি ড° সূৰ্য কুমাৰ ভূঞাদেৱে লিখিছে— "অসমীয়া সমাজে ঠাই অনুসাৰে

খেলে খেলে বিভক্ত হৈছে। সেই খেলত মুনিহ-তিৰোতাই সংঘবদ্ধ হৈ নাম-প্ৰসংগত নাম-কীৰ্তন আদি পালন কৰে। অসমীয়া জাতি-খেল সংঘবদ্ধ হৈ ঐক্যভাবত জীৱন যাপন কৰাৰ ফলত তেওঁলোকক কোনো কাৰণত বহলভাৱে ঐক্যবদ্ধ হোৱাৰ বাট সুচল কৰি দিছে।"

ভাৰতীয় আদৰ্শৰ এটি প্ৰধান শিক্ষা হৈছে— 'আত্মানং মোক্ষাৰ্থং জগদ্ধিতায় চ' অৰ্থাৎ নিজৰ মোক্ষৰ লগতে জগতৰো মংগল সাধন। শঙ্কৰদেৱে শ্ৰৱণ-কীৰ্তন ভক্তিৰ ওপৰত অধিক গুৰুত্ব দি যথাৰ্থতে সেই আদৰ্শৰ কথাকে আমাৰ আগত দাঙি ধৰিছিল। জ্ঞান আৰু কৰ্মতকৈয়ো যে ভকতি শ্ৰেষ্ঠ আৰু ভকতিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনেই প্ৰশস্ত— শঙ্কৰদেৱে সেই কথাও স্পষ্টভাৱে উল্লেখ কৰি গৈছে—

"জ্ঞানত কৰ্মত কৰি ভকতিসে মহা শ্ৰেষ্ঠ
ভকতি মধ্যত শ্ৰেষ্ঠ দুই।
শ্ৰৱণ কীৰ্ত্তন ইটো আক ধৰিলেক যিটো
বিধিৰ কিঙ্কৰ সিটো নুই।।"

বৈষ্ণৱ ধৰ্মৰ ভেটি হ'ল কৰুণা, দয়া, প্ৰেম-ভকতি আদি স্বৰ্গীয় কোমল মানৱিক বিষয়সমূহ। এটি বিশুদ্ধ আৰু নৈতিক জীৱনৰ ওপৰত নিৰ্ভৰ কৰি বৈষ্ণৱ ধৰ্ম গঢ় লৈ উঠিছিল। লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাত— *"The vaishnava school did not try to start a new philosophy, but based its teachings on Naradiya Pancharatra and the Bhagavata and laid stress on a life of purity, high morality, worship and devotion to only one God who is above all the Creator, Preserver and Destroyer."* নীলকান্ত শাস্ত্ৰী নামৰ বিখ্যাত পণ্ডিতজনাই লিখিছে— *"Vaishnavism continued to be in general of noble and sweet influence on life."*

সামাজিক ভেদভাৱ আঁতৰাই নাম ধৰ্মৰ ছত্ৰছায়াত সকলো শ্ৰেণীক সামৰি ধৰাৰ এক স্বৰ্গীয় প্ৰয়াসেই তাৰাসকলৰ জীৱনৰ একমাত্ৰ লক্ষ্য আছিল। প্ৰখ্যাত পণ্ডিত সুনীতি কুমাৰ চেটাৰ্জীয়ে এই প্ৰসংগত লিখিছে— *"Sankardeva preached also the equality of men before God, and adjured the idea of special privilege for Brahmans."*

ধৰ্মীয় দৃষ্টিভংগী আৰু আধ্যাত্মিক চিন্তা-ভাবনাৰ দৰেই সাংস্কৃতিক সংহতিৰ ক্ষেত্ৰতো শঙ্কৰদেৱৰ অৰিহণা প্ৰচুৰ। মহাভাৰতীয় সংস্কৃতিৰ নিচিনাই অসমৰ সংস্কৃতিও মূলতঃ সংমিশ্ৰণৰ সংস্কৃতি। বিভিন্ন জাতি উপজাতিৰ পাৰস্পৰিক মিলন আৰু 'দিয়া-লোৱা'ৰ মনোভাবৰ যোগেদিয়ে অসমীয়া সংস্কৃতিয়েও নিজস্ব ৰূপ লাভ কৰিছে। শঙ্কৰদেৱে নিশ্চয় গভীৰভাৱে উপলব্ধি কৰি পাৰিছিল যে, সাংস্কৃতিক সম্পদসমূহৰ বিকাশ আৰু উৎকৰ্ষৰদ্বাৰা জনসাধাৰণৰ অন্তৰত যিদৰে সংহতিৰ বীজ ৰোপণ কৰিব পাৰি, আন কোনো উপায়েৰে সেইদৰে নোৱাৰি। অসমত অতীজৰেপৰা বসবাস কৰি অহা প্ৰত্যেকটো সামাজিক গোটৰ ভাব-চিন্তা আৰু সাংস্কৃতিক সম্পদসমূহক যথোচিত সন্মান দি ভাৰতীয় ঐতিহ্যৰ মূল আদৰ্শৰ মাজেদিয়ে তেওঁ গঢ়ি তুলিছিল শুদ্ধ নিকা অসমীয়া সমাজখন। আমাৰ জাতীয় সংস্কৃতিৰ ক্ষেত্ৰতো লোক-সংস্কৃতিক ভাৰতীয় পটভূমিত ধৰ্মৰ মাজলৈ আনি তাৰ যোগেদি জনসাধাৰণৰ উৎকৰ্ষ সাধন, সংস্কৃত ভাষাৰ তত্ত্ব গধুৰ গ্ৰন্থসমূহ প্ৰাদেশিক ভাষালৈ ভাঙনিৰ আদৰ্শ, গীত-ভাওনাত উমৈহতীয়া ব্ৰজবুলি ভাষাৰ প্ৰয়োগ আৰু স্থাপত্য-ভাস্কৰ্যৰ বিকাশ— শঙ্কৰদেৱৰ এই চতুৰংগ সাংস্কৃতিক দান বুলি ক'ব পাৰি। তাৎপৰ্যপূৰ্ণ যে, এজন ভাল অসমীয়া হৈয়ো যে ভাল ভাৰতীয় হ'ব পাৰি, অথবা ভাল ভাৰতীয় হৈয়ো ভাল অসমীয়া হৈ থাকিব পাৰি— শঙ্কৰদেৱৰ জীৱনাদৰ্শ তাৰেই উৎকৃষ্ট উদাহৰণ। এইজনাই অসাধাৰণ ব্যক্তিত্বসম্পন্ন গুৰু— যিজনাই অসমৰ সমগ্ৰ মানুহখিনিক এটা অতি উচ্চ অথচ সৰল আধ্যাত্মিক জীৱনৰ ধাৰণা দিলে, জাতি-ধৰ্মৰ বিভেদ আঁতৰাই ঐক্যবদ্ধ সংহতিৰে জাতীয় চৰিত্ৰ এটাৰ সাঁচত ঢালিলে, মানুহখিনিক শিকালে এখন নিৰাকাৰ, নীলা আকাশক মূৰ দোঁৱাবলৈ। তেওঁ দৈনন্দিন দিলে সদাচাৰ আৰু শৃংখলা, হৃদয়ক দিলে ভক্তিৰ দৰে আৱেগ, প্ৰেমৰ দৰে ৰস, মুখত দিলে পৰমৰ উচ্চাৰণ, শৰীৰত দিলে নৃত্যৰ লাস্য, চিন্তাত দিলে স্পষ্ট নীতি আৰু দৃঢ় বিশ্বাস, লক্ষ্য দিলে পৰমানন্দ— যাৰদ্বাৰা হয় আবদ্ধ, সংকুচিত মানৱাত্মাৰ মুক্তি তথা শান্তি, তথা মোক্ষ। দিলে ভগৱান প্ৰাপ্তিৰ কাৰণে অভূতপূৰ্ব, ৰসময় পথৰ সন্ধান। তেওঁৰ শিক্ষা এটা যুগৰ হ'লেও সকলো যুগৰ। তেওঁ এক নিৰ্দিষ্ট স্থানৰ হ'লেও সমগ্ৰ বিশ্বৰ। এইজনা সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ পুৰুষৰ আদৰ্শই সৰ্বাত্মক সংকটৰ সময়ত পৰম পোহৰ হৈ পথ পোহৰাব।

উল্লেখযোগ্য যে, অসমীয়া জাতিৰ জন্মলগ্নৰপৰা এতিয়ালৈকে শঙ্কৰদেৱৰ

সমকক্ষ মহাপুৰুষৰ জন্ম হোৱা নাই। কবি দুৰ্ৱাই আমাৰ সকলোৰে যেন মনোভাব প্ৰকাশ কৰি গাইছে—

"বোৱালা ভক্তিৰ সোঁত, দিলা ধৰ্ম, দিলা জ্ঞান,
দিলা ভাষা অসমক কৰিলা জীৱন দান।
তোমাৰ জীৱনীদেৱ! লিখে এনে সাধ্য কাৰ,
গোটেই অসমভূমি বিস্তৃত জীৱনী যাৰ।
অসমৰ ৰীতি-নীতি, অসমৰ সদাচাৰ,
অসমৰ ধৰ্মভাব, অসমৰ ব্যৱহাৰ।
সকলোকে তুমি দেৱ! সজালা নতুন সাজে;
তোমাৰ গৰিমা-গীতি হৃদয়ে হৃদয়ে বাজে।"

অসমৰ ভাষা, সাহিত্য, সংস্কৃতিলৈ; সামাজিক, নৈতিক, আধ্যাত্মিক জীৱনৰ ক্ষেত্ৰলৈ আগবঢ়াই থৈ যোৱা তাৰাৰ বিশাল অৱদানৰ মূল্য যুগে যুগে অম্লান আৰু জীৱন্ত হৈ থাকিব। ভাৰতৰ কাৰণে, অসমৰ কাৰণে, মানুহৰ কাৰণে মহাপুৰুষ শঙ্কৰদেৱৰ ত্যাগ, আদৰ্শ, কৰ্মনিষ্ঠা আৰু তাৰাৰ সৃজনীশীল অৱদান চিৰদিন আমাৰ প্ৰেৰণাৰ উৎস হৈ থাকিব।

"হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

* * *

**প্ৰাসংগিক টোকা ঃ**

১। 'ঋক্‌বেদ ১/১৬৪।
২। অধ্যাপক ড° বাণীকান্ত কাকতিৰ অসমীয়া ৰচনাৱলীৰ বাছনি বাণীকান্ত চয়নিকা (পৃ. ১০৬-১০৭) দ্ৰষ্টব্য।
৩। শঙ্কৰদেৱৰ কীৰ্তনঘোষাৰ অন্তৰ্গত 'প্ৰহ্লাদ চৰিত', পদ ৩৪১।
৪। Indian Thought: A Critical Survey দ্ৰষ্টব্য।
৫। ড° বিৰিঞ্চি কুমাৰ বৰুৱা (সম্পা) ঃ অংকীয়া নাট, পৃঃ ১৭৪।
৬। Lakshminath Bezbarooa : The Religion of Love and Devotion, P. 18.

*('ভকতি কিৰণ', ২০১৩)*

# চিৰ অন্বেষক বিষ্ণুপ্ৰসাদ ৰাভাৰ মূল্যায়নৰ প্ৰয়োজনীয়তা

*"জীৱন মন্থন বিষ নিজে কৰি পান,*
*অমৃত যা উঠেছিল কৰে গেছ দান।"*

অসমীয়াৰ বুকুত মহাসুন্দৰৰ দুটি জীৱন্ত ৰেঙণি পৰিছিল— যাৰ সেৱাত, সাধনাত, সৃষ্টিত অসমৰ সাহিত্য-সংস্কৃতিৰ ফুলনিখনিত নানা বৰণৰ ফুলৰ সৌৰভ ছটিয়াই আমাৰ মন আনন্দময় কৰি তুলিছিল। চহকী কৰিছিল আমাৰ মনোজগত। বন্ধ হৈ থকা সৰোবৰক প্ৰবল সোঁতেৰে বোৱঁতি সুঁতিলৈ ৰূপান্তৰিত কৰি এক মহা সমন্বয়ৰ নব সংস্কৃতিৰ ৰূপ দি আমাৰ চিন্তাৰ আৰু কৰ্মৰ জগতখনক চহকী কৰি তুলিছিল। এটি আহিছিল জ্যোতিপ্ৰসাদ ৰূপে, আনটি আহিছিল বিষ্ণুপ্ৰসাদ ৰূপে। এটি জ্যোতি, আনটি আভা; এটি উজ্জ্বল, আনটি নিৰ্মল। এটিয়ে অন্ধকাৰত জ্যোতিৰে আমাক বাট দেখুৱাই দিয়ে। পূৰ্ব ভাৰতীয় সংস্কৃতিৰ ৰূপটো দেখুৱাই দিলে। আনটিয়ে তেওঁৰ আভাৰে গছে-বনে থকা সেউজী সৌন্দৰ্যখিনি, জনতাৰ অন্তৰত থকা সুন্দৰখিনিক মৌ-মাখিৰ দৰে গুহি আনি নিজৰ অন্তৰত এখনি বিৰাট মৌচাক গঢ়ি চাৰিওকাষৰ সমস্ত অসুন্দৰতা, অসমতা, শোষণ দূৰ কৰি এখন সুন্দৰৰ সমতাৰ শোষণহীন ৰাজ্য স্থাপন কৰিবলৈ মন বান্ধি পৰ্বত-ভৈয়াম মিলি অসমৰ বুকুৰ বড়ো, কছাৰী, ৰাভা, মিজো, মিৰি, মিচিমি, অকা, ডফলা, আলং, গালং, আদি, পাদাম (পাদি), আপাতানি (আৱতানি), ছেৰডুকপেন আদিক লৈ এখন বহল অসম গঢ় দিয়াৰ বাসনা লৈ এখন শোষণহীন-শ্ৰেণীহীন, সুন্দৰৰ ৰাজ্য স্থাপন কৰিবলৈ বিশ্বনিয়ন্তাৰ বিধানত 'বিশ্বৰ ছন্দে ছন্দে মহানন্দে' নাচি 'দৰিদ্ৰৰ লাউলোটা ভিক্ষাৰ সঁজুলি, সেয়ে মোৰ অতুল বৈভৱ' (ৰঘু চৌধুৰী) বুলি

জীৱনটোক দেউতাকে থৈ যোৱা ঐশ্বৰ্যৰপৰা আঁৰত ৰাখি জীৱনৰ প্ৰাণৰ শেষ স্পন্দনৰ শেষ তৰংগলৈকে আনন্দৰ, মানৱ মুক্তিৰ গীত ৰচনা কৰি গ'ল।

"ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্
ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্ধোন ছিঙ্...।"

তেওঁ সকলো কলুষ, নৰক-পংক ভাঙি-ছিঙি যেন আগবাঢ়ি সৃষ্টি কৰিব— নতুন পৃথিৱী, ভৱিষ্যতৰ অলকা নগৰী—

"শিল ভাঙ্গি পাহাৰ ধ্বংসি গঢ়া অলকা নগৰী
কন্দৰ খান্দি তোলাহি অমৃত ধাৰা নিজৰি
আকাশৰ মেঘৰ কলিজা ফালি আনা বিজুলীৰ বাণ
বিদাৰি মধ্যাকৰ্ষণ গৰ্ভ তুলি লোৱা চুম্বক টান।"

বিষ্ণু ৰাভা কেৱল বিদ্ৰোহীয়েই নহয়, শিল্পীও। শিল্পী ৰাভাই 'তমোহৰ দেউ' হৈ নাচে বিশ্বৰ ছন্দত। 'বিশ্বৰ ছন্দে ছন্দে' —এই গীতটোত তেওঁ যেন আন্তৰ্জাতিকতাবোধত উদ্বুদ্ধ হৈ সংস্কৃতিৰ পোহৰৰ এনাজৰীৰে সকলোকে বান্ধি আনন্দতে বান্ধি নৃত্য কৰিছে।

ভাৰত তথা অসমৰ বন্দিনী ৰূপ দেখি বেদনা অনুভৱ কৰিছিল তেওঁ— দুখত ম্ৰিয়মান হ'লেও ভাৰত তেওঁৰ চেনেহী গোসাঁনী; পৰাণৰ আই, জীৱনৰ আইৰ বন্দী দশা তেওঁ সহে কেনেকৈ? অন্তৰপৰশা ভাষাত তেওঁ কৈছে—

"সোণামুৱা সঁফুৰা মুখেৰে কোলাত তোৰ
উমলি গাওঁ সৰগৰ অমিয়া যেন মোৰ
তেওঁ কিয় নপৰে শত শত দুখৰ ওৰ
হোজাৰ দুখৰ ওৰ?"

এই প্ৰশ্নটোৱেই তেওঁৰ বিদ্ৰোহ কৰিবলৈ, জেল খাটিবলৈ, স্বাধীনতাৰ পিচতো অপমান সহ্য কৰিবলৈ শিকাইছিল। এই প্ৰশ্ন আজিও সঁচা হৈ আছে। এই প্ৰশ্ন আন্তৰিকতাৰে গ্ৰহণ কৰিছিল বাবেই বিষ্ণু ৰাভা বিদ্ৰোহী। ৰোমাৰোঁলাই ঠিকেই কৈছিল— *"Where order is injustice disorder is the being of justice?"* ৰাভাৰ বিদ্ৰোহ আছিল সম্ভাৱনাময় বিশৃংখলা।

বিষ্ণু ৰাভা আছিল মাৰ্ক্স-কল্পিত ভৱিষ্যতৰ সেই সমাজখনৰ এজন সাৰ্থক

নাগৰিক। মাৰ্ক্সে তাহানিতে কল্পনা কৰিছিল ভৱিষ্যৎ সমাজৰ এনে এজন নাগৰিক— যি পুৱা ছবি আঁকিব, দিনত খেতি কৰিব, আবেলি মাছ মাৰিব আৰু পুৱা প্লেটো পঢ়িব।

গ্যেটেই তেওঁৰ এটা কবিতাত লিখিছে—

*"Where not sun-like our human eye,*
*How ever could the sun-god light us?*
*Did not in us the God's own power lie,*
*How could the God-like then delight us?"*

স্বৰ্গৰ সৰ্ব বিশাৰদ দেৱতাসকলক স্থানচ্যুত কৰি নিজেই দেৱত্ব অৰ্জন কৰাৰ এই যি প্ৰমেথিয়ান উদ্যম ইউৰোপীয় নৱজাগৰণৰ মানুহৰ মাজত পোৱা গৈছিল, সেই একেই উদ্যম আমি দেখিবলৈ পাওঁ বিষ্ণু ৰাভাৰ জীৱনতো। পৰম্পৰাগত শৃংখলাৰ শৃংখল ভাঙি মুক্তিৰ পূৰ্ণ আস্বাদ ল'ব খোজা বিষ্ণু ৰাভা আছিল মনে-প্ৰাণে এগৰাকী নৱজাগৃত পুৰুষ (Renaissance man)। বান্ধোনৰ মাজত উশাহ নাপাই তেওঁ গৰজি উঠিছিল নজৰুলৰ দৰে কিম্বা ৰবীন্দ্ৰনাথৰ সেই সপোন ভাঙি যোৱা নিজৰাটিৰ দৰে।

নৱজাগৰণৰ লোকসকলৰ লেখীয়াকৈ বিষ্ণু ৰাভাও আছিল এগৰাকী চিৰ অন্বেষক। নতুন কিবা এটা কৰাৰ, সাহিত্য-শিল্প-সংস্কৃতিৰ একোটা নতুন দিশ উন্মোচন কৰাৰ চেষ্টাত তেওঁৰ মনটো আছিল সদা অস্থিৰ। **'নাল্পে সুখমস্তি, ভূমৈৱ সুখম্।'** —আৰ্য কবিৰ এই উক্তিয়ে তেওঁক যেন আজীৱন বিষয়ৰপৰা বিষয়ান্তৰলৈ দৌৰাই লৈ ফুৰিছিল। এই অন্তহীন অনুসন্ধিৎসাৰ বাবেই হয়তো কোনো এটা কামতে সুস্থিৰে লাগি থাকিব পৰা ধৈৰ্য তেওঁৰ নাছিল। তেওঁৰ এগৰাকী নমস্য পুৰুষ লিওনাৰ্ডোৰ দৰে বিষ্ণু ৰাভাৰো প্ৰায় সকলোবিলাক কামেই আছিল আধৰুৱা ধৰণৰ।

সেইবুলি কেৱল বহুমুখী ব্যক্তিত্বই ৰাভাৰ জীৱনৰ একমাত্ৰ বৈশিষ্ট্য নহয়; তেওঁ আছিল এগৰাকী দুৰ্ঘোৰ মানৱতাবাদী। কিন্তু তেওঁৰ মানৱতাবাদ ইউৰোপীয় তথা ভাৰতীয় নৱজাগৰণৰ ভাববাদী পুৰোধাসকলৰ দৰে বিমূৰ্ত নাছিল। মানুহক তেওঁ এটা বিমূৰ্ত সত্তা, মাথোন এটা ভাব বুলি গণ্য কৰা নাছিল। তেওঁৰ চকুত মানুহ আছিল বাস্তৱ পৃথিৱীৰ বাস্তৱ সমাজত বাস কৰা তেজ-মঙহৰ এটা জীৱন্ত প্ৰাণী— যি দুখ পায়, আশা কৰে, শান্তি বিচাৰে। 'ৰাজ্যে আছে দুইটি পাঠা/একটি কালো একটি সাদা। ৰাজ্যেৰ যদি মংগল

চাও/দুইটি পাঠাই বলি দাও।' —এনে ধৰণৰ বিপ্লৱী পোষ্টাৰ লিখি বিদেশী শাসকৰ ঘৰৰ দেৱালত মাৰিবলৈ সাহ কৰা বিষ্ণু ৰাভাৰ এটা সমাজতান্ত্রিক মানৱতাবাদী মন ল'ৰালি কালৰপৰাই আছিল। গতিকে এনে ব্যক্তি যে এসময়ত মার্ক্সবাদৰ প্রতি অনুৰক্ত হৈ পৰিব, তাত অস্বাভাৱিকতা একো নাই।

পৰিশেষত আমি এটা কথা উল্লেখ কৰা বোধকৰো উচিত হ'ব। বিষ্ণুপ্রসাদৰ সামগ্রিক মূল্যায়নৰ বাবে কেৱল তেওঁৰ ৰচনাৱলী প্রকাশ হ'লেই সমস্যাৰ ওৰ নপৰিব। বিষ্ণুপ্রসাদৰ সীমাবদ্ধতা, স্ব-বিৰোধ, দুর্বলতা— এইবোৰৰ পৰিষ্কাৰ উল্লেখ আৰু বৈজ্ঞানিক বিশ্লেষণ তেওঁৰ জীৱনীত থকাটো আমি আশা কৰোঁ। তেতিয়াহে আমি তেওঁৰ জীৱনৰপৰা ইতিবাচক আৰু নেতিবাচক দুয়োবিধ শিক্ষা ল'ব পাৰিম আৰু সেইটো কৰিব পাৰিলেহে আমি বিষ্ণুপ্রসাদৰ ঐতিহাসিক ইতিবাচক ঐতিহ্যক এক সমৃদ্ধ আৰু সম্ভাৱনাময় ভৱিষ্যতৰ পিনে আগুৱাই নিয়াৰ পথনির্দেশ আৰু অনুপ্রেৰণা পাম। ৰাভাৰ শিল্পতকৈও ৰাভা মানুহজনৰ শিল্পী ব্যক্তিত্ব আমাৰ বাবে চিৰনমস্য, আকর্ষণীয় আৰু বৰণীয়। ৰাভাৰ জীৱনাদর্শই এখন শোষণহীন সমাজ গঢ়াৰ পথত বর্তমানৰ যুৱশক্তিক দ্রুত গতিত অগ্রসৰ কৰক। ■

*('ৰাভাৰ আভা', ২০ জুন, ২০০৯)*

# ড° ভূপেন হাজৰিকাৰ গীতত জনগোষ্ঠীয় আকাংক্ষা, সংহতি আৰু সম্প্ৰীতি প্ৰকাশ

*"We are in the same boat brother*
*We are in the same boat brother."*

ভূপেন হাজৰিকা— এই নামটোতেই যেন লিপিবদ্ধ হৈ আছে অসমীয়া জাতিৰ আয়ুস ৰেখা। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুৰপৰা প্ৰশান্ত মহাসাগৰৰ সুবিশাল বক্ষলৈকে বিস্তৃত পাৰ অতুলনীয় ব্যক্তিত্ব আৰু বৰ্ণাঢ্য জীৱন-গাঁথা। নিজৰ জীৱনকালতেই কিংবদন্তিলৈ ৰূপান্তৰিত হোৱা এইজন গায়ক-গীতিকাৰৰ অসাধাৰণ অনন্য প্ৰতিভা, নিজৰ সৃষ্টিৰ অমৃতসুধা নিজ কণ্ঠেৰেই তেখেতে বোৱাই আনিছে এই মৰতলৈ।

শৈশৱৰ সোণোৱালী দিনতেই সংগীতৰ দুগৰাকী পুৰোধা জ্যোতিপ্ৰসাদ-বিষ্ণুপ্ৰসাদৰ সান্নিধ্যৰে উজ্জীৱিত ভূপেন হাজৰিকাই শিকিছিল সংগীতৰ অ-আ-ক-খ। স্নেহাশিস লাভ কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ। প্ৰকৃতাৰ্থত সমসাময়িক সমাজৰ পৰিঘটনা আৰু পৰিৱৰ্তনশীল ৰাজনৈতিক প্ৰেক্ষাপটে ভূপেন হাজৰিকাৰ সৃষ্টিক অধিক মনোমোহা কৰি তুলিছিল, বান্ধোনৰপৰা মুক্ত হৈ দৃঢ়তাৰে একাষৰীয়াকৈ বৈ আহা এটি খৰস্ৰোতা জুৰিৰ দৰে। ড° ভূপেন হাজৰিকাৰ ব্যক্তিত্ব আৰু সৃষ্টিত সেয়েহে পৰিলক্ষিত হয় সততে বিদ্ৰোহী চেতনা আৰু স্বদেশপ্ৰেমৰ জাগৃত নিদৰ্শন। বিপ্লৱী বিষ্ণু ৰাভাৰ ব্যক্তিত্বই এফালে যিদৰে তেখেতক 'অগ্নিযুগৰ ফিৰিঙতি' কৰি গঢ়ি তুলিছিল, সৌম্য-শান্ত জ্যোতিপ্ৰসাদৰ সৃজনশীলতাই আনফালে অহৰহ প্ৰেৰণা যোগাইছিল এক অভিনৱত্বৰ বাবে। সেইবাবেই ভূপেন হাজৰিকাৰ সৃষ্টিত আমি দেখিবলৈ পাওঁ সু-সমন্বিত এটি সংমিশ্ৰণৰ ধাৰা। "প্ৰকৃততে জ্যোতিৰ স্বদেশপ্ৰেম, ৰাভাৰ মানৱপ্ৰেমৰ লগত ভূপেন হাজৰিকাই বাছি ল'লে নিজৰ জীৱনপ্ৰেম। যাৰ

প্ৰতিফলন ঘটিল তেওঁৰ গীতত উচ্ছল জীৱনৰ জোৱাৰৰ দৰে। ভূপেন হাজৰিকাৰ গীতৰ বৈশিষ্ট্যই হ'ল তেওঁৰ স্বদেশপ্ৰেমৰ গীতসমূহত প্ৰকাশ পোৱা আনন্দ, কোমলতা আৰু আশাবাদ।"

ভূপেন হাজৰিকা হৈছে মানৱীয় অনুভৱৰ কবি, মানৱীয় অনুভৱৰ গীতিকাৰ। সেইকাৰণেই তেওঁৰ গীতবোৰ আবৃত্তি কৰিব পাৰি। তেওঁৰ উচ্চাৰণ স্বাভাৱিকতেই আকৰ্ষণীয়। গতিকে তেওঁৰ গীতৰ ভাষা আৰু তেওঁৰ গীতৰ বিষয়বস্তু, গীতত ব্যৱহৃত মানুহৰ হৃদয়ৰ অনুভূতিৰ লগত জড়িত সুৰ, সেই সকলোবোৰে তেওঁৰ গীতক এটা সুকীয়া মৰ্যাদা দিছে।

ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিটো শব্দৰ কোঁহে কোঁহে যে জীয়া মানুহৰ উমান পোৱা যায়, সেই কথা তেওঁৰ শ্ৰোতামাত্ৰেই অনুভৱ কৰে। ইয়াৰ এটা কাৰণ হ'ল তেওঁৰ ভিতৰত গঢ়ি উঠা কিছুমান আদৰ্শৰ সংমিশ্ৰণ।

তেওঁৰ সকলো গীতৰ আধাৰ হৈছে প্ৰেম। কেতিয়াবা সেই প্ৰেম হৈছে ভগৱৎপ্ৰেম, কেতিয়াবা মানৱপ্ৰেম। জগতখনক যে তেওঁ অন্তৰেৰে ভাল পায়, মানুহক যে আন্তৰিকতাৰে আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি গ্ৰহণ কৰে, তেওঁৰ গীতবোৰেই তাৰ উন্মুক্ত প্ৰকাশ আৰু প্ৰেমৰ এক বৰ্ণময় ৰূপেই হৈছে তেওঁৰ গীতসমূহ। প্ৰেম আৰু সম্প্ৰীতিৰে পৰিপূৰ্ণ সেইখন মানৱ সমাজত মানুহৰ দাম সোণতকৈ অলপ হ'লেও বেছি থাকিব লাগিব—

"যন্ত্ৰযুগৰ সু-মহান কৃষ্টিৰে
মানুহৰ মুক্তিৰ গঢ়িম সপোন
নতুনৰ গতি খেদি বাহুৰে বন্ধা
আকাশ পৰশি যোৱা একতাৰ বান্ধোনক
ৰুধিব কোনে?
সাম্যৰ ধুমুহাই ঠেলে ঠেলে।"

মানৱপ্ৰেমত আকণ্ঠ ডুব গৈ থকা ড° ভূপেন হাজৰিকাই নতুন অসম, নতুন ভাৰত গঢ়িব খুজিছে সম্পূৰ্ণ মানৱতাবাদী দৃষ্টিভংগীৰে—

"হৰিজন, পাহাৰী, হিন্দু-মুছলিমৰ
বড়ো, কোঁচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।"

স্বকীয় সৃষ্টিৰ জয়যাত্ৰাৰ আৰম্ভণিতেই ড° ভূপেন হাজৰিকাই ৰচনা কৰিছে—

"অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম।"

শোষণৰ বিৰুদ্ধে ন্যায্য স্থাপনৰ দৰে সাম্যবাদী আদৰ্শেৰে প্ৰভাৱান্বিত হৈ ৰচনা কৰা এই গীতটিত লক্ষ্য কৰা যায় স্বদেশপ্ৰেমেৰে সিক্ত ভূপেন হাজৰিকাৰ বিদ্ৰোহী চৈতন্যক। নিঃসন্দেহে সমকালীন ঘটনাপ্ৰবাহ আৰু বিষ্ণু ৰাভাৰ সান্নিধ্যৰ ৰেঙনি স্পষ্ট এই গীতত।

অসমৰ ইতিহাস লিখি থৈ গৈছে ড° ভূপেন হাজৰিকাই তেখেতৰ গীতৰ মাজতে। 'মহাবাহু ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ' শীৰ্ষক গীতত বৰলুইতৰ ইতিহাস বৰ্ণনা কৰা হৈছে অতি সাৰ্থকভাৱে—

"সুদূৰ কাণ্যকুব্জৰেপৰা বাৰভূঞা আহিছিলে,
সেই বংশতে শংকৰদেউ ইয়াতে জনমিলে,
মৰুৰ দেশৰে আজান ফকীৰে
মধুৰ জিকিৰ ৰচিলে......
সমন্বয়ৰ দেখুৱালে কত প্ৰকাশ স্বতঃস্ফূৰ্ত।"

বৰগীত, বিহুগীত, আইনাম, বিয়ানাম, নিচুকনি গীত, ঐনিতম, জিকিৰ, কামৰূপী, গোৱালপৰীয়া লোকগীত আৰু অসমৰ প্ৰায় সকলো জনগোষ্ঠীৰ গীতৰ সুৰৰ আধাৰত কথাৰ লগতে সংগতি ৰাখি সুৰ সংযোজন কৰাটো তেওঁৰ বৈশিষ্ট্য। অসমীয়া সুৰৰ বৈচিত্ৰ্য আৰু মাদকতা ভাৰতীয় সুৰৰ মানচিত্ৰত ভূপেন্দ্ৰ কণ্ঠেৰে অংকন কৰি অসমলৈ সন্মান কঢ়িয়াইছে এইজনা শিল্পীয়ে। তেখেতৰ নিজৰ ভাষাত—

"টিৰাপ সীমান্তে; ৰূপৰ নাই অন্ত
নক্তে ৰাঙ্খু; টাংচা যুগলিৰ
দেখিলোঁ মনৰ সেউজ দিগন্ত।"

পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰীডাল সুদৃঢ় কৰিবলৈ এহাল আধুনিক মনৰ যুৱক-যুৱতীক কল্পনা কৰিছে এনেদৰে—

"মই কহিমাৰে আধুনিকা ডালিমী
মই গদাপাণি আধুনিক ভৈয়ামৰ

আমি আজি দুয়ো সহযাত্ৰী
গুৱাহাটী অভিমুখী নিশাৰ ৰে'লৰ।"

খাচি পাহাৰৰ লগত অসমৰ ভৈয়ামৰ সাদৃশ্য বিচাৰি বিভোৰ হৈ গাইছে সেই একেই এনাজৰীৰ গীত—

"হে হে হে ঢোলে ডগৰে
হে হে হে হিয়াৰ উমেৰে
নেদেখা এনাজৰীৰে বান্ধো আমি
পাহাৰৰ শিখৰৰে মহান চিয়েমক...।"

চেৰাপুঞ্জীৰ উদাৰ মেঘে যিদৰে বাৰিষাৰ ৰূপেৰে আমাৰ লুইতক সাৱটি ধৰে, সেইদৰে জনগোষ্ঠীৰ নেদেখা এনাজৰীডালেৰে বান্ধ খায় পাহাৰ-ভৈয়াম। ভৈয়ামৰ জনগোষ্ঠীৰ মাজতো তেখেতে সম্প্ৰীতিৰ মধুৰ ঝংকাৰ বিয়পাইছে। দিচাংমুখৰ সেই জীৱন্ত নিশাটি সুৰেৰে সজাই তোলা মিচিং ডেকাটিৰ।

'বৰদৈচিলা নে সৰুদৈচিলা' গীতটি হ'ল অসমীয়া মানুহৰ চেতনাক জাগ্ৰত কৰা গীত। বৰদৈচিলা হ'ল বড়ো জনগোষ্ঠীৰ বৰদৈচিখ্‌লা। অসমীয়া ভাষা-সংস্কৃতিলৈ অভূতপূৰ্ব অৱদান যোগোৱা বড়োসকলৰ প্ৰথমখন বোলছবি 'জিউনিমিঙ্' (১৯৮৭) পৰিচালনাৰ দায়িত্ব লৈছিল ড° ভূপেন হাজৰিকাই। তেখেতে বড়োভূমিত গৈ সংস্কৃতিৰ মণি-মুকুতা বিচৰা কাৰ্যত সময় কটাইছিল। গহপুৰত জনজাতীয় আৰু অজনজাতীয় লোকৰ মনোমালিন্যৰ সময়ছোৱাত ভূপেন হাজৰিকা আছিল সমন্বয়মুখী কামৰ মধ্যমণি।

অৰুণাচলৰ গালং, ৱাংচু, খাম্‌তি জনগোষ্ঠীক লৈ তেখেতে মন ভুলোৱা গীত 'চিয়াঙৰে গালং' লিখিছিল আৰু গাইছিল। অৰুণাচল প্ৰদেশৰ প্ৰতি তেখেতৰ আছিল অসাধাৰণ দুৰ্বলতা। সেয়েহে তেখেতে নিজৰ পৰ্যায়ত NEFA অসমৰ লগত মৰ্যাদা সহকাৰে থকাত গুৰুত্ব দিছিল। অৰুণাচল প্ৰদেশ আঁতৰি যোৱাৰ মৰ্মবেদনাত তেখেতে 'মন ক্ষণে ক্ষণে বিনায়' গাইছিল। সপোন চহৰ 'শ্বিলঙৰ গধূলি', 'লিয়েন মাকাও', 'মনালিছা লিংডো', অকল গাভৰু প্ৰেমেই নহয়— খাচি জনগোষ্ঠীৰ প্ৰতি থকা তেখেতৰ প্ৰেম আৰু শ্ৰদ্ধাৰ মূৰ্ত প্ৰকাশ।

মিচিং জনগোষ্ঠীৰ প্ৰতি থকা তেখেতৰ মৰম 'দিচাংমুখৰ ডেকাটি' গীতত মূৰ্ত হৈছে। 'মিৰি জীয়ৰী' চিনেমাখন ইয়াৰ অন্যতম উদাহৰণ।

ড° ভূপেন হাজৰিকাই সপোন দেখিছিল— বৰ অসমৰ; আজিৰ দৰে

ক্ষুদ্র ক্ষুদ্র ৰাজ্যৰে খণ্ডিত অসমৰ নহয়। তেখেতৰ গানে সম্প্ৰীতিৰ সাঁকো গঢ়িছিল পাহাৰ-ভৈয়ামৰ, জাতি-জনগোষ্ঠীৰ। অসমৰ প্ৰতি জনগোষ্ঠীয়ে এক ঐকান্তিক আন্তৰিকতা বিচাৰি পাইছিল ভূপেন হাজৰিকাৰ গানত। সম্প্ৰীতিৰ এই আহ্বানত উদ্বুদ্ধ হৈছিল অসমৰ পাহাৰ-ভৈয়ামৰ সহস্ৰ জনতা—

"প্ৰতিধ্বনি শুনো মই প্ৰতিধ্বনি শুনো
মোৰ গাঁৱৰে সীমাৰে পাহাৰৰ সিপাৰৰ
নিশাৰ চিএৰবটিৰ প্ৰতিধ্বনি শুনো।"

এই জাতীয় প্ৰেমৰ চেতনাতেই অংকুৰিত হৈছে সম্প্ৰীতিৰ বীজ; যি বীজ সম্প্ৰসাৰিত হৈ বিশ্ব ভাতৃত্ববোধৰ এক অক্ষয়-অম্লান জ্যোতিপ্ৰপাতলৈ ৰূপান্তৰিত হৈছে, এই সুৰ প্ৰতিধ্বনিত হৈছে প্ৰত্যেকৰে হৃদয়ে হৃদয়ে।

ড° ভূপেন হাজৰিকাৰ গীতসমূহত বিয়পি থাকে কেঁচা মাটিৰ এটি ফুৰফুৰীয়া গোন্ধ। নিচুকনি গীতৰপৰা জনজাতীয় গীতলৈকে, বনগীতৰপৰা ঝুমুৰলৈকে বা কেতিয়াবা তাৰ পৰিধি ভাঙি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পল ৰবছনলৈকে বিচাৰি ফুৰিছে সুৰৰ আকৰ আৰু এজন নিপুণ খনিকৰৰ দৰে নিৰ্মাণ কৰিছে কালজয়ী গীতসমূহ। এক কথাত মাৰ্কিন গণ সংগীতৰ কিংবদন্তি পিট চিগাৰৰ দৰে ড° ভূপেন হাজৰিকাই গাই গ'ল ভালপোৱা আৰু মানুহৰ সমমৰ্মিতাৰ গান, মানুহৰ মৰ্যাদাৰ গান, মানুহৰ চিৰায়ত সংগ্ৰামৰ গান। কাৰ গানৰ বাবে বৈ থাকে এটা জাতি? যাৰ গীতৰ বাবে এটা জাতি বৈ থাকে.....। জাগি উঠে এটা জাতি, সেইবাবেই ড° ভূপেন হাজৰিকাৰ গানতেই উজাৰ খাই পৰে বিভিন্ন জনগোষ্ঠীৰ মৰম, ভালপোৱা। প্ৰতিটো নতুন গানৰ বাবে বৈ থাকে এটা সমগ্ৰ জাতি। বুকুত কাণ পাতি। গানবোৰেই দেশৰ মাটি, নৈৰ দৰেই আপোন।

"যাৰ পৰিচয়— সুধাকণ্ঠ
পৰিচয় যাৰ সংগীত সূৰ্য।"

সুধাকণ্ঠৰ অতুল্য গীতবোৰে জনসাধাৰণৰ বহল বুকুলৈ নতুন সাহসৰ, নতুন আশাৰ জোৱাৰ আনে।

"সাম্যৰ মন্থন পাতিব লাগিব
চূৰ্ণ কৰি শোষণ অনল
মুমূৰ্ষু জনতাই নৱ চেতনাত
তোলক আনন্দৰ কোলাহল।"

হেজাৰ যুগৰ আন্ধাৰ নিজহাতে আঁতৰাই একতাৰে বাট বুলিবলৈ সহস্ৰজন প্ৰতিশ্ৰুতিবদ্ধ হয়। শেষত ক'ব বিচাৰোঁ— যেতিয়ালৈকে ব্ৰহ্মপুত্ৰ বৈ থাকিব, অসমীয়া জাতি থাকিব, কৃষ্টি-সংস্কৃতি থাকিব, তেতিয়ালৈ ড° ভূপেন হাজৰিকা মহান মানৱ তথা মহান শিল্পী হিচাপে মানুহৰ মাজত উজ্জ্বল নক্ষত্ৰ হৈ জিলিকি থাকিব।

মৃত্যুহীন প্ৰাণৰ ভাষাৰেই ক'ম—

**"মই বিচাৰিছোঁ হেজাৰ চকুত দীপ্ত সূৰ্যশিখা**
**এই ভয়াৱহ যুগসন্ধি নাশিবলৈ বিভীষিকা।"** ■

*('স্মৃতিগ্ৰন্থ', সোণালী জয়ন্তী অধিৱেশন, বকো-বনগাঁও আঞ্চলিক ৰাভা জাতীয় পৰিষদ, ২০১২)*

# গণমুখী আদৰ্শনিষ্ঠাৰে সমুজ্জ্বল গণশিল্পী খগেন মহন্ত ঃ আমাৰ আগলতি চিত

*“ন জায়তে ম্ৰিয়তে ৱা কদাচিন্*
*নায়ং ভূত্বা ভৱিতা ৱা ন ভূয়ঃ।*
*অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো*
*ন হন্যতে হন্যমানে শৰীৰে।।”*

১:১ এজাৰ ফুলাৰ বতৰতে অসমীয়াৰ মনত বেজাৰ লগাই কাকো কোনো উমান নিদিয়াকৈ বিয়লিৰ সূৰ্য আৰু সন্ধিয়াৰ জোনে প্ৰেমালাপৰ বাবে প্ৰস্তুত হোৱাৰ পৰতেই হঠাতে নিগাজিকৈ খহি পৰিল মাটিত থকা এটা জিল্‌মিল্ তৰা। নিজৰ পোহৰেৰে আনক পোহৰাব পৰা অসাধাৰণ তৰাটো মাটিত থাকি চৌদিশ আৰু মাটিৰ মানুহবোৰক পোহৰাই থকাটোৱেই যে আকাশেও বিচাৰিছিল। তথাপিও তেওঁ গ'লগৈ। সকলোৰে আগলতি চিত যেন তৰাটোৱে কাৰো কথা নামানিলে। কল্যাণ খৰমান বুলি শেষ ৰাগিণী গাই চিৰন্তন সত্যক মিথ্যা প্ৰমাণিত নকৰি তেওঁ নিগাজিপামৰপৰা গুচি গ'লগৈ ১২ জুন, ২০১৪ৰ দিনা। স্তব্ধ হৈ পৰিল অগণিত গুণমুগ্ধৰ হৃদয়স্পন্দন। ৰিক্ত হ'ল ৰূপহী অসমীৰ বুকু। তৰাটোৰ নাম— খগেন মহন্ত।

১:২ ১৯৪২ চনৰ ১৭ আগষ্ট (শাওণ-ভাদৰ সংক্ৰান্তি তিথি)ত নগাঁও জিলাৰ জাজৰি বগৰীগুৰিৰ আমতলা গজলা সত্ৰাধিকাৰৰ গৃহত জন্ম হোৱা 'সংগীত সুধাকৰ' খগেন মহন্তই পিতৃ, সত্ৰীয়া সংস্কৃতিৰ ওজা প্ৰয়াত হৰেন্দ্ৰনাথ মহন্ত আৰু মাতৃ প্ৰয়াত লক্ষ্মীপ্ৰিয়া দেৱীৰপৰা শৈশৱতে আয়ত্ত কৰিবলৈ সমৰ্থ হৈছিল নাম-কীৰ্তন, প্ৰসংগ, গায়ন-বায়ন আৰু সত্ৰীয়া নৃত্য-কলা।

১৯৫৭ চনত খগেন মহন্তই নগাঁও চৰকাৰী হাইস্কুলৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ শ্বিলঙৰ ছেইণ্ট এড্‌মুণ্ড্‌ছ কলেজত নামভৰ্তি কৰে। ১৯৫৭

চনতেই তেওঁ 'আমাৰ মৰাৰ সুঁতিৰ বুকুত উঠে বান...', 'ই যে কৃষ্ণ লীলা কৃষ্ণ নদীৰপৰা....' গীতত সুৰ প্ৰদান কৰে। ১৯৫৯ চনত খগেন মহন্তই মহীশূৰত অনুষ্ঠিত সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয় যুৱ মহোৎসৱত খোলবাদন কৰি সোণৰ পদক লাভ কৰে। সেই বছৰতেই দিল্লী দূৰদৰ্শন স্থাপিত হোৱাত দূৰদৰ্শনৰ কৰ্মকৰ্তাই খগেন মহন্তৰ গীত শুনি তেওঁক একক অনুষ্ঠান পৰিৱেশন কৰিবলৈ আমন্ত্ৰণ জনায়। ১৯৫৬ চনৰপৰা আকাশবাণীৰ সৈতে বাদ্যযন্ত্ৰী হিচাপে জড়িত হৈ ১৯৬৫ত নিয়মীয়া স্বীকৃতি লাভ কৰে।

১:৩ ১৯৬০ চন। মননশীল গীতৰ মাজেৰেই খগেন মহন্তই ১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ত বিষ্ণুপ্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাস, ড° ভূপেন হাজৰিকা, ইউচুফ, জ্ঞানদা কাকতিৰ দৰে প্ৰথিতযশা গুৰুস্থানীয় শিল্পীৰ স'তে *"Let us meet for Peace & Harmony"* গোষ্ঠীত জড়িত হৈ ভাষিক গোষ্ঠীৰ দ্বন্দ্বত জৰ্জৰিত অসমীয়াক মানৱীয় প্ৰমূল্যবোধ জীয়াই ৰখাৰ মুকলি আহ্বান জনায়। উল্লেখনীয় যে, ভাষা আন্দোলনৰ কটা-মৰাৰ সেই সময়ছোৱাতে অৰ্থাৎ ১৯৬১ চনত খগেন মহন্তৰ গান শুনি কলকাতাৰ নাগৰিকে মন্তব্য কৰিছিল— "এৰা এত ভাল' গান কৰে, মানুষ কাটে কি ৰকম!" খগেন মহন্তৰ বাবে ই Best compliment। ১৯৬৫ চনত সাংস্কৃতিক বিনিময় কাৰ্যসূচীৰ অংশ হিচাপে নেপালত গীত পৰিৱেশন কৰিবলৈ যায় খগেন মহন্ত। নেপাল ভ্ৰমণৰ শেষৰদিনা নেপাল ৰয়েল হলত খগেন মহন্তই পৰিৱেশন কৰে সেই গীত— "মুৰলী, মুৰলী বাজে অ' বনমা...... লাও কৃষ্ণ সমজন মনমা.....।" আলোড়িত হৈ উঠিল নেপালী শিল্পৰসিকৰ মন-প্ৰাণ আৰু গীতটো পৰিৱেশন কৰাৰ পাচতে নেপালী লোক-সংগীতৰ সম্ৰাট ধৰমৰাজ থাপাই অত্যন্ত অভিভূত হৈ নিজে পিন্ধি থকা টুপীটো খগেন মহন্তক পিন্ধাই দিলে। ভাৰতীয় সংগীতৰ প্ৰতি সন্মানৰ এক স্বীকৃতিস্বৰূপেই খগেন মহন্তই শিৰত ধাৰণ কৰি আছিল ঐতিহাসিক স্মৰণীয় টুপীটো। ১৯৬৯ চনত খগেন মহন্তৰ একান্ত প্ৰচেষ্টাত 'ধনশিৰি পাৰ হৈ ঢপলিয়াই আহিলোঁ' গ্ৰামোফোন ৰেকৰ্ডখন বাণীবদ্ধ হয়। ১৯৭২ চনত খগেন মহন্তই আকাশবাণী সুগম সংগীত আৰু লোক-সংগীতৰ এ-গ্ৰেড শিল্পীৰ স্বীকৃতি লাভ কৰে। ১৯৭৩ চন, আয়তীৰ উৰুলিত উগুল-থুগুল মন। খগেন মহন্তৰ সৈতে অৰ্চনা দাস হৈ পৰিল অৰ্চনা মহন্ত। অসমৰ সংগীত জগতত থকা এক অনন্য যুটি এয়া। 'অ' সুন্দৰী ৰাধেৰ মাক', 'শালিকী অ' অবুজন চৰাইজনী/ মোৰ তাঁতত

পৰি/কেলেই ছিঙিলি সূতা...', 'পাহাৰৰ জুৰিটি পীৰিতি সাৱটি...' আদি গানেৰে জনপ্ৰিয় হৈ পৰা অৰ্চনা মহন্ত হৈ পৰে খগেন মহন্তৰ অন্যতম প্ৰেৰণা। পৰৱৰ্তী পৰ্যায়ত দুয়োৰে যুগ্ম জীৱনলৈ দুই সন্তান ক্ৰমে পুত্ৰ অংগৰাগ (পাপন) আৰু কন্যা কিংকিনীৰ আগমন ঘটে।

১:৪ ২০ জুন, ১৯৬৭ চন। সকলোকে উচুপাই সিদিনাই পৰলোক ঘটিছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ। ৰাভাৰ মৃত্যুৰ দিনা 'আকাশবাণী গুৱাহাটী'ৰ তদানীন্তন কেন্দ্ৰ সঞ্চালক উবেদুল লতিফ বৰুৱাৰ নিৰ্দেশত ৰাভাৰ ৰচিত গীতটো খগেন মহন্তই সুৰ দি কণ্ঠদান কৰিছিল—

"এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিণী
কল্যাণ খৰমান...।"

এই গীতটোৱে লক্ষ লক্ষ জনতাৰ বুকুত যি সাঁচ বহুৱালে, সেই সাঁচ আজিও মচা যোৱা নাই। হয়তো জীৱন নাটৰ শেষ ৰাগিণীত ৰাভাই বুকুৰ তেজেৰে লিখিছিল সেই কবিতা, সেই গীত, যাক চকুৰ পানীৰে মচিব নোৱাৰি। জীৱন হয়তো এনেকুৱাই— অলপ হাঁহি, অলপ অশ্ৰু, অলপ নুবুজা সাঁথৰ। ১৯৮০ৰ দশকতেই অৰ্চনা মহন্তৰ সৈতে খগেন মহন্তই গাইছিল—

"নিজৰ ঘৰতে নিজহাতে লগালি জুই
ভিতৰৰ নল'লি গম
তাতে কুটুমো আছিলে শুই.....।"

এই গীতৰ ফলত সেই সময়ত উগ্ৰ আন্দোলনকাৰীৰ ৰোষত পৰি সুদীৰ্ঘ দুবছৰ ধৰি সামাজিক বৰ্জনৰ মুখামুখি হোৱা শিল্পী দম্পতীয়ে অসমৰ ইমূৰ-সিমূৰ, ইপাৰ-সিপাৰ পাৰ হৈ সুদূৰ আমেৰিকালৈ গাইছে মানুহৰ গান, মাটিৰ গান। তেওঁ আৰু গাইছিল—

"কিহৰ শব্দ, কিহৰ ধোঁৱা
অন্ধ তহঁত, বন্ধ কৰিব পাৰিবিনে
মোৰ শব্দ, মোৰ গান গোৱা।"

এই বৃহৎ সাফল্যৰ আঁৰত আছে তেওঁৰেই ভিনিহিয়েক কেশৱ মহন্ত। কেশৱ মহন্তৰ সৈতে খগেন মহন্তৰ সংযোগ অসমীয়া আধুনিক গীতৰ জগতখনৰ বাবেই আচলতে মণিকাঞ্চন সংযোগৰ দৰে এক ঐতিহাসিক সংযোগ। দুয়ো আছিল ভাৰতীয় গণনাট্য সংঘৰ অশীতিপৰ কৰ্মী। অসমৰ

থলুৱা মাটি আৰু মানুহৰ তেজ-ঘামৰ গোন্ধ থকা সেই কথা আৰু সুৰেৰেই গঢ়া কেশৱ মহন্তৰ প্ৰগতিশীল ভাবনাৰ গীতসমূহক নিজৰ সুৰ আৰু কণ্ঠেৰে জীৱন্ত কৰি গৈছে তেওঁ। এজন গীতিকাৰ আৰু আনজন সুৰকাৰ-গায়ক দুয়োৰো গীতৰ গণমুখী চৰিত্ৰলৈও নতুন প্লাৱন আনিছিল।

১:৫ বিহুগীত, বিয়ানাম, আইনাম, ঘোষা আদিৰ সুৰবোৰৰ সম্পৰীক্ষণৰ মাধ্যমত নতুন সুৰ সৃষ্টি কৰি খগেন মহন্ত বৰং হৈ উঠিছিল এনে এজন সুৰকাৰ আৰু গায়ক— যাৰ গীতত উত্থাপিত হয় সজোৰে মেহনতী জনতাৰ ওপৰত চলা শোষণ-নিৰ্যাতন, জাত-পাত, ধৰ্ম-সম্প্ৰদায়ৰ বিভীষিকাত জুৰুলা ৰাইজৰ যন্ত্ৰণা আদি প্ৰসংগবোৰ। "ঘন ক'লা কয়লাৰ ৰাতি" গীতটোত সেয়ে আমি পাওঁ—

"এই বংশৰ কাৰাগাৰ
হিংসাৰ অনাচাৰ
লাঞ্ছিতা দৈৱকী মাতৃ
গণমন-গৰজন
জনমৰ শুভক্ষণ
বেদনাৰ অষ্টমী ৰাত্ৰি
সাজু হোৱা অ' মহামতি।"

সমাজ-চেতনাৰ বিদ্ৰূপাত্মক প্ৰকাশ আনহাতে শুনো তেওঁৰ এই গীতত—

"বৰ ঘৰৰ মেকুৰী সৰু ঘৰলৈ যায়
সৰু ঘৰৰ মানুহবোৰে খোজত চিনি পায়
সহজ-সৰল মানুহবোৰে খোজত চিনি পায়।"

'বৰ ঘৰ' আৰু 'সৰু ঘৰ'ৰ ব্যৱধানেৰে সমাজখনক উদঙাই দিয়া এই গীতৰ এই প্ৰখৰ যুগ-চেতনাই গীতিকাৰ আৰু সুৰকাৰ-গায়ক দুয়োকো কৰি তুলিছে চহা ৰাইজৰ আপোনৰো আপোন। যুগে যুগে লাঞ্ছিত-বঞ্চিত জনতাৰ তেজ শোষণ কৰি পেটুৱা হৈ যোৱা শাসকৰ পৰিণতিৰ কথা কোৱা তেওঁৰ কণ্ঠৰ কেশৱ মহন্তৰ এই গীতটো—

"এখন দেশত এক ৰজা আছিল
লঘু দোষত গুৰু দণ্ড দিছিল
সেই ৰজাৰ শেষ দশা জানে,
আইতাই, জানে আইতাই।"

সাম্প্ৰতিক উগ্ৰপন্থী, জনগোষ্ঠীয় সংঘাতৰ সমস্যাক লৈ চিন্তিত খগেন

মহন্তই গাইছে—

"কোন বাটে পোনালি
ক'ত গৈ সোমালি।"
"গানৰ কোলাত তুলি দিলোঁ
মোৰ দুখৰ চকুপানী.....
আয়ো একেজনী ঘৰো একেখনি।"

২:১ অসমী আইৰ দুখত খগেন মহন্তই দুখেৰে গাইছে—

"দুখৰেনো ৰাতিটো কেতিয়া পুৱাব
অসমী আইৰে মুখখনি কোনে উজলাব
ভুৰুকাতে হাতী ভৰাই কোনে দেখুৱাব
মেথোনৰে শিঙত ধৰি কোনে নচুৱাব
লুইতৰে নীলা পানী
তেজেৰে ৰাঙলী কৰি
আকৌ এবাৰ কোনে বাৰু শতৰু খেদাব...।"

অসমৰ জনসাধাৰণৰ প্ৰতিটো সমস্যাতে খগেন মহন্তৰ কণ্ঠ সৰৱ। বানপানী সমস্যাক লৈ তেওঁ গাইছে—

"এই বান বাৰিষাৰে বান
অ' কপাল পোৰা
কাল লুইতৰ অচিন সোঁতত।"

খগেন মহন্ত গণশিল্পী, বিহুগীতৰ ওজা, বিহু সম্ৰাট। মহন্ত এজন সমাজ সচেতন শিল্পী। সমাজৰ প্ৰকৃত মানুহৰ গীত গাবলৈ তেওঁ নিজকে দায়বদ্ধ কৰি লৈছে— সেয়ে গণশিল্পী।

মাটি-মানুহৰ সম্পৰ্ক আৰু বিশেষকৈ কৃষিজীৱী ৰাইজৰ মৰ্মবেদনাক সঁচা অৰ্থত বুজি একাত্ম হৈ খগেন মহন্তই গোৱা গীতবোৰে অসমৰ প্ৰতিটো জনগোষ্ঠীৰ মন-হৃদয় চুই গৈছিল আৰু ঐক্য-সম্প্ৰীতি, চেনেহেৰে সকলোকে আৱেগিকভাৱে উদ্বুদ্ধ কৰি ৰাখিছিল আৰু প্ৰতিটো গীততে সুৰৰ মায়াজালেৰে পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ সাঁকোডাল মজবুত কৰি ভাতৃত্ববোধৰ পথাৰখনত এক অনন্য মাত্ৰা প্ৰদান কৰিছিল খগেন মহন্তই। তেওঁ বাহিৰৰপৰা অহা বিভেদকাৰীৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হ'বলৈও গীতৰ মাজেৰেই আহ্বান জনাইছিল। কি যে বিশাল প্ৰতিভা খগেন মহন্তৰ! কণ্ঠৰ যাদুৰে তেওঁ মুগ্ধ

কৰিছে অসমৰ তিনিটাকৈ প্ৰজন্মক। তেওঁ উদাত্ত কণ্ঠে কৈছে—

“প্ৰিয়তম এই জীৱন
যি বোঁৱতী নদীৰ ধাৰ
যাৰ বাধা ভাঙি যোৱা প্ৰাণ
মই অন্তৰ মিলাওঁ তাৰে।

পৰ্বত যিমান ওখ, সিমান ধুমুহাৰ চলাচল
লক্ষ্য যিমান ওখ, সিমান বাধাৰ চলাচল
আচল জীৱন উদাৰ অন্তৰময়
মই অন্তৰ মিলাওঁ তাৰে।”

২:২ কেশৱ মহন্তৰ গীত আৰু ৰুদ্ৰ বৰুৱাৰ সুৰেৰে সজোৱা ‘কাউৰী পৰে...’ গীতটোৰ আৱেদন পাহৰিব নোৱাৰি। আজিও শুনিলে শুনি থাকিবৰ মন যায়। তেওঁ গোৱা ‘ভাল লাগি যাই অ’ দুখৰ ভাগৰ নাই...’, ‘বৰ ঘৰৰ মেকুৰী...’, ‘এক আছিল ৰজা, তেওঁৰ ৰাণী দুগৰাকী...’, ‘আমাৰ মন পথাৰৰ লহ্‌পহীয়া বাওধানবোৰ...’, ‘সোণেৰে গঢ়ালোঁ সঁচৰুৱা খাৰু...’, ‘অ’ মায়া ভৰা এই ধৰা’, ‘প্ৰথম দেখাৰ মধু বেলা...’, ‘যি হ’ল বোলো ঢোলটোকে বা...’, ‘ব’হাগৰ কুঁহিপাত পেঁপাটিৰ মিঠা মাত’, ‘জোনটি ওলালে তৰাটি ওলাব’, ‘অ’ হৰি প্ৰভু জগন্নাথ...’, ‘পকা তুল তুল বিলাহী, উৰুঙা উৰুঙা নাপাওঁ মই সুৰুঙা’, ‘উজুটি উজুটি ছিগিল ভৰিৰ আঙুলি পাঁচোটি’, ‘আই অ’ শিপিনী কেঁচা ৰ’দৰ ৰেঙণি এচেৰেঙা গালে-মুখে পৰে...’, ‘পলাশ ৰাঙলী হ’ল মনো ৰাঙলী হ’ল’ আদি গীতবোৰ। তেওঁ গোৱা বিখ্যাত গীত—

“দেহা ক’লা হ’লে থাকে দুদিনলে’
মন ক’লা হ’লে ভাঙে
বনত জুই লাগিলে থাকে দুদিনলে’
মনত জুই লাগিলে ভাগে...।”

* * * *

“পাৰৰ পাখিত গাঁঠি দিলোঁ
ফুলাম চিঠিখনি
জনাওঁ বুলি জগতখনক
বিহুৰ ওলগনি...।”

বিহুৰ প্ৰতি তেওঁৰ মনৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা তেওঁৰ কণ্ঠৰ প্ৰতিটো বিহুনামৰ ছন্দে ছন্দে ফুটি উঠিছে। বিহুগীত গোৱাৰ ঢং আৰু ভংগিমাত বা তাৰ উচ্চাৰণশৈলীত তেওঁৰ সুৰৰ গ্ৰাম্যতা আৰু আঞ্চলিকতা বিদ্যমান। প্ৰসংগক্ৰমে হেমাংগ বিশ্বাসে এবাৰ বৰ সোণসেৰীয়া কথা কৈছিল— "যি নাই বিহুগীতত, সি নাই অসমত আৰু যি নাই অসমত, সি নাই বিহুগীতত।" অসমৰ কেইবাগৰাকীও মহীৰূহ ৰুদ্ৰ বৰুৱা, কেশৱ মহন্ত, নগেন বৰা, নিৰ্মলপ্ৰভা বৰদলৈ, নুৰুল হক আদি গীতিকাৰ-শিল্পীৰ গীতত সুৰ আৰু কণ্ঠৰ প্ৰপাত ঢালি প্ৰাণসঞ্চাৰ কৰিছিল শ্ৰোতাৰ আপোন শিল্পী খগেন মহন্তই।

২:৩ সংগীত নাটক অকাডেমি বঁটা, ফিল্ম ক্ৰাফ্‌ট বঁটা, শ্ৰীময়ী বঁটা, ন্যায়াধীশ ড° বি. পি. ছৰাফ স্মাৰক বঁটা, সংগীতাচাৰ্য বঁটাৰ লগতে কস্তুৰী কণ্ঠ, সংগীত সুধাকৰ আদি সন্মানেৰে বিভূষিত খগেন মহন্তই লোকগীত, বিহুগীত, ফঁকৰা, মালিতা, নিচুকণি গীত, বৰগীত, শিশুগীত, ধেমালিৰ গীত, আধুনিক গীত আদিৰে অসমৰ সাংস্কৃতিক জগতৰ বৰপেৰা চহকী কৰি থৈ গৈছে। অসমৰ বিশিষ্ট সংগীতজ্ঞ প্ৰয়াত তফজ্জুল আলীৰ ভাষাৰে খগেন মহন্তৰ গীত হৈছে তিনিটা সুঁতিৰ মিলন। এই সুঁতিকেইটা হৈছে অসমৰ সত্ৰীয়া সংস্কৃতিৰ সুৰ, বিহুগীতৰ মাজত অসমীয়া লোক-সুৰ আৰু আধুনিক গীতৰ সুৰ। সকলোতে যেন অতুলনীয় অনবদ্য বিচৰণ।

প্ৰায় ছয়টা দশক ধৰি খগেন মহন্তৰ সুৰ আৰু কণ্ঠই অসম আৰু অসমীয়াক মুগ্ধ কৰিছিল আৰু কোনোদিনে উভতি নহা বাটেৰেই চিৰদিনৰ বাবে গুচি গ'ল বিষ্ণুপ্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, ড° ভূপেন হাজৰিকা, জয়ন্ত হাজৰিকাৰ দৰে জাতীয় জীৱনৰ অন্যতম সতীৰ্থ তথা অসমীয়া সংস্কৃতিৰ মুকুটবিহীন সম্ৰাটগৰাকী। অধ্যাপক ড° অমৰজ্যোতি চৌধুৰীৰ ভাষাত—

"বিহুগীত এফাকি ক'ৰবাত হেৰাল
আবেলি ৰ'দতে কলংখনি শুকাল
হেৰৌ মোৰ কলিজাৰ এফাল
পেঁপা আৰু গগনাও চিত হৈ দুফাল....."

তেওঁ আছিল আমাৰ আগলতি চিত।

সাধাৰণ মানুহৰ সাধাৰণ ইচ্ছাৰ গীত, চেনেহীৰ খবৰ নজনা ডাকোৱালৰ গীত। হুঁচৰিয়ে হুৱাই দিয়া ভয়-ভীত।

২:৪ মানুহৰ ৰঙেৰে, মানুহৰ ঢঙেৰে, মানুহৰ সাজ-পাৰেৰে আৰু মানুহৰ কণ্ঠৰে গীত গোৱা পুৰুষ প্ৰজন্মটোৰ খগেন মহন্তৰে ইতি পৰিল। তেওঁ গোৱা গীতৰ ভাষাৰে—

"এই কাল যদি চিৰকাল হয়
তুমি কালজয়ী হোৱা
এই পথ যদি জনপথ হয়
তুমি ফুল সিঁচি যোৱা।।
অবাট আৰু আওবাটে মই
মাথোঁ বাটকুৰি বালোঁ
ভুৱা পোহৰৰ চকা-চমকাত
তোমাক পায়ো হেৰুৱালোঁ।"

'যিদিনা মাগিম মই শেষৰ মেলানি'— 'জয়ন্তী যুগ'ৰ কবি কালিপ্ৰসাদ বৰা ৰচিত এইফাকি গীতেৰেই যেন আমাৰপৰা বিদায় ল'লে গণশিল্পী খগেন মহন্তই।

**"ভাঙি গ'ল বীণখনি ছিঙি গ'ল তাঁৰ**
**বৈ গ'ল অৱশেষ অমিয় জোঁকাৰ...।"**

তেওঁ সদায়ে আমাৰ কাষতে থাকিব— কায়িকভাৱে নহ'লেও আৰু দিব আমাক পথৰ সন্ধান। *"You left us beautiful memories, your love is still our guide. And though we can not see, you are always by our side."* ■

*('স্মৃতিগ্ৰন্থ', সোণালী জয়ন্তী বৰ্ষ, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো, ২০১৪)*

# বিহু সংস্কৃতিৰ তাৎপৰ্য ঃ এটি চমু অৱলোকন

*"Spring, the sweet Spring, is the*
*year's pleasant King;*
*Then blooms each thing, then*
*maids dance in a ring,*
*Cold doth not sting, the pretty*
*Birds do sing..."*

১:১ ঋতুৰাজ বসন্ত আহে ৰবৌদেচিলাৰ আগমনত, কুলিৰ সুৱদি মাতত, কপৌফুলৰ সুগন্ধি সুবাসত। বাৰিষাৰ প্ৰথম ৰবষুণজাকে ব'হাগৰ বতৰা দিয়াৰ প্ৰাক্‌ক্ষণত প্ৰকৃতিয়ে নতুন সাজেৰে জীপাল হৈ উঠে। গছে-বনে কুঁহিপাত মেলে, গছৰ ডালে ডালে কপৌফুল ফুলে, নানাৰঙী ফুলেৰে জাতিষ্কাৰ হৈ উঠে সেউজী ধৰণী। বিৰিখৰ ডালত পৰি কুলি চৰাইজনীয়েও সুললিত কণ্ঠেৰে কুউ-কুউকৈ ব'হাগ বিহুৰ আগজাননী দিয়ে। বিহুৰ মাদকতাত প্ৰতিজন অসমীয়াৰ গা সাতখন-আঠখন কৰে, নতুন আশা, ন-শিহৰণ জাগে। ব'হাগ মানে আবেদন, সবল প্ৰকাশ। মানুহক এখন মংগলময় পৃথিৱীৰ বাসিন্দা হ'ব লাগে। কেৱল সুন্দৰেৰে ভৰি পৰক জীৱন অৰণ্য। ব'হাগ কেৱল তৰল ভাবাবেগ নহয়, এক আপোচহীন অংগীকাৰ। এক শৈল্পিক চিত্ৰ।

"ব'হাগ মাথোঁ বিহুগীত নহয়
ইনাই-বিনাই গোৱা
ব'হাগ এখনি সৃষ্টি দলিল
সূৰ্য্যৰ জ্যোতিত পোৱা
ব'হাগেই এক্ষাৰৰ ত্ৰাস।"
—সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ এই অমৰ গীতৰ কথাত উন্মোচিত হৈছে ব'হাগ বিহুৰ সৃষ্টিতত্ত্ব আৰু তাৎপৰ্য। এইখিনিতে উল্লেখ্য যে, ঋতু

পৰিৱৰ্তন প্ৰকৃতিৰ স্বাভাৱিক ঘটনা। পৃথিৱীৰ বাৰ্ষিক গতিৰ বাবে প্ৰতিটো ঋতুত পৃথিৱীৰপৰা সূৰ্যক ভিন্ন অৱস্থানত দেখা যায়। ঘূৰ্ণীয়মান পৃথিৱীৰ সংস্থিতি অনুযায়ী বসন্ত ঋতুৰ সময়ত সূৰ্যক বিষুৱ ৰেখাৰ ওচৰে-পাঁজৰে দেখা যায় আৰু মহাবিষুৱন সংক্ৰান্তি বা গৰুবিহুৰ দিনা সূৰ্যৰ অৱস্থান বিষুৱৰেখাৰ ওপৰত হয়। সূৰ্যৰ এই বিশেষ অৱস্থানৰ প্ৰভাৱত পৃথিৱীত সৃষ্টি হোৱা পৰিমিত জলবায়ুৰ বাবে প্ৰকৃতি প্ৰাণচঞ্চলা হৈ উঠে আৰু জীৱজগতৰ প্ৰজনন স্পৃহা বৃদ্ধি পায়। প্ৰাচীন অসমৰ কৃষকে এই বৈজ্ঞানিক সত্যৰ কথা বুজিব পাৰিছিল বসন্ত ঋতুত হোৱা প্ৰকৃতিৰ ৰং-ৰূপ আৰু জীৱ-জন্তুৰ আচৰণৰপৰা। এনে অভিজ্ঞতাৰ অনুগত হৈ জীৱন নিৰ্বাহৰ বাবে পৰ্যাপ্ত কৃষিৰ ফচল পাবলৈ বসন্ত ঋতুত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ড সম্পাদন কৰিছিল। ব'হাগৰ আকাশ যেন ধনুৰ্ধাৰী অৰ্জুন। পিঠিত মেঘ আৰু বৰুণ বাণৰ টোণ। জীৱন নাৱত ধুমুহাৰ আখৰাৰে জগায়হি হিয়াত সাহসী তৰুণ-তৰুণী। সাহস অবিহনে জাতিৰ অস্তিত্বও বৃথা।

জীৱনবোধৰ জাগৰণত সৃষ্টিৰ বীজ নিহিত হৈ আছে। এই সৃষ্টিৰ বীজমন্ত্ৰত ধ্বনিত হৈ থাকে কৰ্মময় সগৰ্ভা জগত আৰু মানৱসত্তাৰ চিৰন্তন অনুসন্ধিৎসা। কৰ্মময় জীৱনৰ সৃজন উন্মাদনাই কৃষ্টি আৰু ইয়াৰ সৌন্দৰ্যময় প্ৰকাশেই সংস্কৃতি। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ ভাষাৰেই— "...জনতাক সুন্দৰ **ৰূপ দিয়াই সংস্কৃতি। সংস্কৃতি মাথোন কবিৰ কবিতা, সাহিত্যিকৰ কাব্য সাহিত্য, শিল্পীৰ মনোমোহা আলেখ্য, কালবিজয়ী স্থাপত্য-ভাস্কৰ্য, সংগীতজ্ঞৰ সুৰ-তাল-মান, নৃত্যকুশলীৰ অভিনৱ অংগি-ভংগি, গানৰ মন ভুলোৱা জোনাকী মেলাই নিশ্চয় নহয়; ই সংস্কৃতিৰ সুকুমাৰৰ এটা প্ৰকাশহে। মানৱ জীৱনৰ ঘোৰ বাস্তৱৰ মাজতেইহে সংস্কৃতিৰ পূৰ্ণৰূপ বিকশিত হয়।"** সেইদৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ভাষাৰে— "কৃষ ধাতু ক্তি প্ৰত্যয়ৰ সংযোগত কৃষ্টি। কৃষি বিষয়ক মাত্ৰেই কৃষ্টি, ভূমি কৰ্ষণেই কৃষ্টি নহয়। অন্তৰত আলোড়ন তুলিব পৰা বা মনত আনন্দ দিব পৰা মনৰ কৰ্ষণো কৃষ্টি। সেই কৃষ্টিক যেতিয়া সংস্কাৰ কৰা হয়, তেতিয়া ই হয় সংস্কৃতি।" ইংৰাজী *Culture* শব্দৰ সমাৰ্থকৰূপে ব্যৱহৃত এই 'সংস্কৃতি' অভিধাটোৰ গুৰুত্ব। যাৰ অৰ্থ মাটি চহোৱা, কৃষি কৰা। উল্লেখযোগ্য যে, বিহু সংস্কৃতিৰ মূল বুনিয়াদ হৈছে কৃষি। এই কৃষ্টিৰ ওপৰত ভিত্তি কৰিয়েই মানৱ জাতিৰ জীৱনধাৰণৰ আচল বুনিয়াদ গঢ়ি উঠিছে। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে— *'Folk Cul-*

*ture of Assam'* নামৰ গ্ৰন্থখনত এনেদৰে ব্যক্ত কৰিছে— "*Some or all of the features of the Bihu Festival are found among most of the people of Assam, whether plains or Tribals. Tribals have even observed sites meant for cattle welfare. Among all these people the festival is primarily agricultural coinciding with the seedtime.*" গতিকে সংস্কৃতি পদটো সংস্কাৰৰ লগত জড়িত। এইক্ষেত্ৰত ক'ব পাৰি যে, সংস্কৃতিৰ মানুহৰ জীৱনযাত্ৰাৰ বাহ্যিক আৰু আভ্যন্তৰীণ সকলো দিশৰ সংস্কাৰ সাধন বা উত্তৰণৰ ধাৰণাটো জড়িত হৈ আছে। অৰ্থাৎ যাৰ সংস্কাৰ হৈছে, সিয়েই সংস্কৃতি। অসমীয়াৰ মনৰ কৰ্ষণত কৰ্ষিত হৈ অহা বিহু উৎসৱো এটা সংস্কৃতি। আৰু বিহু সন্মিলন বা মঞ্চমুখী বিহুতলী হ'ল যুগসাপেক্ষ সংস্কৃতি।

১:২ ড° লীলা গগৈৰ 'অসমৰ সংস্কৃতি' গ্ৰন্থত তেওঁ লিখিছে— "অসমীয়া সংস্কৃতিত অষ্ট্ৰিক আৰু মংগোলীয় সংস্কৃতিয়ে পলস পেলাই, সাৰুৱা কৰি থৈ যোৱা বহল পথাৰতহে আল্‌পাইন আৰু আৰ্য সংস্কৃতিয়ে গা কৰি উঠিছিল।" (সাংস্কৃতিক অধ্যয়ন, অসমৰ সংস্কৃতি খণ্ড, পৃঃ ৯)। অসম আৰু উত্তৰ-পূবৰ কৃষ্টি-সংস্কৃতিৰ মূল ভেটি যে অনাৰ্যসকল, সেই কথা বৈজ্ঞানিকভাৱে সত্য আৰু ইয়াক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। 'বিহু' শব্দটো 'বিষুৱ', 'বিষু' বা 'বিষুৱণ' শব্দৰপৰা নহয়, ই যে টাই ভাষাৰপৰাহে আহিছে, সেই কথা ড° নগেন শইকীয়াই তেখেতৰ **'অসমীয়া মানুহৰ ইতিহাস'**ত যুক্তি সহকাৰে ডাঙি ধৰিছে। প্ৰত্নতাত্ত্বিক ৰাজমোহন নাথে বিহু কৃষিজীৱী অষ্ট্ৰিক আৰু মংগোলীয়সকলৰ কৃষিৰ লগত জড়িত উৎসৱ বুলি উল্লেখ কৰি কৈছে— "....টাই ভাষাত 'বৈ' মানে পূজা বা উপাসনা আৰু 'হু' মানে গৰু। 'বৈহু' কালক্ৰমত 'বিহু'লৈ ৰূপান্তৰিত হ'ল।" ড° নগেন শইকীয়াই লিখিছে— "...ব'হাগ বিহুক বড়োসকলে 'বৈছাগু' আৰু দেউৰীসকলে 'বিছু', ৰাভাসকলে 'বৈখু' বুলি কয়। ডিমাচাসকলে 'বুচু' আৰু টাইসকলে 'বায়হু', 'বৈহু', 'বয়হু' আৰু 'বিহু' বুলি কয়।....বৈছাগু, বিছু বা বুচুৰপৰা বিহু হোৱাতকৈ বায়হুৰপৰা বিহু হোৱাটো বেছি সম্ভৱ। আনহাতে লোক-সংস্কৃতিৰ গৱেষক শশী শৰ্মাই **'অসমৰ লোক-সাহিত্য'**ত 'বিহু'ৰপৰাহে 'বিষুৱন' শব্দৰ উৎপত্তি বুলি উল্লেখ কৰি লিখিছে— "অনুমান কৰিবলৈ বাধ্য হোৱা যায় যে, অসমৰ বিহু কিৰাত-মংগোলসকলৰে অৱদান।"

১:৩ প্ৰায় এশ বছৰৰ আগেয়ে ঔপন্যাসিক ৰজনীকান্ত বৰদলৈদেৰে

'ৰঙিলী' উপন্যাসৰ প্ৰসংগত লিখিছিল— "বিহু অসমীয়াৰ বাপতি-সাহোন, জাতীয় উৎসৱ, নিজা সম্পত্তি; ই অসমীয়াৰ হাড়ে-হিমজুৰে লগা বস্তু।" 'বাপতি-সাহোন' বা 'বাপতি-সাহন' এই শব্দবোৰৰ অৰ্থ হেমকোষ অভিধানৰ মতে— পৈতৃক সম্পত্তি বা বোপা-ককাৰ দিনৰ সম্পত্তি। অসমীয়া জাতীয় জীৱনৰ স্পন্দনস্বৰূপ ব'হাগ বিহু। চ'তৰ সংক্ৰান্তৰ দিনা গৰুক গা ধুৱাই বিভিন্ন প্ৰকাৰে পূজা-পাতল কৰি গৰুবিলাকৰ স্বাস্থ্য ভালে থাকিবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা হয়। ব'হাগৰ পহিলা তাৰিখৰপৰা নাচ-গান কৰি বসুমতিৰ উৰ্বৰা শক্তি বৃদ্ধি হ'বলৈ আৰু খেতিৰ কাৰণে প্ৰয়োজনীয় বৰষুণ দিবলৈ বৰুণ দেৱতাক স্তুতি-মিনতি কৰা পদ্ধতিৰপৰাই সৃষ্টি হ'ল ব'হাগ বিহুৰ সংস্কৃতি। বিহু সকলো ধৰ্মীয় বান্ধোন বা গোড়ামিৰ ঊৰ্ধ্বত। ইয়াত স্বতঃস্ফূৰ্ত আনন্দ। এই বিহু উৎসৱ চেকুলাৰ। বিভিন্ন জাতি-জনজাতি-সম্প্ৰদায়ৰ মাজত সম্প্ৰীতিৰ বান্ধোন দৃঢ় আৰু প্ৰসাৰ কৰাত বিহুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ ৰঙালী বিহু মঞ্চৰ ৰূপত ১৯১৮ চনত শিৱসাগৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছিল বুলি সেই বিহু সন্মিলনী উপলক্ষে প্ৰকাশ পোৱা গণেশ চন্দ্ৰ হাজৰিকাৰ **'বিহু আৰু তাৰ প্ৰাকৃতিক চিত্ৰ'** শীৰ্ষক গ্ৰন্থৰ পাতত 'সামৰণি শৰাইত বিহু অৰিহণা' সম্পৰ্কে লিখা অধ্যায়ত (পৃষ্ঠা ৩৯) উল্লেখ কৰা হৈছে—

"বিহু উৎসৱটোক অসমীয়াৰ জাতীয় অনুষ্ঠান কৰি তুলিব পাৰিলে আৰু বহুত কাম হয়। বিহু উৎসৱত হিন্দুৰ দৰে মুছলমান ভাইসকলে নিজ নিজ ঘৰত খোৱা-বোৱা কামত ৰাপ দেখি বিহু যে অসমীয়াৰ জাতীয় অনুষ্ঠান হ'ব পাৰে, তাক বিশ্বাস কৰিবৰ নিমিত্তে হৃদয়ে দঢ়াই কয়। অসমীয়া মুছলমান সম্প্ৰদায়ে সেই বিহু উৎসৱত বহুত ৰীতি-নীতি পালন কৰাৰ দৰকাৰ নহ'লেও সমূহ উন্নতিৰ নিমিত্তে যে হিন্দু-মুছলমান দুয়ো দলে ঐক্যবলত যোগ দিব লাগে, তাক বাহুল্যকৈ নক'লেও হয়।" দেখা গৈছে যে, অসমৰ জাতীয় জীৱনৰ সৈতে জড়িত সংস্কৃতিৰ প্ৰথম আৰু প্ৰধান অংগ ব'হাগ বিহুৰ জন্ম আৰু বিকাশত জনজাতি আৰু অজনজাতিৰ বিশেষ অৱদান আছে। মাটিৰ সৈতে সম্পৰ্ক থকা কাৰণে একেখন পৃথিৱীৰ প্ৰকৃতিৰ পটভূমিয়ে অসমৰ পাহাৰ-ভৈয়াম সমন্বিতে সকলো জনগোষ্ঠীকে সমল যোগাইছে। এই উৎসৱত জাতি-ধৰ্ম-বৰ্ণৰ ভেদাভেদ পৰিহাৰ কৰি প্ৰত্যেকেই প্ৰত্যেকৰ অন্তৰত বিলাই দিয়ে চিৰ বিনন্দীয়া প্ৰেম-প্ৰীতি আৰু ভাতৃত্ববোধৰ এনাজৰী।

১:৪ বিহু উৎসৱৰ সৈতে নৃত্য-গীতৰ সম্পৰ্ক এৰাব নোৱাৰা। ই উৎসৱক মধুৰ কৰে। বিহুগীতৰ মূল সুৰ হৈছে প্ৰেম। বিহুগীতসমূহ প্ৰেম বৈচিত্ৰ্যযুক্ত। বিহুগীত এফাকিৰে—

"পিৰীতি প্ৰেমৰ ধন অ' মোৰ মাকন
এৰিলে পাবলৈ টান;
এইনো যৌৱনত পিৰীতি নকৰি
কিয় মাৰি থাকা মন।"

বিহুগীতত প্ৰেমিক-প্ৰেমিকা, প্ৰণয়-প্ৰণয়ীহঁতৰ ভালপোৱা, মিলনৰ প্ৰত্যাশা, পোৱা-নোপোৱাৰ, বিৰহ-বেদনা, হা-হতাশাৰ প্ৰতিচ্ছবি পোৱা যায়।

"পাহাৰ বগাই বগাই কপৌফুল আনিছোঁ
তোমাক পিন্ধামে বুলি।
মাৰক ফাঁকি দি বিহুলৈ আহিবা
চেৰেকী আনোগৈ বুলি।"

বিহুৰ বতৰত চেনেহীয়ে নিজহাতে বোৱা হেঁপাহৰ গামোচাখনি মনৰ মানুহজনক আগবঢ়োৱা আৰু পৰ্বত-পাহাৰ বগাই কপৌফুল বিচাৰি আনি ডেকাই নিজৰ চেনেহীৰ খোপাত পিন্ধাই দিয়াতহে বিহুৰ তাৎপৰ্য নিহিত হৈ আছে। Ursula K Legainৰ ভাষাত ক'বলৈ হ'লে— "*Love does not just sit there, like a stone, it has to be made, like bread; remade all the time, made new.*"

কেতিয়াবা শ্ৰম আৰু প্ৰেম অভিন্ন হৈ পৰে। ডেকা-গাভৰুৱে যুগ্মজীৱনৰ সপোন দেখে। তাতো সমাজৰ বাধা থাকে; কিন্তু বাধা অতিক্ৰমি দুয়ো এক হ'বলৈ আগ্ৰহ প্ৰকাশ কৰে। ৰাভা গীত এটিত তাৰেই সুৰ শুনা যায়—

"হাজাৰ পাৰ্চ্চং ৰিবাদংৱা
চিমে খীমে টঙো
ঈশ্বৰ ৰাখুদংৱে
কামকায় জোৱা চাঙো।"

বিহুগীতবোৰ কেৱল মাথোঁ ডেকা-গাভৰুৰ প্ৰেম-প্ৰণয়ৰ ওপৰত ৰচিত হোৱা নাই; ইয়াৰ মাজতে নিহিত আছে ভৱিষ্যৎ জীৱনৰ প্ৰতি আস্থা, সামাজিক সচেতনতা, জ্যেষ্ঠসকলৰ প্ৰতি নিৰ্মল শ্ৰদ্ধা-ভক্তি, অৰ্থনৈতিক অসমতাৰ মুক্ত প্ৰকাশ।

"হালৰে বেচিমে কজলা দমৰা
গোহালিৰে বেচিমে গাই
তেওঁ যদি ধনেৰে জোৰাব নোৱাৰোঁ
বেচিম সোদৰৰে ভাই।"

এক কথাত ক'ব পাৰি যে, বিহুগীত-বনগীতসমূহ আমাৰ অসমীয়া লোক-সাহিত্যৰ এক আপুৰুগীয়া সম্পদ। *In fact, Bihugeets have immense scope for folkorist study and other spheres for humanities by illustrious scholars and researchers. Furthermore, in these turbulent times of mistrust and diminshing values, Bihugeets have the capacity to convey the message of love, trust and brotherhood among all in this multicoloured Asomiya society of ours.*

২:১ অসমীয়া মানুহে ৰঙালী বিহুৰ প্ৰথম দিনা বা গৰুবিহুৰ দিনা বা চ'তৰ সংক্ৰান্তিৰ দিনা যি নৱবস্ত্ৰ লয়, সেয়ে বিহুৱান। 'হেমকোষ'ত বিহুৱান শব্দৰ অৰ্থ হৈছে— বিহুৰ ভেঁটি, বিহুত দিয়া নতুন কাপোৰ, *cloth presented at a Bihu festival*; সেয়া গামোচাও হ'ব পাৰে, হাঁচতিও হ'ব পাৰে। এই গামোচা বা বিহুৱানখনি ডেকা-গাভৰুৰ প্ৰেমৰো প্ৰতীক—

"মৰমৰ দীঘ দি চেনেহৰ বাণি বৈ
হেঁপাহৰ আঁচুৰে বোৱা,
ৰঙাকৈ আঁচুৰে ফুলাম মোৰ বিহুৱান
মনে দি এবেলি লোৱা।
ৰাতি দুপৰলৈ কাটি সূতলাহী
ধনলৈ বিহুৱান ব'লোঁ,
ৰঙাকৈ আঁচুৰে বাছি পানে কটা
টিপতে লুকুৱাই থ'লোঁ।"

উল্লেখযোগ্য যে, ইষ্ট দেৱতাৰ প্ৰতি প্ৰণিপাত জনাওঁতে ডিঙিত গামোচাখন থাকিবই লাগিব। নামঘৰৰ মণিকূটৰ আসনখন গামোচাৰে সজোৱা হয়। ধৰ্মীয় মাংগলিক কাৰ্যত ডিঙিত গামোচাখন নহ'লেই নহয়। ই শ্ৰদ্ধা আৰু মৰমৰ প্ৰতীক। চেনেহীয়ে চেনাইৰ বাবে বিহুৰ বতৰত দিবলৈ বৈ থোৱা গামোচাখনৰ উপৰি হাঁচতিখনো ডেকা-গাভৰুৰ প্ৰেমৰ প্ৰতীক। তাঁতৰ শালত

সপোনৰ ফুল বছা গাভৰুজনীয়ে তেওঁৰ হৃদয় জুৰি থকা ডেকালৈ হাঁচতি বয়। কেতিয়াবা ব্যৰ্থ প্ৰেমিকে এইবুলি বিননি জোৰে—

"হাতে মেলি হাঁচতি ব'লা ঐ আইদেউ
ভৰি মেলি হাঁচতি ব'লা,
দিবৰ সময়তে এখনি নিদিলা
কালৈ সামৰি থ'লা।"

ব্যৰ্থ প্ৰেমিকাৰ বিননিৰ উত্তৰ তায়ো গীতেৰেই দিয়ে—

"হাঁচতি হাঁচতি কৰ ডেকাটি
হাঁচতি পাবি তই,
মোকেহে নেপাব গামোচা পাবি তই
মনটি নেপাব।"

২:২ জীৱনযাত্ৰাৰ পৰিবৰ্তনৰ লগে লগে সংস্কৃতিৰো পৰিবৰ্ধন, পৰিসংস্কৰণ হ'ল। কোনো কোনো ঠাইৰ কোনো মানুহৰ মাজত হাঁচতিৰে অৰ্থ বিস্তাৰ ঘটি হাঁচতি আৰু ৰুমাল সমাৰ্থক হৈ পৰিছে। আনহাতে যি সময়ত শিপিনীয়ে আঙুলিৰ মূৰত হিচাপ কৰি গামোচা বৈছিল, এতিয়া ব্যৱসায়িক ভিত্তিত গামোচা বোৱাত চৰকাৰী-বেচৰকাৰী অনুষ্ঠানৰপৰা উদগনি পাইছে। *The traditional Bihu has in modern times lost most of its sanctity and austerity owing mainly to the inroads of mass culture into the fabric of Assomiya folk culture.* সংস্কৃতিৰ আদান-প্ৰদানে বিশৃংখলতাৰ সৃষ্টি নকৰে; কিন্তু আদান-প্ৰদানৰ নামত বিকৃতকৰণ সমৰ্থনযোগ্য হ'ব নোৱাৰে। ৰূপান্তৰৰ লগত খাপ খুৱায়েই বিহু উছৱটোক অনাগত সময়ৰ বাবে আমাৰ নব প্ৰজন্মৰ হাতত তুলি দিব লাগিব। এই মুহূৰ্ততো আমাৰ বহু কৃষ্টিপ্ৰেমী শিল্পীয়ে থলুৱা লোক-বাদ্য যেনে— ঢোল, তাল, পেঁপা, গগনা, সুতুলিক জীয়াই ৰাখি তাৰ চৰ্চা কৰি জনপ্ৰিয় কৰাৰ স্বাৰ্থত কৰ্মশালা বা প্ৰশিক্ষণৰ আয়োজন কৰি যি প্ৰচেষ্টা অব্যাহত ৰাখিছে, তেওঁলোকক সঁচাই শলাগ ল'ব লাগিব।

প্ৰসংগক্ৰমে উল্লেখনীয় যে, বিহুনৃত্যৰ মধ্যমণি হ'ল— ঢোল, টকা, পেঁপা, গগনা, তাল আদি কলিজা কঁপোৱা লোক-বাদ্য।

"কঁঠালৰ কাঠেৰে ঢোলটি সাজিলোঁ
চেউৰী গৰুৰ ছালেৰে চালোঁ,

বুঢ়া গৰুৰ ছালেৰে বৰটি টনালোঁ
বাঁহৰ মাৰিৰে বালোঁ।"

অসমীয়া গ্রাম্য কৃষিজীৱীৰ মাংগলিক দেৱবাদ্যসমূহৰ অন্যতম বাদ্য 'ঢোল'। পূর্বকবি অপ্রমাদী মাধৱ কন্দলিৰদ্বাৰা ত্রয়োদশ শতিকাতে ৰচিত 'ৰামায়ণ'ত ঢোলবাদ্যৰ উল্লেখ আছে। সেয়ে ঢোল যে মানৱ সমাজত নিতে নৱৰূপ লৈ ব্যৱহৃত দেৱবাদ্য হিচাপে পৰিগণিত হৈ আহিছে, এই কথা বিহুনামবোৰতে উল্লেখ আছে—

"সত্যত আছিলে ঢোল শুদ্ধ সুৱর্ণৰ
ত্রেতাত আছিলে ঢোল জানিবা ৰূপৰ,
দ্বাপৰত ঢোল আছিল জানিবা তামৰ
কলিত হৈলেক ঢোল কেৱল কাঠৰ।"

ৰঙালী বিহুৰ উপৰি আমাৰ ভালেকেইটা মাংগলিক অনুষ্ঠানত ঢোল অপৰিহার্য। মানুহৰ বিশ্বাস, ঢোলৰ শব্দ-তৰংগই মানুহৰ বুকুৰ গভীৰত এক স্পন্দন তোলে। যি স্পন্দনত স্পন্দিত হৈ মানুহৰ উদ্দীপন ক্ষমতা বৃদ্ধি হয়; মাটিৰ উর্বৰতা শক্তিৰ লগতে মানুহৰ প্রজনন শক্তি বৃদ্ধি হয়।

২:৩ অসমত যুগ যুগ ধৰি চলি অহা বিহু সংস্কৃতিত পৰিৱেশ সংৰক্ষণ বা প্রকৃতি সংৰক্ষণৰ বহু অৱদান নিহিত হৈ আছে। প্রকৃতি চেতনা আৰু প্রকৃতিপ্রেমী বিহুগীত নৃত্যৰ অনুপম উপাদান। ব'হাগ মাহটো মানুহে গছ ৰোপণৰ বাবে উত্তম সময় বুলি বিবেচনা কৰি আহিছে। আজিৰ বিজ্ঞানীসকলেও এপ্রিল-মে' মাহ দুয়োটাকেই বৃক্ষৰোপণৰ উত্তম সময় বুলি বিবেচনা কৰে। ব'হাগ বিহুৰ সময়ত নিম তিতা খোৱাৰ পৰম্পৰাও স্বাস্থ্যবিজ্ঞানসন্মত। নিম তিতা নানাবিধ ৰোগৰ প্রতিৰোধক। তদুপৰি এই সময়ছোৱাত সাতবিধ শাকৰ আঞ্জা খোৱা, তিতা, টেঙা, জ্বলা খোৱা, ঘৰৰ চালত কেতবোৰ বিশেষ প্রজাতিৰ উদ্ভিদৰ ডাল-পাত গুঁজি থোৱা পৰম্পৰাৰ অন্তৰালতো আছে ৰোগ প্রতিৰোধৰ স্বাস্থ্যসন্মত কেতবোৰ বিধি-নিয়ম।

উল্লেখনীয় যে, নতুন বছৰটোত ধুমুহা-বৰষুণ, বিপদ-আপদ আদিৰপৰা ৰক্ষা পাবৰ বাবে মহাদেৱক উদ্দেশ্যি নাহৰ পাতত মন্ত্র এফাকি ঘৰৰ চালত গুঁজি থয়—

"দেৱ দেৱ মহাদেৱ নীলগ্রীৱ জণ্টাধৰ।
বাতং বৃষ্টি হৰংদেৱ ত্রাহিদেৱ নমঃস্তুতে।।"

প্ৰকৃতিপ্ৰেমী মানৱে বিহুগীতত প্ৰকৃতিৰ বিভিন্ন উপাদান ভৰাই ৰাখিছে। অসমৰ নদ-নদী, পৰ্বত-পাহাৰ, ফল-ফুল, চৰাই-চিৰিকটি আদি সকলোৱে বিহুগীতত স্থান পাইছে। বিহুগীতবোৰত অসমীয়া লোকৰ প্ৰিয় খাদ্য মাছেও এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। বিৰহ-যন্ত্ৰণাৰ ভাব প্ৰকাশ কৰিবলৈ গায়—

"ন-পানী আহিলে ধেকনি লাগিলে
বহনাই বৰশী বায়,
মোৰ হাততে শিঙৰাই বিন্ধিলে
ধনে বেজ বিচাৰি যায়।"

বগেজাৰী গীতেৰে পাতিৰাভা ডেকা-গাভৰুৱে মনৰ কথা প্ৰকাশ কৰে। পাতিৰাভা গাভৰুক দেখি ডেকাই মাছ মাৰিবলৈ গীত গাইছে—

"মান চেলেংকা টিউ টিউ
হিন্দাল গছৰ ডালত,
তাকে দেখি মাছ মাৰং
মুকলি পথাৰত।"

উত্তৰত গাভৰুৱে গাইছে—

"চেপা পাৰং ঘুনি পাৰং
মোৰা মাছৰ বাহা,
বন কৰ্‌বা আহা আহা
মোকে চাবা আহা।"

২:৪ ব'হাগ বিহুৰ বৈশিষ্ট্যসমূহৰ এটি হৈছে— শাক খোৱা। জনবিশ্বাস মতে ব'হাগ বিহুত এশ এবিধ শাক খাব লাগে। মনলৈ আহে—

"ঘাই শাক মৰলীয়া
শাকত বন পেলাই বছা
শাকত নাখায় লোণ
পিটিকাত যায় তিনিগুণ
শাকে-শোকোতাই যি কৰে ভক্ষণ
সেই মানুহৰ ভাল লক্ষণ।"

বৰ্তমান গৱেষণাৰদ্বাৰা এইটো প্ৰতিপন্ন হৈছে যে, হৃদৰোগ আৰু কেন্সাৰ ৰোগ প্ৰতিৰোধতো আঁহজাতীয় উপাদানৰ অৱদান অনস্বীকাৰ্য। বিশেষকৈ নিম, বাহক, ভেঁকুৰীতিতা, ভেটাইতিতা, হেলচি, তিতাকেৰেলা, তিতাফুল,

অৰ্থাৎ এই সাতবিধ তিতাৰ কৃমি নাশ কৰা ক্ষমতা থাকে বুলি স্বীকৃত।

২:৫ বিশ্বৰ সৰহভাগ প্ৰাচীন সভ্যতাৰ নিদৰ্শনত জেতুকাৰ উপস্থিতি তাৎপৰ্যপূৰ্ণ। হিন্দু, মুছলমান, খ্ৰীষ্টিয়ানকে আদি কৰি সকলো ধৰ্মৰ মানুহে স্বকীয় উৎসৱ-অনুষ্ঠানত জেতুকা ব্যৱহাৰ কৰে। জেতুকা বিবাহ উৎসৱত সবাতোকৈ অপৰিহাৰ্য দ্ৰব্য। উত্তৰ ভাৰতত 'মেহেন্দি লগন' বিবাহ উৎসৱৰ অংগাংগী সুকীয়া কাৰ্যক্ৰমণিকা। জেতুকাৰ টাটু প্ৰাচ্য-পাশ্চাত্যৰ ডেকা-গাভৰুৰ মাজত জনপ্ৰিয় হৈ পৰিছে।

"হাতৰে জেতুকা ভৰিৰে জেতুকা
কাণেও লওঁ মূৰেও লওঁ কৰে।
নাচনীৰ মুখলৈ চাবকে নোৱাৰি
দেহ মোৰ কেনেবা কৰে।।"

আজিও বিশেষকৈ ৰঙালী বিহুত কোনো নাচনীৰ দেহত জেতুকাৰ অংগৰাগ নহ'লে নাচনী জিলিকি নুঠে। জেতুকাবিহীন বিহু নাচনী যেন তেনেই নিষ্প্ৰভ।

"ৰ'দ পাই জিলিকে মোহিনী জেতুকা
হাঁহিত জিলিকে দাঁত।
এপুৰা সেন্দূৰৰ জোৰ ফোঁট মাৰিলি
ল'লি ৰঙা ৰিহা গাত।।"

অকল বিহু উৎসৱ অথবা বিহুগীততেই নহয়, অসমৰ অন্যান্য লোকগীততো জেতুকাই নিজস্ব আসন লাভ কৰিছে। ব'হাগ বিহুৰ বৈচিত্ৰ্যতা মন কৰিবলগীয়া—

'ব'হাগ আহে
সৃষ্টিৰ নৱ নৱ পাতনি লৈ
নতুনৰ প্ৰতিশ্ৰুতি হৈ
গছে গছে পাতে পাতে নতুনৰ মেলা।"
"বিভেদৰ প্ৰাচীৰ ভাঙি
অন্ধকাৰ নাশিবলে' কৰা
এক দুৰন্ত প্ৰয়াস— ব'হাগ।
ব'হাগ এক নৱ আলোড়ন
মানুহে মানুহৰ বাবে হৃদয় গঢ়াৰ
এক বিশাল পৰিধিৰ মঞ্চ।"

৩:১ সময়ৰ কোবাল সোঁতত বিহুৰ ৰীতি-বৈশিষ্টবো পৰিৱৰ্তন ঘটিল। অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঞে বিহুনাচ প্ৰতিযোগিতাৰ প্ৰসাৰণ ঘটিল। বিভিন্ন জনগোষ্ঠীৰ মাজত নতুন চেতনাৰ উন্মেষ ঘটিল। সেয়ে চহা কবিয়ে লিখিছে— "শইচো টুটিল, মইহো টুটিল টুটিল বিৰিখৰ গুটি, ভাল ভাল মানুহৰ পৰকিতি নবিল, নবিল ধৰমৰ খুঁটি।" সঁচা কথা, মেহনতী মানুহৰ হাড়ক মাটি কৰি, তেজক পানী কৰি অৰ্জা ফচল মহাজনৰ ভঁৰাললৈ গ'ল। তেওঁলোকৰ মাটি-বাৰীবোৰ আদৰত বন্ধকী বা পানীৰ দামত বিক্ৰীৰ ৰূপ বৰ বৰ মানুহৰ হাতলৈ গ'ল। সঁচাকৈ 'ভাল ভাল মানুহ' অৰ্থাৎ বৰ বৰ মানুহবোৰে মানৱীয় প্ৰকৃতি এৰি দানৱীয় প্ৰকৃতি গ্ৰহণ কৰিলে। ফলত প্ৰকৃতিলৈ বসন্ত তথা ব'হাগ আহিলেও দিনতীয়া অভাৱী জীৱনলৈ বিহু নাহিবও পাৰে। সেয়ে হয়তো গীতত কোৱা হৈছে— 'বহুদিন গাঁৱলৈ যোৱাই হোৱা নাই, ... পেহীৰ বন্ধকী মাটি খুলিলে নে নাই' বুলি। মোৰ ব্যক্তিগত অনুভৱ—

*"Shoot for the moon*
*Even if you miss*
*You will land*
*Among the stars."*

মানুহৰ আশা আৰু সপোনৰ পৰিধি বহল হোৱাই উচিত। হেলেন কেলাৰৰ সেই বিখ্যাত উক্তি— 'তোমাৰ দৃষ্টি সূৰ্যমুখী কৰা, তেতিয়া তোমাৰ ছাঁ দৃষ্টিগোচৰ নহয়।' জীৱনৰ খলা-বমাবোৰ অতিক্ৰম কৰিবলৈ মানুহক সাহসৰ প্ৰয়োজন। নিজৰ প্ৰতিভাক বিকশিত কৰিবলৈ ইচ্ছাশক্তি আৰু পৰিশ্ৰম কৰাৰ মানসিকতাৰ প্ৰয়োজন। মানুহে সপোন দেখিব লাগিব আৰু ইচ্ছাশক্তি, অনুশীলন আৰু পৰিশ্ৰমেৰে সেই সপোনক বাস্তৱায়িত কৰাৰ বাবে সংগ্ৰামত অৱতীৰ্ণ হ'ব লাগিব। বিহুৰ বতৰত নিজৰ লক্ষ্য স্থিৰ কৰিবৰ হ'ল।

৩:২ আমাৰ নতুন প্ৰজন্মই কেৱল বিদ্যায়তনিক বিজ্ঞান শিক্ষাৰ পৰিসীমাতে আবদ্ধ নাথাকি সমাজৰ প্ৰতিজন শোষিত-বঞ্চিত ব্যক্তিক বিজ্ঞানৰ আলোকেৰে প্ৰগতিৰ বাট দেখুৱাব লাগিব। তাকে কৰিবলৈ নতুন প্ৰজন্মই নিম্নোক্ত কাৰ্যপন্থা প্ৰাথমিকভাৱে ল'ব পাৰে—

(ক) বিজ্ঞানৰ ধনাত্মক দিশবোৰ সৰ্বসাধাৰণৰ মাজত সজোৰে প্ৰচাৰ চলোৱা আৰু ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰি তেওঁলোকৰ চকু খুলি দিয়া;

(খ) পিচপৰা অঞ্চলসমূহত চলি থকা অন্ধবিশ্বাস আৰু কুসংস্কাৰক বিদায় দিবলৈ গীত, নাটক, গল্পপাঠ আৰু আবৃত্তি আদি বিষয়ৰ যোগেদি অধ্যয়নৰ শ্ৰেণী বহুওৱা;

(গ) অনগ্ৰসৰ অঞ্চলৰ লোক ৰোগাক্ৰান্ত হ'লে তাবিজ, মাদলি আৰু জৰা-ফুকা ইত্যাদিৰ পৰিৱৰ্তে চিকিৎসাৰ ব্যৱস্থা কৰা;

(ঘ) সমাজত থকা অসাধু শ্ৰেণীসমূহৰ চৰিত্ৰ উদ্‌ঘাটন কৰি সহজ ভাষাত শাসক-শোষকৰ লগত শোষিত-বঞ্চিতৰ সংঘাত যে এই সমাজ ব্যৱস্থাৰেই ফল, কোনো ঐশ্বৰিক তথা অলৌকিক কাৰণত নহয়— সেই কথা বুজাই দিয়া;

(ঙ) মনত ৰখা দৰকাৰ যে, জগতত সকলো সত্যই অপ্ৰিয়। সেয়ে অপ্ৰিয় সত্য প্ৰকাশ কৰিবলৈ দুঃসাহসৰ প্ৰয়োজন।

৩:৩ এইখিনিতে জ্ঞাতব্য যে, সস্তীয়া জনপ্ৰিয়তা আৰু ব্যক্তিগত মুনাফা লাভৰ অৰ্থে আজিকালি প্ৰায়বোৰ বিহু সমিতিয়েই মূল উদ্দেশ্যৰপৰা ফালৰি কাটি ব্যৱসায়িক লাভালাভক লৈ অংক কৰাহে দেখা যায়। ডাবি-ধমকিৰে শকত পৰিমাণৰ চান্দা উঠাই এই সমিতিবোৰে বৰ্তমানে ভদ্ৰ ডকাইতৰ ৰূপ লৈছে। কোনে কিমান নামী-দামী তাৰকা শিল্পীক নিমন্ত্ৰণ জনাই নিউজ চেনেলৰ চৰ্চাৰ বিষয় হ'ব পাৰি অথবা 'লাইভ টেলিকাষ্ট' কৰাব পাৰে, তাৰেই যেন অঘোষিত প্ৰতিযোগিতা চলিছে, এনে অনুভৱ হয়। সেইবাবেই আজিকালি বিহু উদ্‌যাপনৰ ক্ষেত্ৰত মুখ্য আকৰ্ষণ বিহু নহয়, হয়গৈ কোনো এজন গায়ক বা গায়িকাহে।

বিহু উদ্‌যাপনৰ নামত যেন ব্যৱসায়িক গোষ্ঠীৰ বিজ্ঞাপনৰহে প্ৰচাৰ চলোৱা হৈছে। আনহাতে লোক-সংস্কৃতিৰ সকলো উপাদান মধ্যবিত্তৰ হাতৰ মুঠিলৈ অহাৰ দৰে বৰ্তমান কৃষ্টিও মধ্যবিত্তৰ হাতৰ মুঠিলৈ আহিছে, অথচ তেওঁলোক ইয়াৰ স্ৰষ্টা নহয়। মধ্যবিত্তই বিহুক নিজৰ হাতৰ মুঠিলৈ আনি নিজৰ খেয়াল-খুচিমতে পৰম্পৰাগত ৰূপটো সলাই পেলাইছে। মাংগলিক অনুষ্ঠান হুঁচৰি আজিকালি গৃহস্থৰ মংগল কামনাৰে গঞাৰ চোতাললৈ নাযায়, আহে বঁটা-বাহন বিচাৰি প্ৰতিযোগিতাৰ থলীলৈ।

যাহওক, অসমীয়া জাতিৰ প্ৰাণস্বৰূপ বিহু পৰম্পৰা, স্বকীয়তা, শুদ্ধভাৱে মানি চলাটো প্ৰতিজন অসমীয়াৰে কৰ্তব্য। ঐতিহ্যমণ্ডিত অসমীয়া জাতিৰ বুকুত আঁচোৰ নপৰাকৈ, সম্পূৰ্ণ ৰীতি-নীতিৰ মাজেৰে, প্ৰাকৃতিকভাৱে বিহু

পালন কৰাটো আমাৰ প্ৰধান দায়িত্ব। এই কথা সোঁৱৰাই দিছে বিহুৰ বতৰতে 'বিশ্বৰত্ন' ড° ভূপেন হাজৰিকাই—

"নতুন পুৰুষে কিছু কাম কৰাৰ
ব'হাগেই বতৰ কিজানি,
বোলো হয় হয় হয়—
এ হয় নে?
বোলো হয় হয় হয় হয়
অসমীয়াই এইবোৰ ভাবি চাবৰ
ব'হাগেই বতৰ কিজানি।"

বিশিষ্ট বিজ্ঞানী তথা প্ৰাধ্যাপক ড° অমৰজ্যোতি চৌধুৰীৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁৰ ভাষাৰে— "বিহুতেই পাওঁ এটা জাতি জগোৱাৰ সম্পূৰ্ণ অ-ফলা, ক-ফলা। এটা জাতিক জীৱনৰ পাঠ দিয়া এই পৰিপূৰ্ণ বিশ্ববিদ্যালয়। যি সময়ত মানুহ মানুহৰ দলংবোৰ ভাগিছে, নৈয়ে জুৰিয়েও মৃতদেহ ভাহিছে সেই সময়ত বিহুৱেই জানো পোহৰাই থোৱা নাই আমাৰ সন্মুখৰ বাট?"

সুধাকণ্ঠৰ গীতৰ ভাষাৰেই ব'হাগৰ নৱ প্ৰভাতত আমি প্ৰাৰ্থনা কৰিছোঁ—

"বিহুটি বছৰি আহিবা
অসমী আইকে জগাবা
বিপদৰ কালতো মাহ-হালধিৰে
জাতিটোৰ দেহ-মন ধুৱাবা।"

আমাৰ অনুৰোধ, অসম আৰু অসমীয়াৰ স্বাৰ্থত সংশ্লিষ্ট সকলোৱে যেন বিহুৰ নামত চলি থকা অপসংস্কৃতি বন্ধ কৰি এজন প্ৰকৃত অসমীয়া হিচাপে নিজকে চিনাকি দিয়ক আৰু আৰ্থ-সামাজিক, ৰাজনৈতিক নানা সমস্যাৰে জৰ্জৰ এই সংকটৰ মুহূৰ্তত বিহুৰ জৰিয়তেই সমাজত শান্তি-সম্প্ৰীতি-একতা স্থাপন কৰি এক বৃহত্তৰ সু-ৰুচিসম্পন্ন সংস্কৃতিৱান জাতি গঠন প্ৰক্ৰিয়াত প্ৰত্যেকেই অৰিহণা যোগাওক।

*"...Spring is the season made for joy and love."*

*–A Happy Bihu to all of you...*

শেষত, অঞ্চলবাসী ৰাইজলৈ বিহুৰ শুভ-কামনাৰে...। ■

*('স্মৃতিগ্ৰন্থ', সোণালী জয়ন্তী বৰ্ষ, বৰটাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলনী, ২০১৫)*

# 'নাথ' শব্দৰ ব্যুৎপত্তি

নাথ শব্দৰ ব্যুৎপত্তি 'নাথৃ' ধাতুৰপৰা হৈছে; যাৰ অৰ্থ উপ তাপক (সংসাৰৰ সমূহ দুঃখ) যোগ-ধ্যানৰদ্বাৰা নষ্ট কৰা। অথৰ্ববেদত এই 'নাথিত' তথা নাথ শব্দৰ প্ৰয়োগ হৈছে। এই 'নাথ' সংজ্ঞাটি বৈদিক যুগৰ। ঋকবেদৰ দশম মণ্ডলৰ ১৩০ নম্বৰ সূক্তত 'নাথ' শব্দ সৃষ্টিকৰ্তা, জ্ঞাতা আৰু সৃষ্টিকাৰক ৰূপত প্ৰযুক্ত হৈছে। তদুপৰি ঋকবেদৰ ২/১২/৬, ৭/৩৩/৫ সূক্তত, অথৰ্ববেদৰ ৪/১২/৯, ৯/২/৭, ১২/৩/২৩ সূক্তত এই 'নাথ' সংজ্ঞাটিৰ উল্লেখ ঘটিছে। বায়ু পুৰাণতো (৬৪/১৯, ২০) সূক্তত এই 'নাথ' সংজ্ঞাটিৰ উল্লেখ কৰা হৈছে। প্ৰায় সকলো পুৰাণত, মহাভাৰত, ৰামায়ণ আদিত 'নাথ' শব্দৰ বহুল ব্যৱহাৰ আছে।

'অথৰ্ববেদ' আৰু 'তৈত্তিৰীয় ব্ৰাহ্মণ'ত নাথ শব্দৰ প্ৰয়োগ 'ৰক্ষক' অথবা 'শৰণ দাতা' অৰ্থত পোৱা যায়।

"নাকাৰোনাদ ৰূপুং চ থকাৰঃ স্বাপ্যতে সদা।
ভূৱনত্ৰয়মেৰৈকঃ শ্ৰীগোৰক্ষ নমোহস্তুতে।।"

'ৰাজগুহ্য' আৰু 'গোৰক্ষ সিদ্ধান্ত সংগ্ৰহ' এই দুয়োখন গ্ৰন্থত 'নাথ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ— 'না'ৰ অৰ্থ পৰম তত্ত্বৰ 'অনাদিৰূপ' আৰু 'থ'ৰ অৰ্থ 'স্থাপি হোৱা' বুলি দেখুওৱা হৈছে।

'না'— নাদৰূপ, নাদি (অনাদি)
'থ'— থৰপৰা (স্থাপনা), ত্ৰিভূৱনৰ অস্তিত্ব।

এতেকে 'নাথ' শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে— 'অনাদি ধৰ্ম যি ত্ৰিভূৱনৰ স্থিতিৰ কাৰণ।'

"ন অথ বিদ্যাতে যস্য সঃ নাথঃ।"

—অৰ্থাৎ যাৰ পাচত আৰু একো নাই, সেয়ে নাথ। এতেকে নাথ শব্দ ন+অথ এই দুই শব্দৰ সন্ধিত উৎপন্ন হৈছে; যাৰ কোনো জিজ্ঞাসা নাই, যি যোগ অভ্যাস কৰি প্ৰত্যক্ষ সত্যক উপলব্ধি কৰিছে, তেৱেঁই নাথ বা সৰ্বজ্ঞ যোগীৰাজ।

"তে নিশ্চল সদা নাথ কে সংগ।" (গোৰক্ষনাথ) ■

# যোগী জাতিৰ ঐতিহ্য

সিন্ধু সভ্যতা প্ৰাগ্ আৰ্য যুগৰ এক উচ্চস্তৰীয় নগৰ সভ্যতা আছিল। এই সুপ্ৰাচীন নগৰ সভ্যতা বিধ্বস্ত হৈ গৈছিল যদিও ভাৰতীয় লোকৰ ধৰ্মবিশ্বাস আৰু ধ্যান-ধাৰণাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ আছিল সুদূৰ প্ৰসাৰী। হিন্দু ধৰ্মত শৈৱ, শক্তি আৰু যোগ সাধনৰ উত্তৱণ সিন্ধু সভ্যতাৰ ফলশ্ৰুতিতে সম্ভৱ হৈছিল। সিন্ধু সভ্যতাৰ ধ্বংসাৱশেষৰ মাজত লিংগ ৰূপত শিৱৰ উপাসনা, শক্তিৰ সাধনা আৰু যোগ সাধনাৰ সুস্পষ্ট প্ৰতিফলন দেখা যায়।

প্ৰাগ আৰ্য যুগৰ সিন্ধু সভ্যতাত উৎকীৰ্ণ যোগপন্থাৰ ধ্বজাবাহী নাথ সম্প্ৰদায় সনাতন হিন্দু ধৰ্মৰ অন্তৰ্গত এটি বিশিষ্ট ধৰ্মীয় সম্প্ৰদায়। হিন্দু ধৰ্ম আধ্যাত্ম আৰু সাধনাৰ অন্যতম যোগ সাধনাবিশিষ্ট প্ৰাচীন ধৰ্মপন্থা হৈছে— 'নাথ ধৰ্ম'। নাথ ধৰ্মক 'নাথ পন্থ' বা '**যোগধৰ্ম**' নামেৰেও জনা যায়।

উত্তৰ ভাৰতত বৈদিক আৰ্য ধৰ্মই বিস্তাৰ লাভ কৰাৰ বহু পূৰ্বৰপৰা এই দেশত যিসমূহ ধৰ্মমত প্ৰচলিত আছিল, যোগধৰ্ম তাৰ ভিতৰত অন্যতম প্ৰাগ্ আৰ্য যুগত ই সমাজৰ সাধাৰণ বা নিম্নস্তৰতে সীমাবদ্ধ নাছিল; ব অভিজাত সমাজতো প্ৰচলিত আছিল বুলি বুজিব পৰা যায়। মহেঞ্জোদা আৱিষ্কাৰৰ মধ্যে যিসমূহ প্ৰাচীন চীল-মোহৰৰ সন্ধান পোৱা গৈছে, ত ভিতৰত উৎকীৰ্ণ এটি যোগীৰ মূৰ্তিৰ পৰিচয় আছে। জাতিৰ চীল-মোহৰ এই মূৰ্তি উৎকীৰ্ণ হোৱাৰ কথাই সহজে মনলৈ ধাৰণা হ'ব পাৰে যে, ইয় সৈতে সংশ্লিষ্ট ধৰ্মমত উচ্চতৰ সমাজৰ মাজতো প্ৰচলিত আছিল। সুপ্ৰাচী সিন্ধু সভ্যতাৰ যুগতে যোগ সাধনাৰ অৱধাৰিত নাথ সংস্কৃতিৰ প্ৰাচীন প্ৰত্নতাত্ত্বিক নিদৰ্শন পৰিলক্ষিত হোৱাটোৱে যেগধৰ্ম বা নাথ ধৰ্মৰ মূল অতি সুপ্ৰাচীন বুলি প্ৰতিপন্ন কৰে।

ঋকবেদৰ নাসদীয় সূক্ত আৰু অথৰ্ববেদৰ ব্ৰাত্য সূক্তৰপৰাই ধৰ্মৰ উ হৈছিল। 'ময়নামতী গান'ৰ ভূমিকাত ড° নলিনীকান্ত ভট্টশালীয়ে নাথ ধ

উদ্ভৱ অথৰ্ববেদৰপৰাই হোৱা বুলি মন্তব্য কৰিছে। 'উত্তৰ ভাৰত কী সন্ত পৰম্পৰা' নামৰ হিন্দী গ্ৰন্থৰ লেখক পৰশুৰাম চতুৰ্বেদীয়ে নাথ-যোগ সাধনা পদ্ধতিৰ মূল উৎস বেদ-উপনিষদৰপৰা অহা বুলি এনেদৰে লিখিছে—

"বেদ আৰু উপনিষদত নাথ-যোগ সাধনা পদ্ধতিৰ মূল উৎস নিহিত হৈ আছে। ঋকবেদত ৰুদ্ৰ উপাসক ব্ৰাত্য যোগীসকলৰ কথা উল্লেখ আছে। যিসকলে প্ৰাণায়াম আদি যৌগিক ক্ৰিয়াৰ মহত্ত্ব দিছিল, লগতে তেওঁলোকে নিৰন্তৰ সমূৰ্ত চিন্তনত (যোগ ধ্যানত) ৰত আছিল। তেওঁলোকে নিজ সাধনাৰদ্বাৰা মৃত্যুৰ ওপৰতো বিজয়প্ৰাপ্ত কৰিছিল।"

"শৈৱ তত্ত্বৰ ইতিহাস অনুধাৱন কৰিলে দেখা যায় যে, অথৰ্ববেদত বহুদেৱতাবাদৰ বিৰোধী প্ৰবল কৃষ্টিসম্পন্ন শিৱ (ৰুদ্ৰ) উপাসক ব্ৰাত্য জাতিৰ উল্লেখ আছে।"

নাথসকলক প্ৰাচীন বেদোক্ত এই ব্ৰাত্য সভ্যতাৰ উত্তৰসুৰী বুলি অনুধাৱন কৰা হয়। ব্ৰাত্য শব্দৰ অৰ্থ যোগ ব্ৰতাচাৰণকাৰী। অথৰ্ববেদৰ ১৫শ কাণ্ডত ব্ৰাত্যসকলৰ দৰ্শন, সাধন আৰু আচাৰ-বিচাৰ সম্পৰ্কে বিস্তৃত আলোচনাৰ উল্লেখ পোৱা যায়। ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে **'শিৱ'** গ্ৰন্থত নাথ সম্প্ৰদায়ৰ সৃষ্টি মুনিপন্থী ব্ৰাত্যসকলৰপৰা হোৱা বুলি লিখিছে—

"ব্ৰাত্যসকল জ্ঞানবাদী আৰু সাংখ্য ধাৰাৰ বাহক। 'প্ৰাচীন যুগৰ তীৰ্থংকৰ আৰু বৌদ্ধৰপৰা আৰম্ভ কৰি মধ্যযুগৰ নাথ আৰু আধুনিক যুগৰ আউল-বাউল পৰ্যন্ত সকলোবোৰেই প্ৰাচীন ব্ৰাত্যৰ দলত পৰে।' (বেদমীমাংসা, পৃষ্ঠা ৭৮) শুক্ল যজুৰ্বেদীয় বাজসনেয় সংহিতাত ব্ৰাত্যসকলক দুটা ভাগত বিভক্ত কৰা হৈছে— পুংশ্চলী আৰু কীতৱক্লীৱ। এওঁলোক ব্ৰত আৰু যোগ আচৰণকাৰী ব্ৰতীয়া বা ব্ৰাত্য। পুংশ্চলীসকল নৃত্য আৰু গন্ধৰ্ব বিদ্যাত পাৰদৰ্শী। কীতৱক্লীৱসকলে স্ত্ৰী-সংগ নকৰে আৰু অলৌকিক যোগশক্তিৰ সহায়েৰে উদাসীন জীৱন যাপন কৰে। এওঁলোক মুনিপন্থী, আজন্ম ব্ৰহ্মচাৰী আৰু ব্ৰহ্মজ্ঞ আছিল। এওঁলোকৰপৰাই নাথ-যোগী সম্প্ৰদায়ৰ সৃষ্টি হোৱা বুলি পণ্ডিতসকলে অনুমান কৰে।"

**"যোগী তপস্বীতকৈও শ্ৰেষ্ঠ, জ্ঞানীতকৈও শ্ৰেষ্ঠ,**
**কৰ্মীতকৈও শ্ৰেষ্ঠ, এতেকে 'যোগী' পৰমেশ্বৰ তুল্য।"**

* * * * *

যি কেৱল মাত্ৰ নামত 'যোগী' অৰ্থাৎ জন্মগতভাৱে যোগীকুলত জন্মগ্ৰহণ

কৰিছে, কিন্তু যোগীকুলৰ কোনো কাম-কাজ কৰা নাই, তেওঁ পাঁচজন বিপ্ৰৰ সমান; আৰু যি যোগাসন কৰিছে, সেইজন যোগযুক্ত যোগী সহস্ৰ বিপ্ৰৰ সমান। বিন্দুনাথ আমাৰ কায়তুল্য; এতেকে তেনে যোগী নিৰঞ্জন তুল্য।

* * * * *

প্ৰাণী (জন্তু)বিলাকৰ ভিতৰত মানৱ শ্ৰেষ্ঠ। মানৱৰ ভিতৰত দ্বিজগণ শ্ৰেষ্ঠ; দ্বিজগণতকৈও ব্ৰহ্মচাৰী শ্ৰেষ্ঠ, ব্ৰহ্মচাৰীতকৈও দণ্ডী, দণ্ডীতকৈও পৰমহংস, পৰমহংসতকৈও সন্ন্যাসী আৰু সন্ন্যাসীতকৈও যোগপৰায়ণ যোগী শ্ৰেষ্ঠ— এই তত্ত্ব আমি ক'লোঁ। যোগীয়ে যোগ সাধনা কৰে, সন্ন্যাসীয়ে তপস্যা কৰে। অষ্টপ্ৰকাৰ যোগ সংসাৰত সাধনাৰ উত্তম পথ।

* * * * *

"যোগীৰ মৃতদেহ ভস্ম কৰিলে নৰকগামী হয়।"

**উপসংহাৰ ঃ**

ইতিহাসে ঢুকি পোৱা কালৰপৰা সত্য-শিৱ-সুন্দৰৰ পূজাৰী যোগী জাতিয়ে যোগ সাধনাৰদ্বাৰা জীৱন মুকুতিৰ পথ প্ৰদৰ্শক হিচাপে মানৱ সমাজলৈ অৱিহণা যোগোৱাৰ কথা সৰ্বজনস্বীকৃত। এই জাতিৰ ঐতিহ্যক আলোকপাত কৰা ঐতিহাসিক লোক-কাহিনীসমূহে যুগে যুগে নাথ সিদ্ধসকলে আগবঢ়াই অহা বৰঙণিৰ কথা প্ৰতিফলন ঘটায়। লোক-গাঁথা, যোগী-গাঁথাসমূহে ইবিলাকক প্ৰবহমান কৰি আহিছে। সিদ্ধা ৰাণী ময়নামতীৰ কথা আৰু গোপীচাঁদৰ সন্ন্যাস গ্ৰহণ, উজ্জয়িনীৰ ৰজা ভৰ্তৃহৰিৰ সন্ন্যাস গ্ৰহণৰ বিৱৰণ, মীন চেতন বা গোৰক্ষ বিজয়ৰ উপজীব্য কাহিনী, গোৰক্ষনাথৰদ্বাৰা গুৰু মৎস্যেন্দ্ৰনাথৰ উদ্ধাৰৰ কাহিনী, শালীবাহন ৰজাৰ পুত্ৰ পুৰাণ ভগতৰ কাহিনী, নেপালৰ ৰজাৰ নামধৰ্ম গ্ৰহণ আৰু মৎস্যেন্দ্ৰনাথৰ ৰথযাত্ৰা, মোগল বাদছাহসকলে নাথ সিদ্ধসকলক নাথ ধৰ্ম প্ৰচাৰৰ বাবে জায়গীৰ দান, দেশ-বিদেশৰ গৱেষক-পণ্ডিত, ইতিহাসবিদ-সাহিত্যিকসকলে নাথ-যোগীসকলৰ ওপৰত দিয়া বিৱৰণ আদি অনেক ঐতিহাসিক কাহিনী সত্যৰ ওপৰত প্ৰতিষ্ঠিত। যিসমূহৰ বিৱৰণৰপৰা নাথ ধৰ্ম আৰু এই জাতিৰ গৌৰৱোজ্জ্বল ইতিবৃত্তৰ সম্বন্ধে জানিব পৰা গৈছে।

পুৰাণ, তন্ত্ৰ, সংহিতা, আগম, যোগশাস্ত্ৰ আৰু অন্যান্য প্ৰাচীন গ্ৰন্থত বৰ্ণিত যোগী জাতিৰ উৎপত্তিৰ কাহিনীৰপৰা (ইবিলাকৰ কিছুমান যদিওবা ৰূপক কাহিনী) আমি এইকেইটা সিদ্ধান্তত উপনীত হ'ব পাৰোঁ যে—

(ক) যোগী জাতিৰ উদ্ভৱ শিৱৰপৰা হৈছিল।
(খ) শিৱোদ্ভৱ হোৱা বাবে যোগী জাতিৰ লোকৰ গোত্ৰ সেয়ে 'শিৱ গোত্ৰ'।
(গ) নাথ ধৰ্মীয় পৰম্পৰাৰ আলোকত যোগী জাতিৰ বিস্তাৰ ঘটিছে। এওঁলোক এটি ধৰ্মীয় সম্প্ৰদায়।
(ঘ) নাথ-যোগীসকলৰ বংশ পৰম্পৰা দুই ধৰণে বিস্তাৰ হয়—(১) নাদজ আৰু (২) বিন্দুজ পৰম্পৰা অনুক্ৰমে। নাদজাত গুৰু-শিষ্য ক্ৰমত আৰু বিন্দুজত পিতা-পুত্ৰ ক্ৰমত এওঁলোকৰ বংশ পৰম্পৰা পূৰ্বাপৰ কালৰপৰা অদ্যৱধি বৰ্তি আহিছে।
(ঙ) নাথ-যোগীসকল যোগৰ প্ৰৱৰ্তক আৰু যোগ সাধক সম্প্ৰদায় বাবেই এই জাতিটো যোগী জাতি নামে পৰিচিত হৈছে। ●●

*('নাথ-যোগী জাতিৰ অনুকূলে-প্ৰতিকূলে', ২০১০)*

# ৰাভাসকলৰ সমস্যা, সংগ্ৰাম আৰু সমাধান

১:১ ইংৰাজী **'Tribe'** শব্দটো লেটিন **'Tribus'** শব্দৰপৰা আহিছে। **'Tribus'** আছিল প্ৰাচীন ৰোমানসকলৰ তিনিটা শ্ৰেণীৰ ভিতৰত এটা। পৰৱৰ্তীকালত এই শব্দটোৱে এছিয়া, আফ্ৰিকা আৰু ওচেনিয়াৰ পিচপৰা সম্প্ৰদায়সমূহক সূচাবলৈ ধৰে। বৰ্তমান সময়ত বহুলভাৱে প্ৰচলিত এটা শব্দ হ'ল 'জনজাতি'। ইংৰাজী **'Tribe'** শব্দৰ সমাৰ্থক হিচাপে অসমীয়াত 'জনজাতি' শব্দটো ব্যৱহাৰ কৰা হয়।

১:২ নৃতত্ত্ববিদ মাধব চন্দ্ৰ গোস্বামীয়ে জনজাতি সম্পৰ্কে আগবঢ়োৱা মন্তব্য এনেধৰণৰ— *"I define tribe as a well defined social and cultural entity which differentiates itself from other similarly composed units. The common bon generated through the use of a common tongue or because of occupying the same territory does no longer operate among many tribal groups."* মংগোলীয় প্ৰজাতিৰ (অসমৰ ক্ষেত্ৰত) বড়ো, ৰাভা, গাৰো, ডিমাচা আদি সংবিধান স্বীকৃত জনজাতি। বাসস্থানৰ ফালৰপৰা অসমৰ জনজাতিসকলক দুটা ভাগত ভাগ কৰিব পাৰি— পাহাৰীয়া জনজাতি আৰু ভৈয়ামৰ জনজাতি। অসমৰ মুঠ তেইশটা জনজাতিৰ ভিতৰত নটা ভৈয়ামৰ জনজাতি আৰু বাকী চৈধ্যটা পাহাৰীয়া জনজাতি। ৰাভাসকল হ'ল ভৈয়ামৰ জনজাতিৰ ভিতৰত অন্যতম। তেওঁলোক চীন-তিব্বতীয় ভাষা-গোষ্ঠীৰ অন্তৰ্গত বৃহৎ মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত এক উল্লেখযোগ্য জনগোষ্ঠী। ৰাভাসকল প্ৰধানকৈ অসম, মেঘালয়, মণিপুৰ, অৰুণাচল, পশ্চিমবংগ, নাগালেণ্ড, ত্ৰিপুৰা আৰু বিদেশী ৰাষ্ট্ৰৰ ভিতৰত ঘাইকৈ বাংলাদেশ, নেপাল আৰু ভূটানত বসবাস কৰি আছে।

১:৩ ২০০১ চনৰ লোকপিয়লমতে অসমৰ মুঠ জনসংখ্যা ২,৬৬,৫৫,৫২৮ জন। এই জনসংখ্যাৰ ভিতৰত জনজাতীয় লোকৰ সংখ্যা ৩৩,০৮,৫৭০ জন।

উল্লেখনীয় যে, জনজাতীয় লোকৰ মুঠ জনসংখ্যাৰ ভিত্তিত ৰাভা জনজাতিৰ লোক চতুৰ্থ স্থানত আছে (২,৭৭,৫৭১ জন)।

১:৪ ৰাভাসকলৰ প্ৰধান সমস্যা হ'ল— নিৰক্ষৰতা, অৰ্থনৈতিক অনগ্ৰসৰতা, ৰাজনৈতিক সমস্যা আৰু সামাজিক কুসংস্কাৰৰ দৰে ব্যাধি; যিবোৰ নিৰ্মূল কৰিবৰ বাবে পূৰ্বপুৰুষসকলে অহৰহ প্ৰচেষ্টা চলাইছিল। স্বাধীনোত্তৰ কালৰপৰাই বহু পৰিকল্পনা আৰু চৰকাৰী আঁচনিৰপৰা বঞ্চিত আৰু শোষিত হৈ অহা ৰাভা জনগোষ্ঠীৰ পুঞ্জীভূত সমস্যা এইবোৰ। স্বকীয় অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাৰ বিকাশ আৰু উৎকৰ্ষ সাধনৰ প্ৰচেষ্টাত ৰাষ্ট্ৰৰ উদাসীনতাই সকলো সময়তে গণতান্ত্ৰিক সমৰ্তনৰ অধিকাৰৰপৰা ৰাভাসকলক বঞ্চিত আৰু শোষিত কৰাৰ ফলত আজি ক্ষুব্ধ হৈ চিৰ নিষ্পেষিত স্তূপীকৃত সমস্যাবোৰৰ বিস্ফোৰণ ঘটিবলৈ ধৰিছে।

১:৫ স্বাধীনতাৰ যাঠি বছৰৰ পাচতো আৰ্থ-সামাজিক, শৈক্ষিক, ৰাজনৈতিক ইত্যাদি দিশত অইন সমগোত্ৰীয় জনগোষ্ঠীতকৈ তুলনামূলকভাৱে পিচপৰি থকা ৰাভাসকলে সম্প্ৰতি জাতিটোৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ বাবে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদখনক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিকৰণৰ বাবে নিখিল ৰাভা ছাত্ৰ সন্থা, সহযোগী সংগঠন নিখিল ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ যৌথ উদ্যোগত ন্যায়সংগত দাবী কেতবোৰ আগত লৈ আন্দোলনৰ পথলৈ ওলাই আহিছে। উল্লেখযোগ্য যে, ১৯৯৫ চনৰ ১০ মাৰ্চত তদানীন্তন হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে বিধানসভাত আইন প্ৰণয়ন কৰি ৰাভাৰ লগতে মিচিং আৰু তিৱা জনজাতিকো সীমিত স্বায়ত্ত শাসন প্ৰদান কৰে। এই বিধেয়ক অনুসৰি দক্ষিণ কামৰূপৰ ৰাণীৰপৰা গোৱালপাৰা জিলাৰ জয়ৰামকুছিলৈ সাঙুৰি **'ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ' (Rabha Hasong Autonomous Council)** গঠন হয়। ৰাভা জাতিৰ সংগ্ৰামী ইতিহাসত ই এক উল্লেখযোগ্য ঘটনাৰূপে চিহ্নিত হৈ থাকিব।

২:১ জনজাতিসকলৰ মাজত আত্মপ্ৰকাশ কৰা আন্দোলনৰ প্ৰৱণতাক দমাই ৰখাৰ উদ্দেশ্যেৰে অতি চতুৰালিৰে চৰকাৰে পৰিষদসমূহ গঠনহে কৰিলে; কিন্তু স্বায়ত্ত শাসনৰ বাবে প্ৰয়োজনীয় ক্ষমতা আৰু অধিকাৰ পৰিষদলৈ হস্তান্তৰ নকৰিলে। পৰিষদলৈ ক্ষমতাসমূহ বিকেন্দ্ৰীকৰণ নকৰাৰ ফলত প্ৰতিটো সৰু-বৰ কথাৰ বাবে দিছপুৰৰ ওপৰত নিৰ্ভৰশীল হ'বলগা হোৱাত প্ৰকৃত স্বায়ত্ত শাসনৰপৰা ৰাভা ৰাইজ বঞ্চিত হৈ ৰ'ল। চৰকাৰ যে জনগোষ্ঠীয় সমস্যাসমূহ

সমাধানৰ বাবে সঠিক নীতি অনুসৰণ কৰাত বিফল হৈছে, এই পৰিষদসমূহত সৃষ্টি হোৱা বিৰূপ প্ৰতিক্ৰিয়াসমূহেই প্ৰমাণ।

২:২ কৃষ্টিয়েই হৈছে এখন সমাজৰ বৈশিষ্ট্যতা। ক্ৰমাগত পৰিৱৰ্তনে কঢ়িয়াই অনা পশ্চিমীয়া ঢৌৰ ধামখুমীয়াত বিলীন নহৈ গতিশীল সময়ৰ লগত আগবাঢ়ি যাব পৰাটো সংস্কৃতিৱান লোকৰ পৰিচায়ক। এই সন্ধিক্ষণত ৰাভা সমাজে নিজৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি অটুট ৰাখিব লাগিব। গৌৰৱময় সংস্কৃতিৰে ভৰা ৰাভা জাতিৰ সাংস্কৃতিক, ভাষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰ আদিৰ কথা নিকা আৰু স্বচ্ছ ভাষাৰে প্ৰকাশ কৰাটো সমীচীন হ'ব। লেখক-সাহিত্যিকসকলৰ লিখনিৰ জৰিয়তে ৰাভা জাতিৰ হেৰাই যাব খোজা ঐতিহ্যমণ্ডিত কৃষ্টি-সংস্কৃতিসমূহৰ সংৰক্ষণ, বিকাশ আৰু প্ৰসাৰৰ বাবে সু-সংবদ্ধ, জাগ্ৰত লিখনি প্ৰকাশ কৰিব লাগিব; যাৰদ্বাৰা ৰাভা জাতিৰ ঐক্যবদ্ধতা আৰু উত্তৰণত আশাৰ সঞ্চাৰ হয়।

২:৩ ৰাভাসকলৰ মাজত বিভাজন আৰু প্ৰলোভন ৰোধ কৰি ষষ্ঠ অনুসূচী প্ৰদানৰ দাবীত সংগ্ৰাম গঢ়ি তোলাটোৱে হ'ব পৰৱৰ্তী সংগ্ৰামৰ সঠিক দিক্ নিৰ্দেশনা। আমাৰ বোধেৰে ঐতিহ্যপূৰ্ণ মহান অসমৰ অখণ্ডতা ৰক্ষা কৰি শান্তি-সম্প্ৰীতিৰ এনাজৰীডাল অধিক সুদৃঢ় কৰাৰ স্বাৰ্থতেই সংঘাতৰ বিপৰীতে সমন্বয়ৰ পথ গ্ৰহণ কৰি সন্মিলিত প্ৰচেষ্টাৰে সমস্যাটোৰ সমাধানৰ চেষ্টা কৰিলে অসমৰ ঐক্য-সম্প্ৰীতিৰ পৰম্পৰা চিৰকাল অটুট থাকিব। এইক্ষেত্ৰত অগ্ৰণী বুদ্ধিজীৱী ড° হীৰেন গোহাঁইৰ মন্তব্য প্ৰণিধানযোগ্য— **"জাতীয় চেতনা জাতীয়তাবাদৰ নব আলোকত সুস্থভাৱে প্ৰতিষ্ঠা কৰা প্ৰয়োজন।"**

২:৪ ৰাভা সমাজৰ সৰ্বাংগীণ উত্তৰণৰ স্বাৰ্থত সৰ্বস্তৰত অনুকূল পৰিৱেশ গঢ়ি তোলাৰ লগতে এই সময়ছোৱাত নতুন প্ৰজন্মক সু-শিক্ষাৰে সংস্কৃতিৱান কৰিব পাৰিলেহে প্ৰকৃত উন্নতি সম্ভৱ হ'ব নেকি, তাক পৰ্যালোচনা কৰাৰ প্ৰয়োজনীয়তা আছে।

২:৫ ৰাভা সমাজত নাৰীসকলৰ দায়িত্ব বেছি। সুচিন্তিতভাৱে পৰিয়ালৰ লগতে সমাজখনক সঠিক গতি দিব লাগিব নাৰীসকলে। নীতিগতভাৱে প্ৰতি প্ৰত্যেকে পৰিচালিত হ'লেহে প্ৰগতি সম্ভৱ হ'ব পাৰে।

ৰাভা সমাজৰ সমস্যা আৰু সংগ্ৰামৰ যথোচিত সমাধানে কঢ়িয়াই আনক বৃহৎ অসমৰ শান্তি-সম্প্ৰীতি আৰু উন্নতি— ইয়াকেই কামনা কৰিছোঁ। ■

*(বাৰ্ষিক মুখপত্ৰ, ছয়গাঁও আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ২০০৭)*

# শিশু, যুৱ প্ৰজন্ম আৰু নাৰী ঃ সুন্দৰ পৃথিৱীৰ মানৱ সম্পদ

*"Children are like buds in a garden and should be carefully and lovingly nurtured, as they are the future of the nation and the citizens of to-morrow."*

–Jawaharlal Nehru

১:১ আমি সকলোৱে জানো যে, আজিৰ শিশু কাইলৈ দেশৰ ধৰণী। অৰ্থাৎ আজিৰ শিশুৰ হাততেই দেশৰ ভৱিষ্যৎ নিৰ্ভৰশীল। গতিকে আমাৰ দায়িত্ব হ'ল শিশুসকলক ভালদৰে গঢ়ি দেশৰ দায়িত্ব ল'ব পৰাকৈ সাজু কৰি তোলা। এটি শিশুক গঢ়িবৰ বাবে উপযুক্ত সা-সুবিধাৰ প্ৰয়োজন। প্ৰতিজন শিশুৱেই মানৱ সম্পদ; কিন্তু সেই মানৱ সম্পদক গঢ়ি-পিটি লোৱাটোহে আমাৰ দায়িত্ব আৰু কৰ্তব্য। পৰিতাপৰ বিষয় যে, যি সময়ত সমগ্ৰ পৃথিৱীত শিশুৰ উন্নয়ন তথা প্ৰতিৰক্ষাৰ বাবে ভিন্ ভিন্ ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সেই একে সময়তে সমাজৰ এচাম দুষ্ট চক্ৰই শিশুসকলক ব্যৱসায়ৰ মূলধন হিচাপে লৈছে। ফুলৰ দৰে পৱিত্ৰ নিষ্পাপ শিশুৰ ওপৰত তেওঁলোকে কেৱল অৰ্থনৈতিক মুনাফা লাভৰ বাবে বিভিন্ন ধৰণে নিৰ্যাতন চলাই আহিছে। শিশু নিৰ্যাতনকাৰী এই দুষ্ট চক্ৰ মকৰাজালৰ দৰে পৃথিৱীৰ চুকে-কোণে দিনক দিনে বাঢ়ি যাবলৈহে ধৰিছে। ভাৰত তথা অসম প্ৰদেশো এনে চক্ৰৰ প্ৰভাৱৰপৰা মুক্ত নহয়।

১:২ সি যি কি নহওক, বৰ্তমান পৃথিৱীৰ প্ৰত্যেকখন দেশেই শিশু নিৰ্যাতনক অত্যন্ত উদ্বেগজনক বিষয় হিচাপে গ্ৰহণ কৰিছে আৰু

ইয়াৰ প্ৰতিৰোধ কৰিবৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰসমূহৰ অনুচ্ছেদ-২৩য়ে শিশুক ভিক্ষাবৃত্তি তথা অনুচ্ছেদ-২৪য়ে উদ্যোগসমূহত শিশুক ক্ষতিকাৰক কাৰ্যত নিয়োগ কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰিছে। আনহাতে ভাৰতীয় সংবিধানৰ নিৰ্দেশাত্মক নীতিৰ অন্তৰ্গত অনুচ্ছেদ-৩৯ (ঙ) আৰু ৩৯ (চ)ই শিশুৰ স্বাস্থ্যৰ উন্নয়নৰ ক্ষেত্ৰত আৰু অনুচ্ছেদ-৪৫য়ে শিশুৰ বাধ্যতামূলক শিক্ষাৰ অধিকাৰৰ ক্ষেত্ৰত যিবিলাক নীতি-নিৰ্দেশনা আৰোপ কৰিছে, সেইবিলাক অত্যন্ত প্ৰশংসনীয়।

তদুপৰি ভাৰতত শিশুৰ নিৰ্যাতনৰ বিৰুদ্ধে তথা শিশুৰ উন্নয়নৰ প্ৰতি বিশেষভাৱে লক্ষ্য ৰাখি প্ৰণয়ন হোৱা কেইখনমান উল্লেখযোগ্য আইন হ'ল—

১। Bonded Labour System (Abolition) Act, 1976.

২। The Child Labour (Prohibition and Regulation) Act, 1986.

৩। The Juvenile Justice (Care and Protection of Children) Act, 2000.

৪। The Protection of Children from Sexual Offences Act, 2012.

ভাৰতীয় দণ্ডবিধি আইন, ১৮৬০ৰ ধাৰা নং ৩৬৩ (ক)ই বিশেষভাৱে শিশুৰ অধিকাৰ সুৰক্ষিত কৰি আহিছে।

১:৩ তদুপৰি সমাজৰ কিছুমান ব্যক্তিৰ একক প্ৰচেষ্টা তথা বহুকেইটা বেচৰকাৰী সংস্থা শিশুৰ হকে কাম কৰিবলৈ আগবাঢ়ি অহা দেখা গৈছে। ২০১৪ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা প্ৰাপক কৈলাশ সত্যাৰ্থীদেৱৰ নেতৃত্বত গঢ় লৈ উঠা 'বচা বচাও আন্দোলন' নামৰ বেচৰকাৰী সংস্থাটোৱে এই ক্ষেত্ৰত বহুতো আদৰণীয় পদক্ষেপ গ্ৰহণ কৰি আহিছে। পৃথিৱীৰ বিভিন্ন ঠাইত তেওঁলোকে নিৰ্যাতিত শিশুসকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থাও গ্ৰহণ কৰিছে। জানিবলৈ পোৱা মতে অসমতো ইতিমধ্যে শিশুৰ অধিকাৰৰ হকে তেওঁলোকে কাম আৰম্ভ কৰিছে। সত্যাৰ্থীয়ে যুৱক-যুৱতীসকলক উদ্দেশ্যি আহ্বান জনাইছে এইবুলি—

"সপোন দেখা, নিজৰ সম্ভাৱনা আৱিষ্কাৰ কৰা আৰু কাম কৰা"

(*Dream, Discover and Do*)। যুৱক-যুৱতীসকলৰ মাজত থকা শক্তিৰ কথা উনুকিয়াই দি ক'লে— "তোমালোক খঙাল হোৱা। খঙে পৰিৱৰ্তন আনিব পাৰে, যদি এই খং ইতিবাচক হয়, আত্মকেন্দ্ৰিক নহয়।" "দুটা দশক আগতে স্কুললৈ নোযোৱা শিশুৰ সংখ্যা আছিল ১৩ কোটি আৰু এতিয়া ই হৈছেগৈ ৬ কোটি। ইয়াৰপৰা বুজা যায় পৰিৱৰ্তন হৈছে, পৰিৱৰ্তন হ'ব পাৰে। শিক্ষাই হ'ব পাৰে এনে পৰিৱৰ্তনৰ মাধ্যম।" তেওঁ আৰু কৈছে— "আজিকালি স্মাৰ্টফোন, হোৱাট্ছএপ্, ফেচ্বুকৰ যুগ। গতিকে কোনো শিশু বা কিশোৰ-কিশোৰী বিপদত পৰা দেখিলে ততালিকে পুলিচ, মন্ত্ৰী, মুখ্যমন্ত্ৰীকো জনাওক।" এনে ধৰণৰ বহু আহ্বানৰ এটাই অৰ্থ— সকলো পক্ষই শিশুৰ অধিকাৰ, শিশুৰ শিক্ষা আৰু শিশুৰ সৰ্বাঙ্গৰ উন্নতিৰ বাবে আগবাঢ়ি আহিব লাগে। কঠোৰ আইন আৰু যথোপযুক্ত আৰ্থিক সাহায্যৰ বাবে জনমত গঠিত হ'ব লাগিব।

গতিকে শিশু নিৰ্যাতনৰ দৰে ভয়াৱহ ব্যাধি এটাক সমাজৰপৰা পুলিয়ো-পোখাই উভালি পেলাবলৈ হ'লে আমি প্ৰত্যেকেই সজাগ হ'ব লাগিব। শিশুক তেওঁলোকৰ অধিকাৰৰপৰা বঞ্চিত কৰি নিজ স্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ কৰা প্ৰত্যেকজন ব্যক্তিয়েই উপযুক্ত শাস্তি পাব লাগিব। নিজ পিতৃ-মাতৃও আনকি এনে শাস্তিৰপৰা ৰেহাই পাব নোৱাৰে। এটি শিশুৱে বিদ্যালয়ৰ দুৱাৰডলি গচকা মানে সমগ্ৰ মানৱ জাতিটো উন্নতিৰ পথত এঢাপ আগুৱাই যোৱা সূচায়।

শিশুসকলৰ নিষ্পাপ হাঁহিয়ে আমাৰ মন পোহৰাই তোলে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈ গৈছে— "আমি যদি এই পৃথিৱীত প্ৰকৃত শান্তি বিচাৰোঁ আৰু যদি আমি যুঁজৰ বিৰুদ্ধে প্ৰকৃত যুঁজ কৰিব বিচাৰোঁ, তেনেহ'লে আমি শিশুসকলক লৈয়ে কাম আৰম্ভ কৰিব লাগিব।" "*Children will not remember you for the material things you provide them, but for the feeling that you cherish them.*" এইখিনিতে Graham Greene-এ প্ৰণিধানযোগ্য মন্তব্য আগবঢ়াইছিল এনে ধৰণে— "*There is always one moment in childhood when the door opens and lets the future in.*"

১:৪ **যুৱ মানসিকতা ঃ** গোলকীকৰণৰ প্ৰাদুৰ্ভাৱ, যোগাযোগ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন, ভোগ্য সামগ্ৰীৰ সহজলভ্যতাৰ অলেখ ধনাত্মক দিশৰ

কথা স্বীকাৰ কৰিও আমি এইবিলাক বিষয়ে আমাৰ সমাজ ব্যৱস্থালৈ অহা ঋণাত্মক দিশসমূহৰ কথা উল্লেখ কৰিবই লাগিব। ৯০ৰ দশকৰপৰা আৰম্ভ হোৱা টিভি, মোবাইল ফোন, ইণ্টাৰনেট সেৱাৰ যোগেৰে গোটেই পৃথিৱীখনেই ওচৰ চাপি আহিল যদিও যেন ওচৰৰ মানুহখিনি আঁতৰি গ'ল। দূৰৈৰ মানুহ আপোন কৰি লোৱাৰ সুবিধা পাই অতি আপোন পিতৃ-মাতৃ, খুড়া, মামা, দাদা, বৌ, মাহী, খুড়ী, মামী, জেঠাই, পেহী সকলো যেন অন্তৰৰপৰা নোহোৱা হৈ গ'ল। বাকী থাকিল মাত্ৰ এক আন্তৰিকতাহীন সম্বন্ধ 'আংকল' আৰু 'আণ্টি'। ওচৰ-চুবুৰীয়া, শিক্ষক-শিক্ষয়িত্ৰী, বয়োজ্যেষ্ঠ ব্যক্তি, পুলিচ-প্ৰশাসন, সমাজ ব্যৱস্থা, ধৰ্ম-কৰ্ম একোলৈকে ভয়-শংকা, শ্ৰদ্ধা, লজ্জাবিহীন নতুন প্ৰজন্মৰ কিছু উচ্ছৃংখল যুৱক-যুৱতীৰ আগমন ঘটিল।

মন গ'লেই যি কোনো অভিজ্ঞতা ল'ব বিচৰা মানসিকতাৰ বলি হৈছে এচাম উঠি অহা ল'ৰা-ছোৱালী। ভাব হয়, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই নতুন প্ৰজন্মক প্ৰতিযোগিতাৰ পৃথিৱীখনত তিষ্ঠি থাকিব পৰাকৈ, আগবাঢ়ি যাব পৰাকৈ অনেক কিবাকিবি দান কৰিলেও তেওঁলোক যেন ভিতৰি ভিতৰি এক গভীৰ অভাববোধত ভূগিছে। ই হ'ব পাৰে একধৰণৰ আধ্যাত্মিক সংকট। ক্ৰমশঃ বাঢ়ি অহা ভোগবাদী জীৱনচৰ্যা, অৰ্থনৈতিক অনিশ্চয়তা (বৃত্তিগত দিশত) আদি তেওঁলোকৰ এই আধ্যাত্মিক শূন্যতাৰ কাৰণ হ'ব পাৰে। ল'ৰা-ছোৱালীৰ ইচ্ছা-আকাংক্ষা, ৰুচিবোধক সমাজৰ গ্ৰহণীয়ভাৱে গঢ় দিবলৈ সমাজে নিজেই যেন সেই পৰিৱেশ হেৰুৱাই পেলাইছে।

এটা কথা সঁচা যে, যুৱ প্ৰজন্মৰে কিছুসংখ্যকৰ অসহিষ্ণু মনোভাৱ, বেপেৰুৱা আদব-কায়দা আৰু আধুনিকতাৰ বা অত্যাধুনিকতাৰ নামত আনক অক্ষমভাৱে অনুকৰণ কৰি কৰা কিছুমান অসহজ, নিজলৈকে বিপদ মাতি আনিব পৰা কৰ্মকাণ্ড, মাত-কথা আৰু আচাৰ-ব্যৱহাৰ আদি অতি উচ্ছৃংখল; আৰু সেই উচ্ছৃংখলতাই সমাজক ভাবিব নোৱৰা ধৰণে ক্ষতি কৰিছে। কিন্তু তাৰ পিচতো আমি স্পষ্টকৈ আৰু দৃঢ়তাৰে কওঁ যে, যুৱ প্ৰজন্ম মানেই উচ্ছৃংখলতা নহয়। আচলতে আমাৰ বাবে যুৱ প্ৰজন্ম মানে এক প্ৰচণ্ড উৎসাহ, এক উজ্জ্বল ভৱিষ্যৎ, এক ভৰসা আৰু একধৰণৰ নিশ্চিন্ত হোৱাৰ সুখহে। যুৱ প্ৰজন্মৰ সপক্ষে থাকিব খোজাৰ আমাৰ এই সিদ্ধান্তৰ এক অন্যতম আধাৰ হ'ল— যুৱ প্ৰজন্মৰ ওপৰত থকা আমাৰ গভীৰ

আস্থা আৰু বিশ্বাস। উচ্ছৃংখল বুলি, বিপথে পৰিচালিত হোৱা বুলি অনবৰতে দোষাৰোপ কৰি থকাতকৈ সেই অসামান্য যুৱশক্তিক শৃংখলিত কৰি সুপথে পৰিচালিত কৰাটোহে বেছি প্ৰয়োজনীয়। ভাৰতৰ যুৱ প্ৰজন্ম উচ্ছৃংখল হোৱা হ'লে এই প্ৰজন্মই আজি সমগ্ৰ পৃথিৱীৰ আকৰ্ষণ হৈ পৰিব নোৱাৰিলেহেঁতেন। ভাৰতৰ যুৱ প্ৰজন্ম উচ্ছৃংখল হোৱা হ'লে প্ৰয়াত ড° এ.পি.জে. আব্দুল কালামে 'ভাৰত-২০২০'ৰ কথা নক'লেহেঁতেন। সেয়েহে যুৱ উচ্ছৃংখলতাৰ কথা কোৱাতকৈ যুৱ সমাজক আদৰ্শ আৰু সততাৰ পথত চলিবলৈ উদ্বুদ্ধ কৰাটোহে বেছি প্ৰয়োজনীয়। তাৰ দায়িত্ব আমাৰ সকলোৰে। সন্তানৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে পিতৃ-মাতৃয়ে কৰা বিভিন্ন বিত্তীয় বিনিয়োগৰ বাহিৰেও কিছু আধ্যাত্মিক বিনিয়োগ কৰিলে সন্তানৰ ভৱিষ্যৎ সুৰক্ষিত হোৱাৰ বাহিৰেও এক শৃংখলিত সমাজ গঠনত কিছু হ'লেও সুফল পোৱা যাব বুলি আমাৰ ধাৰণা। যুৱ প্ৰজন্মৰ দৰেই ময়ো বিশ্বাস কৰোঁ— *Work hard, party harder, live your dream, strive for excellence.*

অধ্যাত্মৰ বিকাশেই হৈছে সকলো ধৰণৰ উচ্ছৃংখলতা ৰোধ কৰাৰ একমাত্ৰ উপায়। শৈশৱৰ বিস্ময়, কৈশোৰৰ জিজ্ঞাসা আৰু যৌৱনৰ প্ৰাণ-প্ৰাচুৰ্যই অৰ্থৱহভাৱে প্ৰকাশৰ বাট বিচাৰি পাব পাৰে প্ৰকৃতিৰ সান্নিধ্যত, মানুহৰ সান্নিধ্যত, কিতাপৰ সান্নিধ্যত। *We should encourage people to unite and act against child exploitation.*

আমি আশাবাদী। আমাক সমস্যা নালাগে। আমাক পৰিৱৰ্তন লাগে। পৰিৱৰ্তন চিন্তাৰ, মানসিকতাৰ। এই পৰিৱৰ্তনৰ বাবে লাগিব প্ৰচুৰ অনুপ্ৰেৰণা আৰু বহল প্ৰচাৰ। সু-স্বাস্থ্যৰ বাবে যিদৰে সু-খাদ্যৰ প্ৰয়োজন, ঠিক সেইদৰে সুস্থ সমাজৰ বাবে সু-চিন্তা, সু-মানসিকতা আৰু আন্তৰিকতাৰ প্ৰয়োজন। আমাৰ সফলতা-বিফলতাৰ প্ৰথান অস্ত্ৰই হৈছে সুস্থ মানসিকতা। অধ্যয়নে মানুহক পুষ্ট কৰে, সলনি কৰে মানুহৰ দৃষ্টিভংগীৰ গতি।

২:১ ক'ৰবাত পঢ়িছিলোঁ— *"Women is created by God to complete a man. She is created by strength so she can give birth and the baby out of her womb."*

সঁচা অৰ্থত ভাৰতীয় ধৰ্মশাস্ত্ৰ, পৰম্পৰা তথা নৈতিকতাই নাৰীক যথেষ্ট সম্ভ্ৰম আৰু সহৃদয়তা প্ৰদান কৰিছে। স্মৰ্তব্য যে, মাতৃহন্তা পৰশুৰামে

'তিনি সাতবাৰ' পৃথিৱী প্ৰদক্ষিণ কৰিও হাতৰ কুঠাৰ এবাৰো পৰা নাছিল বুলি শাস্ত্ৰকাৰে উল্লেখ কৰি মাতৃজাতিক মান্যতা প্ৰদান কৰিছে। আনহাতে ৰাৱণৰ দৰে নিৰ্দয় অপহৰণকাৰীয়ে একাধিকবাৰ সীতাক হত্যা কৰাৰ কথা চিন্তা কৰিও মূৰকত এয়া বীৰৰ নীতি নহয় বুলি মানি লৈ সেয়া পৰিত্যাগ কৰিছিল। হনুমানে যেতিয়া লংকাত প্ৰৱেশ কৰিছিল, তেওঁক বাধা দিবৰ বাবে লংকাৰ আৰাধ্যা দেৱী স্বয়ং আগবাঢ়ি আহিছিল; কিন্তু হনুমানে তেওঁক সামান্য এটা ভুকু মাৰি সংঘৰ্ষ এৰাই চলিছিল। কিয়নো দেৱীৰূপী নাৰীক তেওঁ সন্মান জনাইছিল। বকাসুৰ বধ কাহিনীটোত ব্ৰাহ্মণ পত্নীয়ে খাদ্য হিচাপে বাৰে বাৰে বকাসুৰৰ ওচৰলৈ যাবলৈ উদ্যত হৈছিল এই ভাবিয়েই যে, অসুৰ হ'লেও বকাসুৰে তেওঁক ভক্ষণ নকৰে; কাৰণ তেওঁ নাৰী।

সময়ৰ গতিত মানুহৰ সামাজিক, অৰ্থনৈতিক আৰু জীৱন যাপনৰ প্ৰণালীত আমূল পৰিৱৰ্তন হ'লেও এনে ভাব হয়— নাৰী-পুৰুষৰ সামাজিক সমতা এতিয়াও যেন স্থাপন হোৱা নাই। সৰহভাগ ক্ষেত্ৰতে নাৰীসকল শিক্ষিত আৰু স্বাবলম্বী নোহোৱাৰ বাবেই নাৰীয়ে আজি পুৰুষৰ শোষণ, নিষ্পেষণ আৰু নিৰ্যাতনৰ বলি হৈ আহিবলগা হৈছে। স্বামী বিবেকানন্দই কৈ গৈছে যে, "বিশ্বত নাৰীৰ অৱস্থা উন্নত নোহোৱা পৰ্যন্ত মানৱ জাতিৰ কল্যাণ হ'ব নোৱাৰে।" বিশ্বদৰবাৰতো নাৰী উচ্চ স্থানত উপৱিষ্ট হৈছে যদিও অপ্ৰিয় সত্য যে, জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে আজিও নাৰী নিৰ্যাতিত। নাৰীৰ মৰ্যাদা ভূ-লুণ্ঠিত হৈছে। সমাজ যিমানেই 'সভ্য' হৈছে বুলিছে সিমানেই 'অসভ্য' হৈছে নাৰীৰ প্ৰতি কৰা আচৰণ আৰু অপৰাধ।

২:২ ইংৰাজীত এষাৰ কথা আছে— *Where there is will, there is a way.* নাৰীক স্বাধীন দেশৰ স্বাধীন নাৰী বুলি ক'বলৈ হ'লে প্ৰত্যেকজন সমাজ সচেতন ব্যক্তিয়ে নিজৰ ঘৰখনৰপৰাই তাৰ বাট মুকলি কৰিব লাগিব। নিজৰ ঘৰখনত নাৰীক নাৰী বুলি ভবাৰ আগতে ব্যক্তি হিচাপে জ্ঞান কৰি নাৰীৰ আবেগ-অনুভূতিক সন্মান জনাব পাৰিব লাগিব। নিজৰ ঘৰখন নিয়াৰিকৈ পৰিচালনা কৰা নাৰীগৰাকীক সমমৰ্যাদা দিবলৈ আমি কুণ্ঠাবোধ কৰিব নালাগিব। সৰুকালৰেপৰা প্ৰতিজনী ছোৱালীকে নিজৰ অভিভাৱকে অন্যায় সহি নাথাকিবলৈ আৰু অন্যায়ৰ বিৰুদ্ধে মাত মাতিব পৰাকৈ মানসিকভাৱে প্ৰস্তুত কৰি তোলাত গুৰুত্ব দিব লাগিব। নাৰী সদায় আত্মসচেতন হ'ব লাগিব। নিজৰ অধিকাৰ নিজেই সাব্যস্ত কৰিবলৈ

নাৰীগৰাকী সক্ষম হ'ব লাগিব। তাৰ বাবে তেওঁ শিক্ষিত হোৱাৰ উপৰি আত্মনির্ভৰশীল হ'ব লাগিব। মনত ৰখা উচিত যে, নাৰী সাজ-পাৰত শালীনতাকে ধৰি নাৰীসুলভ আত্মিক সুন্দৰতাৰে সৰ্বগুণবিভূষিতা হৈ উচ্চ চিন্তাৰে ব্যক্তিত্বসম্পন্ন হৈ ইতিবাচক দৃষ্টিভংগীৰে শিক্ষা-দীক্ষা আৰু জ্ঞানেৰে শিক্ষাৰ মূল্য উপলব্ধি কৰি কৰ্মত অত্যুৎসাহী হৈ নিজৰ, নিজৰ পৰিয়ালৰ, সমাজৰ লগতে দেশৰ প্ৰগতিৰ পথত নিজৰ প্ৰতিভা বিকশিত কৰক। নহ'লে নাৰী পৰাধীনতাৰ শিকলি ছিঙা টান হৈ পৰিব। এই ক্ষেত্ৰত পুৰুষেও নাৰীৰ কিছু ইচ্ছা-আকাংক্ষাক গুৰুত্ব দি সহায় কৰাটো প্ৰয়োজনীয়। নাৰী সবলীকৰণ অকল আইন আৰু নিয়ম-কানুনেৰে কৰিব নোৱাৰি; ইয়াৰ বাবে লাগিব সকলোৰে সদিচ্ছা।

পুনঃ কওঁ যে, আজিৰ সময়ত নাৰী পুৰুষৰ সমানে কাৰ্যক্ষম হৈছে যদিও দেশৰ বিভিন্ন প্ৰান্তত ডাইনী, যৌতুক আদি অন্ধবিশ্বাস আৰু সমাজৰ অন্ধ বিচাৰৰ বাবে বহু নাৰীয়ে অকালতে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। নাৰীৰ এই নৈতিক অধিকাৰৰ হকে অকল নাৰীয়েহে একক অথবা সংঘবদ্ধ প্ৰচেষ্টাৰে আগবাঢ়ি আহিব লাগিব। প্ৰচুৰ আত্মবিশ্বাস, অলপ ত্যাগ, সাহস, প্ৰেম, সততা আৰু বুদ্ধিমত্তাৰে নাৰীয়ে অপ্ৰত্যাশিত আক্ৰমণ, উৎপীড়ন আৰু অবাঞ্চিত পৰিৱেশৰ লগত যুঁজ দিবলৈ মানসিকভাৱে প্ৰস্তুত থাকিব লাগিব। 'আত্মবলেই পৰম বল।' জীৱনটো ইমান মসৃণ নহয়। সংঘাত, সংগ্ৰাম আৰু অন্যায়ৰ বিৰুদ্ধে ধৈৰ্য, সাহস আৰু সততাৰে থিয় হৈ নিজক প্ৰতিষ্ঠিত কৰিব পৰাটোৱেই হ'ল জীৱনৰ স্বকীয়তা।

২:৩ মই ভাবোঁ— *"Whatever you give a woman, she is going to multiply. If you give her sperm, she will give you a baby. If you give her a house, she will give you a home. If you give her groceries, she will give you meal. If you give her a smile, she will give you her heart."*

নতুন দিল্লীস্থিত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ গৱেষক নন্দিতা খাখলাৰীয়ে মত পোষণ কৰিছে যে— 'বীৰুবালা ৰাভা'ৰ দৰে পৰম্পৰাগত সাজ পিন্ধা গাঁৱলীয়া নাৰী এগৰাকীও যিদৰে 'আধুনিক' আৰু 'সাহসী' হ'ব পাৰে, তেনেদৰেই চুটি স্কাৰ্ট পিন্ধা নাৰী এগৰাকীয়েও সুন্দৰ কবিতা লিখিব পাৰে। আধুনিকতা মানুহৰ কাপোৰত নাথাকে; আধুনিকতা থাকে

মনৰ মাজত। সমস্যা নাৰীৰ পোছাক নহয়; সমস্যা হ'ল মানুহৰ মন আৰু তুচ্ছ মানসিকতা।

আমি যদি সঁচা অৰ্থত এক সংস্কৃতিৱান জাতি হ'ব বিচাৰোঁ, তেতিয়াহ'লে সংস্কৃতিৰ প্ৰসাৰ আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব আমাৰ সকলোৰে। কেৱল নাৰীৰ কৰ্তব্য সোঁৱৰাই দিয়াত ব্যস্ত থকাতকৈ সকলোৱে একেলগে আগবাঢ়ি যোৱাটোহে শ্ৰেষ্ঠ হ'ব। যিসকলে আমাৰ সংস্কৃতিৰ ভাল দিশবোৰৰ সংৰক্ষণত ব্ৰতী হৈ আছে, তেওঁলোকক সহযোগ কৰাটোহে আমাৰ কৰ্তব্য হোৱা উচিত। ইয়াৰ বাবে প্ৰয়োজন হ'ব সমাজত শিশু, যুৱ প্ৰজন্ম আৰু নাৰীৰ প্ৰতি থকা মানসিকতাৰ আমূল পৰিৱৰ্তন, ইতিবাচক চিন্তা-চেতনা আৰু সময়োচিত পদক্ষেপ। ■

*('স্মৃতিগ্ৰন্থ', গুৱাহাটী জিলা বড়ো সাহিত্য সভা, ২০১৫)*

# সাম্প্ৰতিক সময়ত মূল্যবোধৰ শিক্ষা আৰু দায়িত্ববোধ

*"Where is the life we have lost in living?*
*Where is the wisdom we have lost in knowledge?*
*Where is the knowledge we have lost in information?"*

–T. S. Eliot

১:১ বিল গেইট্‌ছে কৈছে— কেনেকৈ শিকিব লাগে প্ৰথম তাক শিকক— Learn to learn। আটাইতকৈ ডাঙৰ শিক্ষানুষ্ঠান শ্ৰেণীকক্ষৰ বাহিৰত। বিল গেইট্‌ছৰ মতে, তথ্যৰ ৰাজপথেদি (Information highway) যি শিক্ষা আগবাঢ়ি গৈছে, সেই শিক্ষা সৰ্বকালৰ সকলোৰে বাবে আৰু সকলো সময়ৰ বাবে। এই মহাশিক্ষাৰ লক্ষ্য শ্ৰেণীকক্ষ নহয়, ব্যক্তি। প্ৰকৃত লক্ষ্য ডিগ্ৰী বা ডিপ্ল'মা নহয়, জীৱনব্যাপী শিক্ষা। স্বামী বিবেকানন্দই কৈছিল— *'Learn to see things in the proper light.'*।

১:২ মনত ৰখা উচিত যে, ঈশ্বৰে সকলো মানুহক সমান প্ৰতিভা, অৰ্থ, স্বাস্থ্য আৰু শাৰীৰিক শক্তি প্ৰদান কৰা নাই। কিন্তু এটা বস্তু ঈশ্বৰে সকলোকে সমানভাৱে প্ৰদান কৰিছে। এই বস্তুটো হৈছে সময়। দিনটোৰ ২৪ ঘণ্টা সময়ৰ কিমানখিনি সময় আমি সদ্ব্যৱহাৰ কৰিব পাৰিছোঁ, তাক এবাৰ সূক্ষ্মভাৱে বিশ্লেষণ কৰি চাইছোঁনে? এগৰাকী বিশিষ্ট লেখকে মন্তব্য কৰিছে— *'You donot need more time in your day, you need to make more use of the time you have.'* দিনটোত অধিক সময়ৰ আৱশ্যক নাই। আপোনাৰ হাতত থকা সময়খিনিৰ সদ্ব্যৱহাৰৰহে আৱশ্যক। সময় পৰিকল্পনা অৰ্থাৎ Time Planning-ৰদ্বাৰা সময়ৰ সদ্ব্যৱহাৰ কৰা সম্ভৱ।

অৱশ্যে সময়ৰ অপচয় প্ৰতিৰোধ কৰি ইয়াৰ সদ্ব্যৱহাৰৰ কাৰণে আমি কেতবোৰ দিশ বিবেচনা কৰিব পাৰোঁ—

(ক) শিশুক সৰুকালৰপৰাই সময়ৰ সঠিক ব্যৱহাৰৰ ক্ষেত্ৰত শিক্ষা প্ৰদান কৰিব লাগে।

(খ) আচাৰ্য-আচাৰ্যা অৰ্থাৎ শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰধান আৰ্হি লৈ ছাত্ৰ-ছাত্ৰীসকলক এই সন্দৰ্ভত অনুপ্ৰাণিত কৰিব লাগে।

(গ) পিচত কৰিম, কাইলৈ কৰিম জাতীয় এলেহুৱা মনোভাব পৰিহাৰ কৰি সময়ৰ কাম সময়ত কৰা মানসিকতা গঢ় দিবলৈ সন্তানসকলৰ প্ৰতি অভিভাৱকসকল যত্নপৰ হ'ব লাগে।

(ঘ) অৱহেলা নকৰি ৰুটিন মতে প্ৰত্যেক ব্যক্তিয়ে নিজ নিজ কাৰ্য সমাধা কৰিলে সময়ৰ বহুখিনি অপব্যয় ৰোধ কৰিব পৰা যায় আৰু দৈনন্দিন জীৱন পৰিচালনাত ই যথেষ্টখিনি সহায়ক হয়।

১:৩ সম্প্ৰতি সমাজত অপৰাধপ্ৰৱণতা বৃদ্ধি পাবলৈ ধৰিছে। চুৰি-ডকাইতি কাৰ্য, অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ নামত ডাইনী হত্যা, নৰবলি, শিশুৰ ওপৰত নিৰ্যাতন, ধৰ্মৰ নামত গঢ়ি উঠা সন্ত্ৰাসবাদী কাৰ্যকলাপ আদি অপৰাধসমূহ মূলতঃ দৰিদ্ৰতা, শিক্ষাহীনতা, সামাজিক চেতনাহীনতা, জ্ঞানৰ অভাৱৰ বাবেই সংঘটিত হয় বুলিব পাৰি। সেয়েহে আমাৰ শিক্ষানুষ্ঠানসমূহত বাধ্যতামূলক যোগ-ব্যায়াম, সমাজৰ প্ৰতি দায়িত্ববোধ থকা নৈতিক জ্ঞান, সৃষ্টিশীল মেধা প্ৰতিভাৰ প্ৰতিযোগিতাৰ পৰিৱেশ সৃষ্টি, কৰ্মসংস্থাপনমুখী পাঠ্যক্ৰম, সুস্থ সামাজিক পৰিৱেশ ৰচনা আদিৰে যদি এক ব্যস্ততাৰ পৰিৱেশ সৃষ্টি কৰিব পৰা যায়, নিশ্চয়কৈ তেতিয়া উচ্ছৃংখল চিন্তাৰপৰা তেওঁলোকক মুক্ত কৰি ৰাখিব পৰা যাব।

নৈতিকতা এক সামাজিক ভাব। **'নীয়তে ইতি নীতি'** অৰ্থাৎ অগ্ৰসৰ কৰি নিয়াটোৱেই হ'ল নীতি। আজি বৌদ্ধিক দিশত বিকাশপ্ৰাপ্ত মানুহে বৈজ্ঞানিক জ্ঞানত যথেষ্ট প্ৰগতি সাধিছে সঁচা; কিন্তু মানুহ হৃদয় আৰু ভাবনাৰ ক্ষেত্ৰত অবিকশিত হ'লে এবিধ নিম্ন শ্ৰেণীৰ অসুৰ হৈ পৰে। গতিকে ভাৰতীয় জীৱন মূল্য আৰু আদৰ্শৰ আধাৰত আমি আমাৰ ছাত্ৰ-ছাত্ৰীসকলক নৈতিক শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ বাবে সকলোৰে সহযোগ কৰিব লাগিব।

১:৪ মাতৃভাষাই শিক্ষাৰ মাধ্যম হোৱা উচিত বুলি সকলো শিক্ষাবিদে একেমুখে স্বীকাৰ কৰিছে। দুৰ্ভাগ্যবশতঃ আজিকালি আমাৰ সমাজত অসমীয়া

মানুহে মাতৃভাষা লাহে লাহে ক'বলৈও এৰিছে। নহ'লেনো যিসকলে অসমীয়া ভাষা ভালদৰে ক'ব পাৰে, সেইসকলৰ লগতো নিজৰ মাতৃভাষাত কথা নাপাতি আন ভাষাত ভুলে-শুদ্ধই কথা পাতি গৌৰৱবোধ কৰেনে? প্ৰতিযোগিতাৰ কবলত পৰি অসমীয়া মাতৃসকলেও সন্তানক বহুক্ষেত্ৰত মাতৃভাষাৰপৰা বঞ্চিত কৰা দেখা যায়। আনকি পাশ্চাত্য সংস্কৃতি তথা সমাজ জীৱনৰ উপাদানেৰে প্ৰভাৱিত হৈ নিজৰ দেশতেই বিদেশী হৈ পৰে। এই সম্বন্ধে গান্ধীজীয়ে কৈছে— "শিক্ষাৰ মাধ্যম ইংৰাজী হোৱা বাবে ছাত্ৰ-ছাত্ৰীৰ ওপৰত ইমানেই হেঁচা পৰে যে, বিদ্যালয়ৰপৰা পোৱা উচ্চ চিন্তাৰাশিক তেওঁলোকে হজমেই কৰিব নোৱাৰা হয়। ভাল ভাল ছাত্ৰ-ছাত্ৰীসকলেও ভাটৌৰ দৰে মুখস্থ কৰিবলগা হয়।" তেওঁ আকৌ কৈছে— "আমি যেনেদৰে ইংৰাজী ভাষাৰ প্ৰতি অন্ধবিশ্বাসপূৰ্ণ সন্মান কৰিবলৈ শিকিছোঁ, নিজে তাৰপৰা পথমুক্ত হৈ সমাজকো মুক্ত কৰাটোৱেই সমাজৰ শ্ৰেষ্ঠতম সেৱা।" আমিও অনুভৱ কৰোঁ যে, বৰ্তমান বিশ্বায়নৰ যুগত ইংৰাজী শিক্ষাৰ প্ৰয়োজন আছে। কিন্তু নিজৰ মাতৃভাষাক অৱহেলা কৰি পাশ্চাত্য সংস্কৃতি, ভাষা গ্ৰহণ কৰাটো শুভ লক্ষণ কেতিয়াও নহয়। মনত ৰখা উচিত, মাতৃভাষা সংস্কাৰৰ মাধ্যম। অসমীয়া জাতি আৰু ভাষা-সংস্কৃতিক বচাবলৈ আমি সকলো দৃঢ় প্ৰতিজ্ঞ হোৱাটো উচিত। অন্যথা অসমীয়া ভাষা আৰু অসমীয়া লোকৰ অস্তিত্বৰ সংকট সমাগত।

১:৫ কোৱা হয় যে, ল'ৰা-ছোৱালীৰ প্ৰথম পঢ়াশালি হ'ল নিজৰ ঘৰখন। কিন্তু দেখা যায়, আমাৰ সমাজৰ বেছিভাগ পিতৃ-মাতৃয়েই তেওঁলোকৰ এই গুৰু দায়িত্ব সম্বন্ধে সততে সজাগ নহয় আৰু তাৰ বাবে তেওঁলোকে যিখিনি কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিব লাগে, সেই কষ্ট আৰু ত্যাগ কৰিবলৈ আগ্ৰহী নহয়। আনহাতে ল'ৰা-ছোৱালীক সৰুৰেপৰা কি কি শিক্ষা দিব লাগে, কি ধৰণে তেনে শিক্ষা দিব লাগে, সেই বিষয়েও বেছিভাগ পিতৃ-মাতৃ সম্পূৰ্ণভাৱে অৱগত নহয়, তেনে জ্ঞানো নাই। বহুতে আকৌ নিজৰ কু-স্বভাৱ ত্যাগ কৰিব নোৱাৰি বা অন্ধবিশ্বাসৰ প্ৰভাৱত বা অতিমাত্ৰা মৰমত ল'ৰা-ছোৱালীক ভুল কথা শিকায় বা সিহঁতৰ আগত কু-দৃষ্টান্ত দাঙি ধৰে। ই শিক্ষাৰ পৰিপন্থী। ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছে— "*Modern education is limited to imparting of information or training of skill, it has got to give the educated a proper sense of values.*" উল্লেখযোগ্য যে,

শিক্ষক-শিক্ষয়িত্রীসকলে নিজৰ সু-স্বভাৱ, সু-আচৰণ, মাৰ্জিত কথা-বাৰ্তা, পাঠদানত আন্তৰিকতা, সময়ানুৱৰ্তিতা, নিয়মানুৱৰ্তিতা আদিৰে ছাত্ৰ-ছাত্ৰীৰ আগত আদৰ্শ দাঙি ধৰিলেহে ছাত্ৰ-ছাত্ৰী প্ৰভাৱান্বিত হ'ব আৰু সকলো দিশৰপৰা একোজন সু-ব্যক্তি হিচাপে গঢ় লৈ উঠিব।

২:১ মানসিক পৰিপুষ্টি সাধন কৰে শিক্ষাই। শিক্ষাৰ প্ৰসংগত বাৰ্ট্ৰাণ্ড ৰাছেলৰ **'Education in a Scientific Society'** নামৰ ৰচনা এখন আছে। ৰচনাখনত ৰাছেলে কৈছে যে, শিক্ষাই দুটা উদ্দেশ্য সাধন কৰে। ইয়াৰে প্ৰথমটো হৈছে— মনক গঠন কৰা আৰু দ্বিতীয়টো— সুনাগৰিক হোৱাৰ প্ৰশিক্ষণ দিয়া। *"It is our mentality attitude which makes the world what it is for us. Our thoughts makes things beautiful, our thoughts makes things ugly. The whole world is in our own minds."* শিক্ষাই মুখ্য ভূমিকা পালন কৰে মানুহৰ মানসিকতাক গঢ় দিয়াত। মাৰ্জিতকৈ গঢ়ি-পিটি যেনেকৈ নিৰ্দিষ্ট আকাৰ দিয়া হয়, মানুহৰ মনটোকো তেনেকৈ শিক্ষাৰ জৰিয়তে সমীক্ষাত্মক বিশ্লেষণৰ অধিকাৰী কৰি তোলা হয়।

২:২ মহাপুৰুষ শংকৰদেৱে কৈছিল— "অন্তৰাত্মাক নিৰ্মল কৰাৰ উপায় স্বাৰ্থত্যাগ আৰু পৰাৰ্থপৰতা। কাৰণ ঈশ্বৰচিন্তাৰ প্ৰধান ক্ষেত্ৰ বিশুদ্ধ হৃদয়, বিশুদ্ধ মন; মঠ-মন্দিৰ নহয়, সৎ ভাব আৰু সৎ চিন্তাৰদ্বাৰা হিয়া-মন নিকা কৰিলে ঈশ্বৰৰ উপলব্ধি সহজ হয়। মানুহে মান, যশ, অৰ্থ, সম্পদ বা ক্ষমতাৰ আশাত কোনো কাম কৰা উচিত নহয়।" গীতাত কৈছে— **'কৰ্মেন্যেবাধিকাৰস্তে মা ফলেষু কদাচন।'** স্বদেশৰ হিতসাধন কৰাটো মহৎ কাৰ্য। স্বদেশলৈ অনুৰাগ, স্বজাতিলৈ প্ৰেম, স্বজাতিৰ সেৱা আমাৰ জীৱনৰ ধৰ্ম আৰু ব্ৰত হ'ব লাগে।

*"Every duty is holy and devotion to duty is the highest form of worship of God."* ■

*(বাৰ্ষিক মুখপত্ৰ, লালমোহন চৌধুৰী শঙ্কৰদেৱ শিশু আৰু বিদ্যা নিকেতন, ২০১৫)*

# নতুন প্ৰজন্মৰ উত্তৰণত যোগাত্মক চিন্তাৰ আৱশ্যকতা

*"Character is the result of two things–*
*Mental attitude and the way we spend our time."*

১:১ শুভ্ৰ কমলৰ দৰেই শিশু প্ৰতিখন ঘৰৰে একো একোপাহ পবিত্ৰ ফুল। এই শিশুৱেই ভৱিষ্যতৰ সমাজ তথা দেশৰ কাণ্ডাৰী। আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক। এই শিশুসকলক সুস্থ-সবল, চৰিত্ৰৱান আৰু সুনাগৰিকৰূপে গঢ় দি ডাঙৰ-দীঘল কৰাটো বৰ্তমান পিতৃ-মাতৃ, অভিভাৱক আৰু সমাজ সকলোৰে দায়িত্ব।

শিশুৱে জীৱনত পোৱা কোনো অস্বাভাৱিক আৱেগেই পিচৰ জীৱনত সমস্যা সৃষ্টি কৰিব পাৰে। সেয়েহে পিতৃ-মাতৃ বা অভিভাৱকে এই দিশত সতৰ্কতা অৱলম্বন কৰা উচিত। ইয়াকে নকৰি সন্তানৰ দোষ আৰু অপৰাধী কাৰ্যবোৰক নেদেখাৰ ভাও জুৰি মৌন হৈ থাকিলে তেনে পিতৃ-মাতৃৰ সন্তান পৰৱৰ্তীকালত ভয়ানক অপৰাধমূলক কাৰ্যত লিপ্ত হ'ব পাৰে। বিশিষ্ট পণ্ডিত হেলী আৰু ব্ৰনাৰে (Healy and Bronner) মত পোষণ কৰিছে যে, "শতকৰা পঞ্চাশভাগ শিশু সমস্যাবহুল হোৱাৰ কাৰণ হ'ল— মাক-দেউতাকৰ সন্তান সম্পৰ্কে উপযুক্ত অধ্যয়নৰ অভাৱ, ভগ্ন পৰিয়াল (Broken family), পিতৃ-মাতৃৰ কু-মনোবৃত্তি (Bad attitude of parents) আৰু উদাসীন মনোভাৱ।" সমাজ, বিদ্যালয় আৰু গৃহ-পৰিৱেশৰপৰা এইধৰণৰ শিশুৱে পৰাপক্ষত আঁতৰি থাকিব বিচাৰে। *"Children who run away from the school and home, usually spend their time in the worst sort of company and commit all kinds of crimes."*

১:২ বিভিন্ন পৰিৱেশে কিদৰে বিভিন্ন ধৰণৰ শিশুৰ চৰিত্ৰ গঠন কৰিব পাৰে?

- সকুৰেপৰা পৰিয়ালবৰ্গই উৎসাহ-উদগনি দিলে শিশুৰ আত্মবিশ্বাস বাঢ়ে।
- প্ৰশংসাৰ মাজত ডাঙৰ হ'লে লোকৰ গুণৰ সমাদৰ কৰিবলৈ শিকে।
- সহিষ্ণুতাৰ মাজত ডাঙৰ হ'লে স্থিৰ স্বভাৱৰ হয়।
- শৈশৱকালত সুবিচাৰ পালে ডাঙৰ হৈ ন্যায় কৰিবলৈ শিকে।
- অনুমোদন পালে নিজক ভাল পাবলৈ শিকে।
- নিৰাপত্তাৰ মাজত শৈশৱ অতিবাহিত হ'লে লোকক বিশ্বাস কৰিবলৈ শিকে।
- ঠাট্টা আৰু সমালোচনাৰ পৰিৱেশত ডাঙৰ হ'লে ক্ৰমে লাজকুৰীয়া হয় আৰু লোকক নিন্দা কৰিবলৈ শিকে।
- মতবিৰোধ পৰিৱেশে শিশুক কাজিয়া কৰিবলৈ শিকায়।
- 'উপদেশতকৈ আৰ্হি ভাল'— কথাষাৰ মনত ৰাখিলে পিতৃ-মাতৃ পৰাপক্ষত বিপদত নপৰে।

১:৩ *Childhood is the symbol of the future and the hope of all the victories to come.* শিশুৰ উত্তৰণ নিৰ্ভৰ কৰে মূল্যবোধৰ ওপৰত। সৎ আচৰণ আৰু নৈতিক দায়িত্ব ধৰ্মৰ অন্তৰ্গত আৰু আধ্যাত্মিক স্বাধীনতা তথা আত্মাশুদ্ধি হ'ল মোক্ষৰ অন্তৰ্গত। এই দুয়োবিধেই উচ্চ পৰ্যায়ৰ মূল্যবোধ। সত্য, ধৰ্ম, শান্তি, প্ৰেম আৰু অহিংসা— এই পাঁচোটা বিশ্বজনীন গুণক মূল্যবোধৰ শিক্ষাৰ ভেটিৰূপে গ্ৰহণ কৰিব পৰা যায়। চিৰন্তন মূল্যবোধৰ ধাৰণা স্কুলীয়া জীৱন আৰম্ভ হোৱাৰ পূৰ্বে শিশুক উপলব্ধি কৰোৱাব লাগিব। ইয়াৰ সুফল পাবৰ বাবে বৰ্তমান কি কি পদক্ষেপ গ্ৰহণ কৰা উচিত?

- পিতৃ-মাতৃ বা অভিভাৱকসকলে শিশুক সত্য, নিয়মানুৱৰ্তিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সজ আচৰণৰ অভ্যাস কৰিব লাগিব।
- নৈতিক স্খলনক বাধা দিব লাগিব।
- মাতৃসকলে সকলো সময়তে শুদ্ধ পথ দেখুৱাব লাগিব।
- মাতৃয়েই এটি শিশুৰ বাবে সকলো। মাতৃৰ ভূমিকা অদ্বিতীয়, অতুলনীয়।
- পিতৃ-মাতৃয়ে কিতাপ পঢ়াৰ অভ্যাস কৰক। অধ্যয়ন অভ্যাসে সন্তানসকলকো এনে অভ্যাস গঢ়িবলৈ উৎসাহিত কৰে।

◆ সন্তানৰ নিজৰ পচন্দৰ খেলা-ধূলাৰ বাবে মুকলিভাৱে উৎসাহিত কৰক।
◆ পৰনিন্দা, পৰচৰ্চা আদি নিজেও নকৰিব আৰু শিশুকো কৰিব নিদিব।
◆ আমি আশাবাদী হ'ব লাগে আৰু পৃথিৱীখনক ক্ষমা গুণেৰে চাবলৈ যত্ন কৰিব লাগে। সৰুৰেপৰা শিশুক এই কথা শিকাব লাগে।

সৰুৰেপৰা ল'ৰা-ছোৱালীক কেনেদৰে শাসন বা চেনেহ কৰিব লাগে, সেই কথা চাণক্যই এইদৰে কৈছে—

"লালয়েৎ পঞ্চ বৰ্ষানি
দশ বৰ্ষানি তাৰয়েৎ
প্ৰাপ্তেতু ষোৰষে বৰ্ষে
পুত্ৰং মিত্ৰবত্ আচৰেৎ।"

অৰ্থাৎ শিশুক পাঁচ বছৰ পৰ্যন্ত মৰম-চেনেহৰ মাজত ৰাখিব লাগে। পাঁচৰপৰা দহ বছৰ পৰ্যন্ত শাসনৰ বাঘজৰীডাল কটকটীয়া কৰিব লাগে আৰু ষোল বছৰ প্ৰাপ্তিৰ পিচত সন্তানক নিজৰ বন্ধুৰ দৰে জ্ঞান কৰিব লাগে। পিচে আজিকালি অনেক পিতৃ-মাতৃয়ে নিজৰ নিজৰ সন্তানক নীতিগতভাৱে শাসন নকৰি মূৰৰ ওপৰত তুলি ৰখা যেন কৰাৰ বাবেই অনেক কিশোৰ-কিশোৰী বিপথগামী হোৱা বুলি ধাৰণা কৰিব পাৰি। চাণক্যই এইবুলিও কৈছে—

"লালনে বহবো দোষাঃ তাড়লে বহবো গুণাঃ
তস্মাৎ পুত্ৰংচ শিষ্যংচ তাৰয়েন্নাতু লালয়েৎ।"

অৰ্থাৎ বেছিকৈ আদৰ কৰিলে অনেক দোষ হয়, যিদৰে কঠোৰ স্থিতিয়ে লাভজনক ফল দিয়ে। সেয়ে শিষ্য অৰ্থাৎ ছাত্ৰ-ছাত্ৰী আৰু সন্তানক অত্যধিক আদৰ নকৰাটোৱেই হয় সুফলদায়ক।

১:৪ গোলকীকৰণৰ অশুভ প্ৰভাৱত এতিয়া গোটেই বিশ্বৰ লগতে আমাৰ দেশ আৰু ৰাজ্যবো গৰিষ্ঠসংখ্যক জনসাধাৰণৰ মন-মস্তিষ্ক সহজলভ্য ধন-সম্পদৰ পিচত উন্মাদ। সম্পদ আহৰণৰ উন্মাদনাত অনেকেই এতিয়া জলাঞ্জলি দিছে নৈতিকতা। মাত্ৰ যি কোনো উপায়ে আহৰণ কৰিব লাগে ধন আৰু বিলাসী সামগ্ৰী। ইয়াৰ বাবে দিনৌ বৃদ্ধি পাইছে অসৎ উপায় উদ্ভাৱনৰ প্ৰণালী। ফলত ইয়াৰ কু-প্ৰভাৱ পৰিছে উঠি অহা কিশোৰ-কিশোৰীৰ চৰিত্ৰত। কিয়নো তেওঁলোকক সৎ পথ দেখুৱাবলৈ পিতৃ-মাতৃ-অভিভাৱকৰ সময়ৰ অভাৱ।

স্মৰ্তব্য যে, আমাৰ সমাজত এচাম ভ্ৰষ্টাচাৰী লোকৰ সংখ্যাও বৃদ্ধি পাইছে। ভ্ৰষ্টাচাৰী চৰিত্ৰৰ লোক দেখি দেখি কোনো সন্তানেই বিপথগামী

নোহোৱাকৈ নাথাকে। অসৎ লোক থকা মানেই অশান্তি, অনাচাৰ, বিপদ আৰু বিশৃংখলতা। অসৎ ব্যক্তি সম্পৰ্কে চাণক্যই এনেদৰে কৈছে—

"তক্ষকস্য বিষং দন্তে
মক্ষিকায়াস্তু মস্ককে।
বৃশ্চিকস্য বিষং পুচ্ছে
সৰ্বাংগে দুৰ্জনে বিষম।"

অৰ্থাৎ সাপৰ বিষ ইয়াৰ ফণাত, মৌ-মাখি, বৰল আদিৰ বিষ ইয়াৰ শুঙত, বৃশ্চিকৰ বিষ ইয়াৰ নেজত; কিন্তু দুৰ্জন লোকৰ বিষ ইয়াৰ গোটেই দেহত, মন আৰু মস্তিষ্কত। এনে দুৰ্জন লোকৰ সংখ্যা বৃদ্ধিয়ে আমাৰ সমাজৰ উঠি অহা নৱ প্ৰজন্মৰ ভীষণ ক্ষতি কৰাটো স্বাভাৱিক। সুৰক্ষিত হওক আমাৰ দেশৰ নৱপ্ৰজন্মৰ ভৱিষ্যৎ।

২ঃ১ **"Life goes on as never end"**— এটা বিখ্যাত ইংৰাজী গানৰ মাজৰ এষাৰ কথাই তাকেই কয় যে, জীৱনটো এক অন্তহীন প্ৰক্ৰিয়া আগবাঢ়ি যোৱাৰ। প্ৰকৃতাৰ্থত পৰিৱৰ্তনেই জীৱন। ক্ৰমে আমি পৰিৱৰ্তনৰ দিশত আগবাঢ়ি গৈ আছোঁ প্ৰতিদিনে। প্ৰায় কম্পিউটাৰ, ম'বাইল, গেম, কাৰ্টুন আদিবোৰত ব্যস্ত নতুন প্ৰজন্মৰ অধিকাংশই জীৱনৰ প্ৰকৃত মাদকতা হেৰুৱাই আহিছে যেন লাগে। আমাৰ সকলোৰে দায়িত্বও আছে এইক্ষেত্ৰত। এই নতুন প্ৰজন্মক শিকাব লাগে পৰিৱেশ-প্ৰকৃতিৰ লগত একাত্ম হ'বলৈ। কিতাপৰ প্ৰতি তেওঁলোকৰ অনুৰাগ বৃদ্ধিৰ চেষ্টা কৰিবও লাগিব আমি। লগতে অভ্যাস কৰিব লাগিব এখন ভাল কিতাপ উপহাৰ দিয়াৰ। প্ৰতিযোগিতাসমূহত নতুন প্ৰজন্মক কিতাপ প্ৰদানৰ সংস্কৃতি গঢ়িব লাগিব সমাজৰ নেতৃস্থানীয় সুহৃদ ব্যক্তিয়ে। অভিভাৱকসকলে এইক্ষেত্ৰত তেওঁলোকৰ সন্তানক উৎসাহ দিব লাগিব।

২ঃ২ আজিৰ সমাজত ভাল-বেয়া বহুবোৰ বাঢ়ি গৈছে। আমাৰ হাততেই আছে সিদ্ধান্ত কোনটো ল'ম আৰু কোনটো নল'ম। আমাৰ দায়িত্ব অনুজসকলক এইক্ষেত্ৰত সহায় কৰা আৰু অন্ততঃ এটা পৰিৱেশ সৃষ্টিৰ চেষ্টা কৰা, যাৰদ্বাৰা তেওঁলোকে সঠিক পথ দেখা পায়। প্ৰবাদপ্ৰতীম সংগীতসূৰ্য ড° ভূপেন হাজৰিকাদেৱৰ ভাষাৰে কওঁ—

"পৃথিৱীত জনমি সচেতন নহ'লে
প্ৰাপ্যও থিতাতে হেৰাব.........।"

* * * * *

"মহাশূন্যত উপগ্ৰহ সাজি
এয়া গণ-সংযোগ কৰোৱাৰ যুগ
আৰু আণৱিক শক্তিক
দানৱৰূপৰা আমি
মানৱৰ সেৱাত লগোৱাৰ যুগ....।"

আমি যদি সৰ্বাংগীণ উন্নতি কৰিবলৈ বিচাৰোঁ, তেনেহ'লে আমাৰ সচেতন সত্তাত এনে এক দৃঢ় শুদ্ধ মানস-সমন্বয় গঢ়ি তুলিব লাগিব— যি আমাক বাহিৰৰ প্ৰলোভনৰপৰা ৰক্ষা কৰিব পাৰিব, পথ নিৰ্দেশক হৈ থাকি বিপথে যোৱাৰপৰা ৰক্ষা কৰিব, লাইট হাউচৰ দৰে, সঞ্চৰণশীল জীৱন সাগৰৰ ওপৰত আমাৰ বাট আলোকিত কৰি তুলিব।

প্ৰত্যেকেই তেওঁৰ নিজৰ প্ৰবৃত্তি, ৰুচি আৰু আকাংক্ষা অনুসৰি গঢ়ি তুলিব লাগিব এই মানস-সমন্বয়। *"Life without vision, courage and depth is simply a blind experience, small lazy and weak minds always take the easiest way, the path of least resistence."*

২ঃ৩ মই আশাবাদী যে— নৱ প্ৰজন্মই সমাজৰ দুষ্কৃতি নাশি সমাজৰ চোতাল পোহৰাব। ভৱিষ্যতৰ সমাজ জীৱনত সু-সংস্কৃতি আৰু মানৱতাৰ এখন মনোমোহা ফুলনি পাতিব। আমাৰ ৰাজ্যখনৰ উঠি অহা ল'ৰা-ছোৱালীৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আৰু তেওঁলোকৰ উন্নতিকল্পে শিক্ষা-সংস্কৃতিৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সকলোকে নিজৰ নিজৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি যাবৰ বাবে আহ্বান জনাই বুলগেৰিয়ান লেখক ইৰণ ভাজভ্ (Iran Vazav)ৰ দৰেই মই ক'ম—

"মোৰ বিশ্বাস কাইলৈ
জীৱন হ'ব বেছি সুন্দৰ
জীৱন হ'ব বেছি বিজ্ঞ
মোৰ বিশ্বাস সুৰক্ষিত হৈ আছে
মোৰ বলিষ্ঠ বুকুত
আৰু মোৰ বিশ্বাস ভাঙিব পৰা গুলী
ক'তো সজা হোৱা নাই
ক'তো সজা হোৱা নাই।" ■

*('নৱোদয়', সাতপখলী নৱোদয় ক্লাবৰ সোণালী জয়ন্তী, ২০১৫)*

# ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত শিক্ষক-অভিভাৱক আৰু আমাৰ কৰ্তব্য

*"Learning gives creativity*
*Creativity leads to thinking*
*Thinking provides knowledge*
*Knowledge makes you great."*

–Dr. A.P.J. Abdul Kalam

মূল সংস্কৃত 'ৱিদ'ৰপৰা 'বিদ্যা' শব্দটো উৎপন্ন হৈছে। 'হেমকোষ'ৰ মতে বিদ্যা মানে হ'ল— "শিকি অৰ্জন কৰা জ্ঞান, অভ্যাসৰপৰা হোৱা বোধ, Learning knowledge, কৌশল, an art, যাৰদ্বাৰা ধৰ্মাধৰ্ম জনা যায়, দৰ্শন, শাস্ত্ৰ, তত্ত্বজ্ঞান, মন্ত্ৰ, ৪ বেদ, ৬ বেদাংগ, পুৰাণ, মীমাংসা, ন্যায়, ধৰ্মশাস্ত্ৰ, আয়ুৰ্বেদ, ধনুৰ্বেদ, গন্ধৰ্ববেদ, অৰ্থশাস্ত্ৰ, **Science and Literature.**" (হেমকোষ, সপ্তম সংস্কৰণ, ১৯৮৯, পৃ. ৭১৪)। মুণ্ডক উপনিষদৰ মতে বিদ্যা হ'ল সাক্ষাৎ ঈশ্বৰ। বিদ্যাই মানুহক অমৰত্বৰ পথ দেখুৱায়, আনহাতে অবিদ্যা হ'ল মৃত্যু বা সৰ্বনাশৰ মূল। সেয়ে কোৱা হৈছে— 'বিদ্যায়া বিন্দতেৎ মৃতম্'।

এনে পৰম সম্পদ লাভৰ বাবে মাথোন তিনিটা উপায়হে দেৱী পুৰাণে নিৰ্দিষ্ট কৰি দিছে— (ক) গুৰুজনৰ সেৱা, (খ) বিদ্যাৰ্জনৰ বাবে প্ৰভূত ধন ব্যয় আৰু (গ) বিদ্যাৱত্তা অৰ্থাৎ বিদ্যাৰ প্ৰতি তীব্ৰ ধাউতি। বিদ্যা আৰু জ্ঞান ইটো-সিটোৰ পৰিপূৰক। গীতাত কোৱা হৈছে—

"জ্ঞানং তেৎহং সবিজ্ঞান মিদং বক্ষাভ্য শেষতঃ।
য়ং জ্ঞাতা নেহ ভূয়োৎনা জ্ঞাতব্য ভব শিষ্যতে।।"

অৰ্থাৎ— যাক জনাৰ পিচত আৰু জানিবলৈ একো বাকী নাথাকে, তাকেই জ্ঞান বোলে। বিদ্যা-শিক্ষা যদি উদ্দেশ্যধৰ্মী হয়, সৃজনী প্ৰতিভা হ'ব প্ৰস্ফুটিত। যদি সৃজনী প্ৰতিভা প্ৰস্ফুটিত হয়, চিন্তাধাৰা হ'ব নিৰ্গত। চিন্তাধাৰা যদি নিৰ্গত হয়, জ্ঞানদ্যুতি হ'ব বিকিৰিত। জ্ঞানৰ দ্যুতি যদি বিকিৰিত হয়, অৰ্থ ব্যৱস্থাও হ'ব জয়জয় ময়ময়। এনে জ্ঞান গুৰুজনাৰ আশীৰ্বাদ আৰু স্নেহৰদ্বাৰাহে হ'ব পাৰে। মনুসংহিতাতো কোৱা হৈছে—

"যথা খনন্ খনিত্ৰেপ নৰো বাৰ্য্যধিগচ্ছতি
তথা গুৰু গতা বিদ্যা শুশ্ৰূষাং মধি গচ্ছতি।"

ইয়াৰ অৰ্থ— ভূ-গৰ্ভৰ গভীৰলৈ গাঁত খান্দি যেনেদৰে পানী উলিওৱা হয়, তেনেদৰে পৰিশ্ৰম আৰু অধ্যৱসায়পূৰ্বক গুৰুৰ সেৱা কৰি শিষ্যই গুৰুৰপৰা বিদ্যা লাভ কৰিব পাৰে। গুৰুৰ আশীৰ্বাদ আৰু স্নেহ নাপালে যে 'ভুকুতি' আৰু 'মুকুতি' লাভ কৰিব নোৱাৰি বুলি মহাপুৰুষ মাধৱদেৱেও গুৰু ভটিমাত কৈছে এনেদৰে— "বিনে গুৰু চৰণে ভকতি, ৰকতি, মুকুতি, কবহু নোহয়।"

প্ৰকৃতাৰ্থত শিক্ষা হ'ল সত্যৰ অন্বেষণ আৰু শিক্ষক তাৰ কেন্দ্ৰীয় ভিত্তিস্বৰূপ। শিক্ষকে জ্ঞান দিয়ে আৰু বৃহৎ স্বপ্ন আৰু লক্ষ্যৰে বিদ্যাৰ্থীসকলৰ জীৱন গঢ়াত সহায় কৰে। মহামান্য ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° কালামে কৈছে— "শিক্ষকে বিদ্যাৰ্থীসকলৰ মনত আত্মবিশ্বাস জগায় আৰু শিক্ষা আৰু শিক্ষণ পদ্ধতিৰ জৰিয়তে তেওঁলোকৰ মনত 'মই কৰিব পাৰিম' এনে এটি মনোবল জন্ম দিয়াত সহায় কৰে। শিক্ষকৰ জীৱনে একেলগে বহুতো প্ৰদীপ প্ৰজ্বলিত কৰিব পাৰে।"

আমি এনে শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব নোৱাৰোঁনে— য'ত শিক্ষাগ্ৰহণৰ সময়, অৰ্থাৎ বিদ্যালয়লৈ অহা-যোৱা আৰম্ভ কৰাৰেপৰা সংস্থান এটা পোৱালৈকে এই গোটেই সময়খিনিৰ ভিতৰত ল'ৰা-ছোৱালীৰ মুখৰ মিচিকিয়া হাঁহিটো অটুট থাকে! আমি এইটো সম্ভৱ কৰিব পাৰিমনে? এৰা, নিশ্চয় পাৰিম। আমি যদি সম্পূৰ্ণ শিক্ষা ব্যৱস্থাটোক সৃজনশীল কৰোঁ আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে তেওঁলোকৰ দক্ষতা বা কুশলতা আৰু সামৰ্থ্য অনুযায়ী সংস্থান নিশ্চিত কৰিব পাৰোঁ, সেইটো সম্ভৱ হ'ব। সেই অৱস্থা পাবৰ বাবে বিদ্যালয়বিলাক শিক্ষাৰ কেন্দ্ৰ হোৱাৰ সলনি জ্ঞান আৰু দক্ষতাৰ কেন্দ্ৰ হ'ব লাগিব। বিদ্যালয়সমূহে মূল্যবোধ থকা মিছন বা লক্ষ্য অভিমুখী শিক্ষা প্ৰদান কৰিব লাগিব। মনত ৰখা উচিত হ'ব—

"অনন্ত পাৰং কিল শব্দ শাস্ত্ৰং
স্বল্পং তথায়ু্ বহৱশ্চ বিঘ্নাঃ।
য়ৎ সাৰভুতং তদুপাসনীয়ং
হংসৈৰ্য়থা ক্ষীৰমিবাম্বু মধ্যাৎ।।"

শব্দ শাস্ত্ৰ নাইবা জ্ঞান সাগৰ অনন্ত আৰু অপাৰ। কিন্তু তাৰ বিপৰীতে মানুহৰ আয়ুস তেনেই কম আৰু বাধা-বিঘিনি বহু। গতিকে হাঁহে বোকা-পানীৰ মাজৰপৰা নিজৰ খাদ্য গ্ৰহণ কৰাৰ দৰে মানুহেও এই অনন্ত জ্ঞান সাগৰৰপৰা জীৱনত প্ৰয়োজনীয় শিক্ষা আহৰণ কৰিব লাগিব। এইখিনিতে গ্ৰীক শিক্ষক বেষ্টোলজীৰ কথা এষাৰ মনত পৰিছে। তেওঁ কৈছিল— "মোক সাত বছৰৰ বাবে এটি শিশু দিয়া। তাৰ পিচত সেই শিশুটিক ঈশ্বৰ বা চয়তান যিয়েই নিয়ক লাগিলে, তেওঁলোকে শিশুটিৰ একো পৰিৱৰ্তন সাধিব নোৱাৰে।" এয়ে শিক্ষকৰ ক্ষমতা। **তিৰুক্কুৰল**, ৪২১ (২০০ খ্ৰীষ্টপূৰ্ব)ত লিখা আছে— "জ্ঞান এবিধ ধ্বংস ৰোধ কৰিব পৰা অস্ত্ৰ। শত্ৰুৱেও ধ্বংস কৰিব নোৱাৰা ই এটা ভিতৰুৱা দুৰ্গ।" সেইদৰে তেজস্বী মন একোটা এই ধৰাৰ বুকু, ধৰাৰ ওপৰ আৰু ধৰাৰ তল— সকলোতে সবাতোকৈ শক্তিশালী সম্পদ। মানৱ মনৰ সৃজনীশক্তি আৰু কল্পনা সদায় কম্পিউটাৰতকৈ শ্ৰেষ্ঠ। সেয়ে উদ্ভাৱন পদ্ধতিৰ জৰিয়তে জ্ঞান সম্পদলৈ ৰূপান্তৰিত হয়। এক কথাত ক'ব পাৰি যে, জ্ঞান সদায় সমৃদ্ধি আৰু ক্ষমতাৰ প্ৰেৰক বা চালিকা শক্তি।

প্ৰকৃতাৰ্থত আমি কি কি গুণ আহৰণ কৰিব পাৰিলে এজন ল'ৰা বা এগৰাকী ছোৱালীক সু-চৰিত্ৰবান বুলি ক'ব পাৰোঁ? প্ৰথমতেই আমি ক'ম— নৈতিক শিক্ষা গ্ৰহণ আৰু মানৱীয় মূল্যবোধসমূহ আহৰণ কৰা, পৰিয়াল তথা সমাজৰ প্ৰতি দায়বদ্ধতা থকা, নিয়মানুবৰ্তিতা মানি চলা, কৰ্মসংস্কৃতি জগাই তোলা, ভাতৃত্ববোধ জগাই তোলা আদি। ক'বলৈ হ'লে বয়োজ্যেষ্ঠৰ প্ৰতি শ্ৰদ্ধা-ভক্তি, সৰু আৰু নিৰ্যাতিতাৰ প্ৰতি দয়া, মৰম-চেনেহ; ব্যৱহাৰত ভদ্ৰ, অমায়িক, বিশ্বাসযোগ্য; সমনীয়াৰ প্ৰতি ভাতৃ-ভগ্নী অথবা বন্ধুসদৃশ আৰু আনৰ প্ৰতি সদায় সহায়কাৰী তথা মংগলকামী গুণ আহৰণ কৰিব পাৰিলে এজন ল'ৰা বা এগৰাকী ছোৱালীক চৰিত্ৰবান বুলি আমি ক'ব পাৰোঁ। এনে গুণৰ অধিকাৰী ল'ৰা-ছোৱালীয়ে কেতিয়াও কোনো অসামাজিক অথবা অশালীনতাবোধ কৰ্মত নিজক জড়িত কৰিব নোৱাৰে। কিন্তু তাৎপৰ্যপূৰ্ণ কথা যে, নব প্ৰজন্মক চৰিত্ৰ গঠনৰ ক্ষেত্ৰত গুৰুত্ব নিদিয়াকৈ প্ৰচলিত শিক্ষা ব্যৱস্থাৰে

উচ্চ শিক্ষিত অৰ্থাৎ নম্বৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ প্ৰমাণ পত্ৰ অৰ্জন কৰি পোৱা শিক্ষাৰে শিক্ষিত কৰাৰ উদ্যোগে সমাজত অথন্তৰ মানি আনিছে। নৱ প্ৰজন্মৰ চৰিত্ৰ গঠনৰ ক্ষেত্ৰত **বিফল হোৱাৰ কাৰণসমূহ** হ'ল—

১। পিতৃ-মাতৃসকলে নিজ সন্তানক সৰুৰেপৰাই ব্যক্তিকেন্দ্ৰিক তথা স্বাৰ্থান্বেষী চিন্তা-চৰ্চা মগজুত সুমুৱাই দিয়া।

২। জাতিৰ পিতা মহাত্মা গান্ধীৰ চিন্তা-চৰ্চাৰে প্ৰৱৰ্তন কৰা বুনিয়াদী শিক্ষাৰ প্ৰসাৰতাত গুৰুত্ব নিদি ইংৰাজসকলৰ প্ৰৱৰ্তিত চাকৰিকেন্দ্ৰিক শিক্ষা ব্যৱস্থাকেই আঁকোৱালি লোৱা।

৩। আনৰ বিপদত সহায় কৰিবলৈ সন্তানক সৰুৰেপৰা শিকোৱাৰ সলনি এই কামত বাধা দিয়া।

৪। সন্তানক নিজে কৰিব পৰা কামখিনিও কৰিব নিদি আলসুৱা কৰি ৰাখি পৰনিৰ্ভৰশীল হ'বলৈ বাধ্য কৰোৱা।

৫। সমাজৰ বয়োজ্যেষ্ঠসকলে সমাজত ঘটি থকা অপকৰ্মবোৰ দেখি-শুনিও একো মাত নমতা।

৬। সমাজৰ নেতা তথা বয়োজ্যেষ্ঠসকলেও সমাজৰ মংগলতকৈ ব্যক্তিগত মংগলতহে অধিক গুৰুত্ব দিয়া।

৭। ৰংচঙীয়া বাহ্যিকতাৰ প্ৰতি আকৰ্ষিত হৈ অবাস্তৱ চিন্তা-চৰ্চাৰে পিতৃ-মাতৃয়ে সন্তানক ভুল পথেৰে পৰিচালিত কৰা।

ইয়াৰ উপৰি আন কিছুমান কাৰণ নথকা নহয়; যেনে— প্ৰাকৃতিক দুৰ্যোগ, গোলকীকৰণৰ প্ৰভাৱ, অভাৱ-অনাটন, বস্তুবাদী সমাজ ব্যৱস্থাৰ প্ৰভাৱ আদি। মূল কাৰণ হ'ল— পিতৃ-মাতৃ তথা জ্যেষ্ঠসকলৰ উদাসীনতা।

বৰ্তমান সমাজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বাঢ়ি অহা অশৃংখলিত অৱস্থাৰ প্ৰতিকাৰ বা **সমাধানৰ সূত্ৰ** এইদৰে আগবঢ়াব পাৰি—

১। বৰ্তমান পৰিস্থিতিত দৈহিক আৰু মানসিক শক্তিৰে সুস্থ-সবল এটি সন্তানৰ খনিকৰ হ'ল পিতৃ-মাতৃ। তেওঁলোকৰ লগতে ঘৰখনৰ পৰিৱেশ, চুবুৰীয়া আৰু সমাজৰ পৰিৱেশেও সন্তানৰ সুস্থ মানসিকতা গঠনত সহায় কৰিব পাৰে।

২। নিৰপৰাধী জনসাধাৰণৰ হত্যা-হিংসাৰ লগত জড়িত দোষীসকলক প্ৰশাসন বা ন্যায়ালয়েও নিদৰ্শনমূলক শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগে।

৩। ছাত্র-ছাত্রীৰ চৰিত্ৰ গঠনত বা প্ৰতিভা বিকাশৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলে বিশেষ ভূমিকা ল'ব পাৰে। আদৰ্শ শিক্ষক, সমাজ আৰু বিদ্যালয়ৰ সন্মিলিত প্ৰচেষ্টাত অভ্যাস আৰু অধ্যৱসায়ৰ বলত গঠনমূলক কাৰ্যাৱলীৰ প্ৰতি অনুৰক্ত কৰিব পাৰে।

৪। ড° ৰাধাকৃষ্ণণে কৈছিল— "ছাত্ৰ-ছাত্ৰীৰ মগজুত এটা তথ্যৰ ভাণ্ডাৰ সৃষ্টি কৰাই শিক্ষকৰ কাম নহয়; ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তোলাহে শিক্ষকৰ মূল কাম হ'ব লাগে।" এই ক্ষেত্ৰত শিক্ষকৰ ভূমিকা অপৰিসীম।

৫। নৈতিকতা আৰু চৰিত্ৰ গঠন শিক্ষাৰ আধাৰ হোৱা উচিত। দেশৰ চৰকাৰী ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ মানৱীয় উৎকৰ্ষ সাধনৰ গুণসমূহ বিকশিত কৰিব পাৰে। সময়োচিতভাৱে চৰকাৰে লোৱা প্ৰয়াসসমূহ নিতান্তই আদৰণীয় আৰু প্ৰশংসনীয়।

৬। ড° ৰাধাকৃষ্ণণে প্ৰায়ে কৈছিল যে, প্ৰজ্ঞাৰ অনুশীলনৰ সমান্তৰালভাৱে হৃদয়ক সমৃদ্ধিশালী কৰাৰ প্ৰয়াস কৰিব লাগে।

৭। "*Teachers should be the best minds in the country.*" আমাৰ শিক্ষকসকলে আমাক আজি এনে শিক্ষা দিয়ক, যিয়ে আমাক সকলো বন্ধনৰপৰা মুক্ত কৰিব পাৰে, আমাক দৰিদ্ৰতাৰপৰা মুক্ত কৰিব পাৰে, আমাক ব্যাধিৰপৰা মুক্ত কৰিব পাৰে, আমাক অজ্ঞানতাৰপৰা মুক্ত কৰিব পাৰে, আমাক হিংসাৰপৰা মুক্ত কৰিব পাৰে।

৮। ব্যক্তিগত আৰু সামূহিক প্ৰয়োজন লগতে নতুন মূল্যবোধৰ লগত ছাত্ৰ-শিক্ষকৰ সমাযোজন কৰিব পৰাকৈ কেইটামান দিশত গুৰুত্ব দিব লাগিব। সেইকেইটা হ'ল— জানিবলৈ শিক্ষা, কাম কৰিবলৈ শিক্ষা, ভাতৃত্ববোধৰ শিক্ষা আৰু বিকশিত হ'বলৈ শিক্ষা (*Learning to know, learning to do, learning to live together and learning to be*)। প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষাৰ জৰিয়তে পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষা প্ৰদান কৰিব লাগে।

৯। বিশ্বায়নৰ যুগত কেনেদৰে শিক্ষাদান আৰু শিক্ষা গ্ৰহণ কাৰ্য সফল কৰিব পাৰি, সেই সম্বন্ধে জানিবৰ বাবে অভিৰোচনৰ কৌশলসমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে।

১০। পিতৃ-মাতৃসকলে ল'ৰাৰ সমান্তৰালভাৱে ছোৱালীকো সু-শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এটা জাতি তথা দেশ এখনৰ উন্নতি আৰু প্ৰগতিৰ ক্ষেত্ৰত ছোৱালীৰ অৱদান উল্লেখনীয়। এই সংক্ৰান্তত নেপোলিয়নে কৈছিল— "*Give me ten good mothers and I will give you a great nation.*" এই প্ৰসংগত ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল— "*Education of boy is education of one person, but education of a girl is the education of entire family.*"

**ছাত্ৰ-ছাত্ৰীসকললৈ পৰামৰ্শাৱলী ঃ**

১। ভাল ছাত্ৰ বা ছাত্ৰী হ'ব খুজিলে হ'ব লাগিব সত্যৰ উপাসক, অধ্যয়নস্পৃহা আৰু স্বাস্থ্যৰ উপাসক।

২। সদায় ঈশ্বৰলৈ ভক্তি আৰু পিতৃ-মাতৃ, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা কৰা।

৩। সদায় সৎ চিন্তাত নিমজ্জিত থাকা, সৎ কৰ্ম তোমাৰ সহায় হ'ব আৰু তোমাৰ চতুৰ্দিশ সৎ হৈ সকলো সময় তোমাক সহায় কৰিবই কৰিব।

৪। তোমাৰ আচৰণ পৰিমাৰ্জিত কৰা। তোমাৰ আচৰণৰপৰা আনৰ গাত কাঁইটৰ খোঁচ লগাৰপৰা কথাবোৰ আঁতৰাই পেলোৱা। "*You can not change others, but you can change yourself.*"

৫। আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পবিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা।

৬। ইংৰাজীত এষাৰ কথা আছে— "*Faith is the best substitute genius.*" জীৱনৰ প্ৰতিটো সফলতাৰ মূলতে আত্মবিশ্বাস। আত্মবিশ্বাসে মনত অনুপ্ৰেৰণা যোগায় আৰু সফলতাক নেতৃত্ব দিয়ে।

৭। পবিত্ৰ কোৰাণত আছে— "**হে সতি-সন্ততিসকল, তোমালোকৰ মাৰা-বাপেৰাৰ ভিতৰৰ এজন নাইবা দুয়োজন যদি বৃদ্ধ হয়, তোমালোকে তেওঁলোকৰ প্ৰতি মৰম-চেনেহ আৰু আগ্ৰহ দেখুৱাবা। তেওঁলোকৰ আগত অহংকাৰ নেদেখুৱাবা। আল্লাহৰ দয়াৰ কথা ক'বা।**" কোৰাণত আকৌ কৈছে— "**মই মানুহক পিতা-**

মাতাৰ খেদমত কৰিবলৈ আদেশ দিছোঁ। যিহেতু তেওঁলোকৰ মাতৃয়ে বহু কষ্টেৰে দহ মাহ গৰ্ভত ৰাখি চলা-ফিৰা কৰিছে আৰু কষ্টেৰে প্ৰসৱ কৰিছে।" এনেধৰণৰ সজ নিৰ্দেশ বাইবেলৰ **'Old Testament'** আৰু **'New Testament'**ৰ **'Exodus'** অধ্যায়ত লিখা আছে— *"Honour thy father and thy mother : that thy days may be long upon the land which the Lord thy, God given thee."* আকৌ **'Old Testament'**ৰে **'The Proverbs'** অধ্যায়ত কৈছে— *"Whoso Curseth his father or his mother, his lamp shall be put out in obscure darkness."* **'New Testament'**ৰ **'Colossains'** অধ্যায়ত নিৰ্দেশ দিছে— *"Children, obey your parents in all things : for this is well pleasing unto the Lord."*

৮। ৰামায়ণত উল্লেখ কৰা এটি বাণী আমি সকলোৱে মনত ৰখা উচিত। সেয়া হ'ল— *"পৃথিৱীত মা সকলোতকৈ ডাঙৰ, পিতা স্বৰ্গতকৈ ওখ। জননী আৰু জন্মভূমি স্বৰ্গতকৈও শ্ৰেষ্ঠ।"*

৯। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাৰে ক'ব খোজোঁ—

"মনটো হয় য'ত নিৰ্ভীক
আৰু শিৰ উন্নত
জ্ঞান য'ত অবাধ মুক্ত
পৃথিৱীখন য'ত খণ্ড-বিখণ্ড হোৱা নাই...
হে মোৰ পিতৃদেৱতা!
মোৰ দেশৰ মাতৃক জাগ্ৰত কৰা।"

সাৰাংশ ঃ

"ন হি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।" —জ্ঞানৰ নিচিনা পবিত্ৰ বস্তু আৰু ইহজগতত নাই। জ্ঞানৰ প্ৰতি নিভাঁজ শ্ৰদ্ধাই যদি জ্ঞান অৰ্জনৰ কাৰণ নহয়, তেনেহ'লে আন কাৰণে অৰ্জা জ্ঞানে কেতিয়াও সুখ-শান্তি দিব নোৱাৰে।

যি শিক্ষাই নৈতিক চৰিত্ৰ গঠনত সহায়ক নহয়; পিতৃ-মাতৃ, জ্যেষ্ঠজনক ভক্তি কৰিবলৈ নিশিকায়, সেই শিক্ষাই কেতিয়াও এগৰাকী ব্যক্তিক পূৰ্ণাংগ

শিক্ষা প্ৰদান কৰিব নোৱাৰে। আজিৰ ছাত্ৰ-ছাত্ৰীক আমাৰ নিজৰ জাতীয় শিক্ষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ অনুপ্ৰাণিত কৰাটোৱে আজিৰ পৰিপ্ৰেক্ষিতত আটাইতকৈ ফলপ্ৰসূ চিন্তা। এনে চিন্তাৰে নতুন প্ৰজন্মক সঠিকভাৱে পৰিচালিত কৰিব লাগিব, যাতে তেওঁলোকৰ জীৱনে সঠিক পথৰ সন্ধান পায়। তেওঁলোকৰ সৃষ্টিধৰ্মিতাক জাতিষ্কাৰ হ'বলৈ দিব লাগিব। আমাৰ অভ্যন্তৰৰ সুপ্ত শক্তিক উদ্দীপ্ত কৰিব লাগিব, যাতে ই আমাক পথ দেখুৱাব পাৰে। নিজৰ ভুলৰপৰা শিক্ষা আহৰণ কৰি সুন্দৰতৰ জীৱন গঢ়িব লাগিব। এনেধৰণৰ চিন্তাৰে অগ্ৰসৰ হ'লে হয়তো শিক্ষা-সংস্কৃতিৰ বিকাশৰ লগতে মনৰ স্থিৰতাও আহিব আৰু অপৰাধপ্ৰৱণতা কিছু পৰিমাণে হ'লেও হ্ৰাস পাব। এখন শান্তিপূৰ্ণ, সমৃদ্ধিশালী, মূল্যবোধসম্পন্ন সমাজত আমি সকলো মানুহে সুখে-সন্তোষে একে মাতৃৰ সন্তান হিচাপে জীয়াই থকাৰ পৰিৱেশ আহিব। জনগণৰ ৰাষ্ট্ৰপতি প্ৰয়াত ড° এ.পি.জে. আব্দুল কালামদেৱৰ ৰচিত এটি কবিতাৰ ভাষাৰে—

"আমি আটায়ে ঈশ্বৰৰ সন্তান
হীৰাতকৈও দৃঢ় আমাৰ মন
আমি জয়লাভ কৰিম
জয়লাভ কৰিম—
প্ৰবল ইচ্ছাশক্তিৰ জোৰত।
ঈশ্বৰ লগত থাকিলে
কোননো যাব আমাৰ বিৰুদ্ধে!" ■

*('স্মৃতিগ্ৰন্থ', সোণালী জয়ন্তী বৰ্ষ, ফুটুৰী মধ্য ইংৰাজী বিদ্যালয়, ২০১৫)*

# সংগীত ঃ গায়কৰ গুণ-অৱগুণ প্ৰসংগ

নহি বিদ্যা সংগীতাৎ পৰা— অৰ্থাৎ সকলো কলাৰ ভিতৰত সংগীতেই শ্ৰেষ্ঠ কলা। গ্ৰীক দাৰ্শনিক পাইথাগোৰাছৰ মতে— **"সংগীত হ'ল সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ ঐক্য আৰু সংহতিৰ প্ৰতীক।"** কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত— **"সংগীতৰ লগত মানুহৰ সম্পৰ্ক হৈছে প্ৰাণৰ সম্পৰ্ক।"** বিধাতাৰ শ্ৰেষ্ঠ মানৱ আৰু মানৱৰ শ্ৰেষ্ঠ শিল্পকৰ্ম সংগীত কলা। এই ভগৱান প্ৰদত্ত জ্ঞান সংগীতে সমগ্ৰ মানৱ জাতিৰ শৰীৰ, আত্মা তৃপ্ত কৰাৰ লগতে ইয়াৰ চিৰ নতুন সৃষ্টি-সাধনাত ব্ৰতী হৈ বিশ্বৰ প্ৰতিটো অংশ, প্ৰতিটো জাতি-জনগোষ্ঠীৰ পৰিচয় দাঙি ধৰাৰ লগতে জীৱন ধন্য কৰাত শত-সহস্ৰ শিল্পী জড়িত আছে।

জ্ঞান-বিজ্ঞানৰ লগতে গীত, ছন্দ, লয়, তালৰ ফল্গুধাৰা এই ভাৰতবৰ্ষ। তানসেন, মীৰাবাঈ, কবীৰৰ দেশ এই ভাৰতবৰ্ষ। প্ৰাচীন কালৰপৰা নৃত্য, বাদ্য, সুৰৰ সৃষ্টি হৈ আহিছে এই ভাৰতবৰ্ষত। কি ৰজাঘৰ, কি প্ৰজাঘৰ, সৃষ্টিশীলতাই ভাৰতৰ সমাজ জীৱনৰ বৈশিষ্ট্যৰূপে স্বীকৃত। গুপ্তযুগেই তাৰ জ্বলন্ত প্ৰমাণ। পৰৱৰ্তীকালৰ মুছলমান শাসনত ভাৰতীয় সংস্কৃতিয়ে আন এক ন সাজেৰে নিজকে সজাই-পৰাই বিশ্বদৰবাৰত পৰিচিত হয়।

ভাৰতীয় সংগীতৰ এটা পুৰণি ইতিহাস আছে; যি ইতিহাস মতে নাৰদ মুনিয়ে পৃথিৱীত সংগীত আৰম্ভ কৰিছিল। 'গীত' শব্দৰ লগত 'সম' উপসৰ্গৰ যোগ হৈ 'সংগীত' শব্দৰ সৃষ্টি হৈছে। 'সংগীত পৰিভাষা' গ্ৰন্থৰ মতে **'গীতং বাদ্যং চ নৃত্যং চ ত্ৰয়ং সংগীত মুচ্যতে'**; অৰ্থাৎ গীত, বাদ্য আৰু নৃত্য— এই তিনিওটাৰ সুমিলনেই সংগীত। সংগীত এনে এবিধ কলা, যি কেৱল মানৱ মনৰ সূক্ষ্ম অনুভূতি জাগ্ৰত কৰি অনাবিল আনন্দ প্ৰদানেই নকৰে; বৰঞ্চ আধ্যাত্মিক উন্নতি প্ৰদান কৰি দেহ-মন সুস্থ-সবল কৰি ৰখাত সহায় কৰে। পাশ্চাত্য মনীষী গ্ৰীক দাৰ্শনিক এৰিষ্ট'টলেও একে সুৰতে কৈছিল— সংগীত হ'ল মানৱৰ

আধ্যাত্মিক সাধনৰ মাধ্যম। বিখ্যাত মনীষী কনফুচিয়াচে কৈছিল— *"Beothins dividen in music into the harmony of the universe, the harmony of soul and body and the harmony of sounding tones."*

ভাৰতীয় বিদ্বান, দাৰ্শনিক, পণ্ডিতসকলৰ মতামত অনুসৰি য'তে সংগীত, তাতেই ভগৱান বিদ্যমান। ভগৱান শ্ৰীবিষ্ণুৱে নিজৰ শ্ৰীমুখেৰে নাৰদক কৈছিল— **"অহম ন তিষ্ঠামি বৈকুণ্ঠে, যোগীনং হৃদয়ে ন চ, মদভক্তা যত্ৰ গায়ন্তি তিষ্ঠামি তত্ৰ নাৰদ।"** একেই স্বৰ ধ্বনিত হৈছে মহাপুৰুষ মাধৱদেৱৰ ৰচনাত—

"একান্ত ভকতসৱে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাক হৰি সাক্ষাতে তথাত।"

সেয়েহে ভাৰতীয় দৰ্শন অনুসৰি সংগীত ঈশ্বৰপ্ৰাপ্তিৰ সাধন বুলি অভিহিত কৰিছে। মোক্ষপ্ৰাপ্তিৰ একমাত্ৰ মাৰ্গ। গ্ৰীক দাৰ্শনিক পাইথাগোৰাছে কৈছে— "বিশ্বৰ মূলীভূত যি ঐক্য-সংহতি, তাৰেই প্ৰকাশ সংগীত।"

পণ্ডিতসকলৰ মতে— 'শৰীৰ মাদ্যং খলু ধৰ্মসাধনম্'। অৰ্থাৎ সকলো ধৰ্মৰ প্ৰথম সাধন আমাৰ শৰীৰ। যদি শৰীৰ সুস্থ থাকে, তেতিয়া আমাৰ জীৱন কল্যাণময় আৰু শান্তিময় হৈ উঠে। স্বাস্থ্যৰ প্ৰসন্নতাই মনৰ প্ৰসন্নতা— আৰু এইবোৰৰ বাবে সংগীত শ্ৰৱণ আৰু সাধনেই একমাত্ৰ উপায়। সংগীতক এটা জাতিৰ দাপোণ বুলি কয়।

*'Man does not live by bread.'* মানৱৰ বাবে শৰীৰৰ আহাৰেই যথেষ্ট নহয়। মানসিক শক্তি, চিন্তাশক্তি, আৱেগ-অনুভূতিসম্পন্ন মানৱ হ'বলৈ একমাত্ৰ সংগীতৰ দৰকাৰ। চিন্তাবিদসকলে কয়—

"সাহিত্য সংগীত কলাবিহীনঃ।
সাক্ষাৎ পশু পুচ্ছ বিষাণহীনঃ।।
তৃণং ন খাদন্নপি জীৱমানঃ।
তদ্ভাগধেয় পৰমং পশুনাম্।।"

অৰ্থাৎ সাহিত্য-সংগীত-কলাবিহীনজন সাক্ষাৎ পশুৰ তুল্য। ইংৰাজী নাট্যকাৰ শ্বেক্সপীয়েৰে একে ভাৱত তেওঁৰ ৰচনাত উল্লেখ কৰিছিল—

"যিজন ব্যক্তিয়ে ফুল, শিশু আৰু সংগীত ভাল নাপায়, তেওঁ অতি সহজে এজন হত্যাকাৰী হ'ব পাৰে।" *"The man that no music in himself, nor is moved with concerned of sweet sounds, is fit for treasons, stragems and spoils."* মানুহৰ জন্মৰপৰা মৃত্যু পৰ্যন্ত এনে এটি ক্ষণ নাই, য'ত সংগীতৰ প্ৰয়োজনীয়তা নাই। সংগীতৰ বাহিৰে আন কোনো বস্তু নাই, যিয়ে আজীৱন সংগ দিয়ে।

উল্লেখ্য, বৈদিক যুগত ভাৰতবৰ্ষৰ সংগীত চৰ্চাৰ বিষয়ে বুৰঞ্জীত যথেষ্ট সমল পোৱা যায়। বেদ সনাতন আৰ্য ধৰ্মৰ পবিত্ৰ ধৰ্মগ্ৰন্থ। 'সাম' শব্দৰ অৰ্থই হৈছে গান। সামবেদৰ পুৰোহিত উদ্‌গাতাই যজ্ঞত সামবেদৰ সামগান গায়। ভাৰতীয় মাৰ্গ সংগীতৰ মূলসুঁতি সামবেদৰপৰাই বৈ আহিছে। গতিকে ভাৰতীয় সংগীতত সামবেদৰ অৱদান সৰ্বজনস্বীকৃত। ঋষি শাৰংগদেৱ, ৰামস্বামী আয়াৰ আদিয়ে তেওঁৰ গ্ৰন্থত মাৰ্গ সংগীত আৰু বৈদিক সংগীতৰ সম্পৰ্কৰ কথা স্বীকাৰ কৰিছে। এই সন্দৰ্ভত ই.বি. হেভেলে (E.B. Hevell) তেওঁৰ **'The Ideals of Indus Art'** নামৰ পুস্তকত এইবুলি উল্লেখ কৰিছে— *"The Vedic period in all important for a very brief of its History, the Vedic impules in behind all."*

জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ অসমখন বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকগীত-নৃত্যৰেই বৰ্ণাঢ্য। কিন্তু ভাৰতৰ অন্য ৰাজ্যৰ তুলনাত অসমত এতিয়া সংগীত চৰ্চা ভালেখিনি পিচপৰি আছে। অসমত প্ৰচলিত সংগীতৰ ধাৰা দুটা ভাগত বিভক্ত— ৰাগ সংগীতৰ ধাৰা আৰু লোক-সংগীতৰ ধাৰা। অসমৰ ৰাগ সংগীতৰ উত্তম উদাহৰণ হৈছে শংকৰ-মাধৱ গুৰু দুজনাৰ ৰচিত বৰগীতসমূহ। ৰাগ-তালযুক্ত বৰগীতসমূহ সাধাৰণতে আধ্যাত্মিক ভাবযুক্ত। আনহাতে প্ৰাচীন শিলালিপি, তাম্ৰলিপি আদিৰ যোগেদি প্ৰাচীন অসমৰ সংগীত চৰ্চাৰ জ্ঞান পোৱা যায়। চৰ্যাগীতসমূহ অসমৰ সংগীতৰ এক উল্লেখযোগ্য অংশ। বিংশ শতিকাত অসমত হিন্দুস্তানী ৰাগ সংগীতৰ এটা পৰিৱেশ গঢ়ি উঠিছিল। লক্ষ্মীৰাম বৰুৱা আছিল অসমত হিন্দুস্তানী ৰাগ সংগীতৰ বাটকটীয়া।

সংগীত শিক্ষাৰ বা পৰিৱেশনৰ সময়ত যিটো স্বৰক মাধ্যম ৰূপে অৱলম্বন কৰি সুৰৰ স্থিতি ৰক্ষা কৰা হয়, তাকেই স্কেল বোলা হয়। নিজ কণ্ঠস্বৰৰ স্বাভাৱিক ধ্বনিৰে 'আ' বা 'ওম্' উচ্চাৰণ কৰোঁতে হাৰমনিয়ামৰ যিটো পৰ্দাৰ স্বৰৰ সৈতে কণ্ঠস্বৰ মিলোৱা হয়, সেই পৰ্দাৰ স্বৰটোকেই মধ্য সপ্তকৰ 'সা'

ৰূপে মানি লোৱা হয়। তাৰ পিচত ক্ৰমানুসাৰে উচ্চ পৰ্দাৰ স্বৰসমূহ অতিক্ৰম কৰাৰ পিচত যিটো সপ্তম স্বৰ পোৱা হ'ব, সেই স্বৰটোক তাৰ সপ্তকৰ 'সা' ৰূপে (ৰে, গ, ম, প, ধ, নি) মধ্য সপ্তকৰ স্বৰৰূপে গ্ৰহণ কৰা হয়। এইদৰে ক্ৰমানুসাৰে স্বৰসমূহ অতিক্ৰম কৰাৰ পিচত যিটো সপ্তম স্বৰ পোৱা হ'ব, সেই স্বৰটোক তাৰ সপ্তকৰ 'সা' ৰূপে পৰিগণিত কৰা হয় আৰু পৰৱৰ্তী ৰে, গ, ম, প, ধ, নি স্বৰ ক্ৰমশঃ তাৰ সপ্তকৰ স্বৰ ৰে, গ, ম, প, ধ, নি ৰূপে গ্ৰহণ কৰা হয়। সংগীত শিক্ষা আৰু পৰিৱেশনৰ ক্ষেত্ৰত স্কেলৰ জ্ঞান থকা অতি প্ৰয়োজনীয় আৰু গুৰুত্বপূৰ্ণ।

স্মৰ্তব্য যে, হাৰমনিয়ামৰ তিনিটা ভাগ আছে। প্ৰথম ভাগটোক উদাৰা বা মন্দ্ৰ সপ্তক, দ্বিতীয় ভাগটোক মুদাৰা বা মধ্য সপ্তক আৰু তৃতীয় ভাগটোক তাৰ বা তাৰ সপ্তক বুলি কোৱা হয়। হাৰমনিয়ামৰ তিনিওটা সপ্তকৰ ক্ৰমগতি অনুসৰি প্ৰথম বগা পৰ্দাটো 'সা', কাষৰ ক'লা পৰ্দাটো কোমল 'ৰে', তাৰ কাষৰ বগা পৰ্দাটো শুদ্ধ 'ৰে', তাৰ কাষৰ ক'লা পৰ্দাটো কোমল 'গ', তাৰ কাষৰ বগা পৰ্দাটো শুদ্ধ 'গ', তাৰ কাষৰ বগা পৰ্দাটো শুদ্ধ 'ম' বা কড়ি 'ম', ক'লা পৰ্দটো তীব্ৰ 'ম', তাৰ কাষৰ বগা পৰ্দাটো 'গ', তাৰ কাষৰ ক'লা পৰ্দাটো কোমল 'ধ', বগা পৰ্দাটো শুদ্ধ 'ধ', তাৰ কাষৰ ক'লা পৰ্দাটো কোমল 'নি' আৰু বগা পৰ্দাটো শুদ্ধ 'নি'। এইদৰেই তাৰ সপ্তকৰ 'সা'ৰপৰা তাৰ সপ্তকৰ স্বৰসমূহ ধ্বনি হয়।

উল্লেখযোগ্য যে, হাৰমনিয়ামৰ পৰ্দা অনুসৰি পাশ্চাত্য স্বৰসমূহ হ'ল এনে ধৰণৰ— C, D, E, F, G, A, B। পাশ্চাত্য সংগীতত হাৰমনিয়ামৰ ক'লা পৰ্দাক ছাৰ্প (Sharp) আৰু বগা পৰ্দাক ফ্লেট (Flat) বোলা হয়। পাশ্চাত্য সংগীত পদ্ধতি মতে একোটা সপ্তকৰ ১২ স্বৰৰ স্থাপনা এনে ধৰণৰ— C, C Sharp, D, D Sharp, E, F, F Sharp, G, G Sharp, A, A Sharp, B।

ভাৰতীয় সংগীত পদ্ধতিৰ মন্দ্ৰ, মধ্য আৰু তাৰ— এই তিনিটা সপ্তকৰ দৰে পাশ্চাত্য পদ্ধতিৰো তিনিটা 'টোন' (Tone) আছে— **Major Tone, Minor Tone** আৰু **Semi Tone**। ভাৰতীয় সংগীত পদ্ধতিৰ সৈতে পাশ্চাত্য সংগীতৰ স্বৰ স্থাপনৰ যথেষ্ট মিল আছে যদিও ব্যৱহাৰিক পদ্ধতি একে নহয়। সি যি কি নহওক, যি কোনো সাংগীতিক ৰচনাক শুদ্ধ আৰু সুন্দৰভাৱে ৰূপায়িত কৰিবলৈ হ'লে পোনতে স্বৰজ্ঞানৰ আৱশ্যক। প্ৰত্যেক

সংগীত শিক্ষাৰ্থীৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য স্বৰসাধনৰ অনুশীলন কৰা।

মনত ৰখা উচিত হ'ব যে, মধুৰ কণ্ঠ আৰু সংগীতৰ পূৰ্ণ জ্ঞান থকা সত্ত্বেও যদি কোনো প্ৰকাৰৰ আনুষংগিক দোষ-ত্ৰুটি দেখা পায়, তেতিয়া নিশ্চয় শ্ৰোতা আৰু দৰ্শকৰ বিদ্ৰূপৰ সন্মুখীন হ'বলগীয়া হয়।

গায়কৰ দোষ বা অৱগুণৰ বিষয়ে শাৰংগদেৱৰ 'ৰত্নাকৰ'ত বৰ্ণনা কৰা নিন্দনীয় দোষসমূহ হ'ল—

- তাল কাটি গোৱা।
- স্বৰ আৰু শব্দ অস্পষ্টভাৱে গোৱা।
- নীতিহীনভাৱে সংগতি নোহোৱাকৈ গোৱা।
- যথাস্থানত সুৰ নিমিলাই গোৱা।
- ৰসহীনভাৱে খেকাৰি খেকাৰি গোৱা।
- অসাৱধানভাৱে গোৱা।
- নাকী সুৰে গোৱা আদি।

আনহাতে গায়কৰ সুলক্ষণ বা গুণৰ বিষয়ে শাৰংগদেৱৰ 'ৰত্নাকৰ'ত উল্লেখ আছে—

- বিভিন্ন প্ৰকাৰ তালৰ জ্ঞান থকা।
- যি সদায় অনুশীলনৰত অৰ্থাৎ সক্ৰিয়।
- যিজন সাৱধানী বা একাগ্ৰচিত্ত।
- গীতত অনায়াসে গমকৰ প্ৰয়োগ কৰা।
- ৰাগ-ৰাগাংগ, ভাষাংগ, ক্ৰিয়াংশ, উপাংশ আদিৰ বিষয়ে সম্যকভাৱে জনা।
- আনন্দদায়ক মধুৰ কণ্ঠস্বৰ।
- গাওঁতে বা বজাওঁতে যিজন পৰিশ্ৰান্ত নহয়।
- যিজনে উচ্চমান বিশিষ্ট গুৰুৰ শিষ্যত্ব গ্ৰহণ কৰিছে।

**পৰিশিষ্ট ঃ** কলাৰ শাব্দিক অৰ্থ সৌন্দৰ্যৰ অভিব্যক্তি। চৌষষ্ঠি কলাৰ ভিতৰত সংগীত কলা এক অপূৰ্ব কলা। গীত-বাদ্য আৰু নৃত্যৰ সমাৱেশত সৃষ্টি হোৱা সংগীত কলা প্ৰকৃততে ভগৱানৰ এক অপূৰ্ব দান। সংগীতে মানৱ মনত চিত্ত বিনোদন, চিত্ত শোধন আৰু চিত্ৰ একত্ৰীকৰণ— এই তিনিটা প্ৰতিক্ৰিয়া কৰিব পাৰে। ভাৰতীয় সমাজত সংগীত কলা সকলো ধৰ্মৰে এক অনুপম অংগস্বৰূপ। সংগীত এনে এবিধ কলা, যি জাতি-ধৰ্ম নিৰ্বিশেষে আবাল-

বৃদ্ধ-বনিতা সকলোৰে সম অধিকাৰে চৰ্চা কৰিব পাৰে। ভাৰতীয় সংগীতৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি শুদ্ধ ৰূপত চৰ্চা কৰি আগবঢ়াই নিলে নিজৰ লগতে ভাৰতবাসীয়ে সংগীতক লৈ বিশ্বদৰবাৰত গৌৰৱ কৰিব পাৰিব।

সংগীত শিক্ষাৰ্থী বা ছাত্ৰ-ছাত্ৰী অথবা কণ্ঠ সংগীতৰ লগত জড়িত ব্যক্তিয়ে কণ্ঠস্বৰক বৈজ্ঞানিক প্ৰণালীৰে নিজ গুৰুৰ উপদেশমতে নিয়মিতভাৱে ৰেৱাজৰদ্বাৰা স্বৰ আয়ত্ত কৰা, মন্ত্ৰ স্বৰৰ ওপৰত ন্যাস বা বিশ্ৰামৰ অভ্যাস কৰি সাৱধানে মধ্য 'সা'ৰ মধুৰৰপৰা মধুৰত্ব কৰি শ্ৰোতাক আনন্দ দিব পৰা, তদুপৰি স্বৰসমূহ নিজৰ স্থানত সঠিক প্ৰয়োগ হৈছে নে নাই ইত্যাদি লক্ষ্য ৰাখি কণ্ঠ সাধনা কৰাকেই **Voice Culture** বা কণ্ঠ সংস্কৰণ বুলি কোৱা হয়। খালীপেটে কেতিয়াও ৰেৱাজ কৰিব নালাগে। খাই উঠাৰ পাচত লগে লগে ৰেৱাজত বহা কণ্ঠৰ বাবে হানিকাৰক। খোলা আৱাজেৰে কণ্ঠস্বৰ সাধনা কৰিব লাগে। সপ্তকৰ স্বৰ প্ৰয়োগৰ সময়ত অতি ধ্যান, মন স্থিৰ কৰি কিছুসময় ন্যাস বা বিশ্ৰাম লৈ শুনাৰ অতি প্ৰয়োজন। অসুস্থ শৰীৰ, অশান্ত মন, অধৈৰ্য মেজাজে সংগীত সাধনাৰ অগ্ৰগতিত বাধা দিয়ে। সেয়ে ৰেৱাজ কৰাৰ পূৰ্বে শৰীৰ, মন, মেজাজ সদায় মুক্ত থকাটো প্ৰয়োজন। কণ্ঠ সাধনা হ'ল এটা ধ্যান, উপাসনা, প্ৰাৰ্থনা। কবিৰ ভাষাৰে কওঁ—

"যুঁজিব লাগিব
জিনিব লাগিব
কুসুম-বনৰ ৰণ
মুহিব লাগিব বিশ্ববাসীৰ মন
তোৰ প্ৰতিভাৰে পাতিব লাগিব
সুশোভিত উপবন।" ●●

*('জৱাহৰজ্যোতি', জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো, ২০১৫)*

# সুধাকণ্ঠৰ সান্নিধ্যৰ সুবাস আৰু শুভাশিস

ড° ভূপেন হাজৰিকা অসম আৰু অসমীয়াৰ প্ৰাণৰো প্ৰাণ, মনৰো মন এক মহান অনুষ্ঠানৰ নাম, এক জাতীয় সম্পদ। অবিভক্ত অসমৰ পাহাৰ-ভৈয়ামৰ মাজেদি বুঢ়া লুইত যিদিনালৈ বৈ থাকিব, লুইত উপত্যকাৰ দুই পাৰত যিমান দিনলৈ আমাৰ বৰ্ণাঢ্য জাতি-জনগোষ্ঠী-সম্প্ৰদায়সমূহৰ বহুৰঙী মনোৰম সংস্কৃতিৰ আখৰা চলিব, সেই অনন্তকাললৈ ড° হাজৰিকাৰ গীত-সুৰৰ প্ৰতিধ্বনিয়ে আমাৰ জীৱন সজীৱ আৰু সক্ৰিয় কৰি ৰাখিব।


নিচেই সৰু অৱস্থাৰপৰাই মনত ভাব পুহি ৰাখিছিলোঁ বিশিষ্ট শিল্পী-সুৰকাৰ, সু-পণ্ডিতগৰাকীক কেতিয়াবা সোঁশৰীৰে প্ৰত্যক্ষ কৰিবলৈ। আমাৰ ভাগ্যচক্ৰত ড° ভূপেন হাজৰিকাক লগ ধৰাৰ সৌভাগ্য মিলিল কেইবাটাও দিনত।

বিগত ১৯৮৪ চনৰ আগষ্ট মাহ। পলাশবাৰীত **'সদৌ অসম ভূপেন্দ্ৰ সংগীত'** প্ৰতিযোগিতালৈ আহিছিল ড° ভূপেন হাজৰিকা। তাত তেওঁ নিজেই উপভোগ কৰিছিল শতাধিক প্ৰতিযোগীৰ কণ্ঠত ভূপেন্দ্ৰ সংগীত। মই তেতিয়া কলেজীয়া ছাত্ৰ। মোৰ ভাইটি দিলীপে উক্ত প্ৰতিযোগিতাৰ 'খ' শাখাত অংশগ্ৰহণ কৰি প্ৰথম স্থান লাভ কৰিছিল। নিশা অনুষ্ঠিত বঁটা বিতৰণী সভাত ড° ভূপেন হাজৰিকাই বঁটা প্ৰদান কৰি দিলীপক আশীৰ্বাদ দিছিল। সেই অনুষ্ঠানৰ বিশেষ দায়িত্ব বহন কৰা মাননীয় থানেশ্বৰ কুমাৰৰ সহযোগত প্ৰথমবাৰৰ বাবে মই ড° ভূপেন হাজৰিকাৰ শ্ৰীমুখ দৰ্শন কৰিছিলোঁ আৰু তেওঁৰ শ্ৰীচৰণ চুই সেৱা কৰিছিলোঁ। প্ৰসংগক্ৰমে উল্লেখ্য, দিলীপে কণ্ঠদান কৰা গীতটো আছিল—

"তেজ দিলা ত্যাগ দিলা
প্ৰাণ দিলা ডেকা বন্ধু
পুনু আহিবা আহি যুঁজিবা
যুঁজিবাই ডেকা বন্ধু...।"

এই গীতটো শিকাইছিল ছয়গাঁৱৰ অনাতাঁৰ শিল্পী সুৰেণ ঠাকুৰীয়াৰ জীয়ৰী কমলা ঠাকুৰীয়াই। এই সফলতাৰ আঁৰত কণ্ঠশিল্পী প্ৰতাপ বড়োৰো অৱদান অনস্বীকাৰ্য। তেতিয়াৰপৰাই ভূপেন্দ্ৰ সংগীতৰ প্ৰতি আকৰ্ষিত হৈছিলোঁ আৰু পৰৱৰ্তী সময়ত বিশ্ববিশ্ৰুত শিল্পীজনাক পুনৰ দেখা কৰাৰ মন জাগ্ৰত হৈছিল।

১৯৮৭ চন। মে' মাহৰ ৩ তাৰিখ। ছয়গাঁৱত অনুষ্ঠিত সদৌ অসম কৰ্মচাৰী পৰিষদৰ বাৰ্ষিক অধিৱেশনত ভাগ ল'বলৈ আহোঁতে ড° ভূপেন হাজৰিকাক দেখা কৰাৰ সৌভাগ্য মিলিছিল। উদ্যোক্তাসকলৰ নিৰ্দেশানুসৰি মই অংকন কৰা তেওঁৰ **'মুখাবয়ৱ অংকিত চিত্ৰ'** এখন অধিৱেশনৰ সম্বৰ্ধনা অনুষ্ঠানত নিজেই তেওঁক প্ৰদান কৰিছিলোঁ। তেওঁ মোক আশীৰ্বাদ দি মঞ্চতে একলম লিখি দিছিল—



১৯৮৮ চনত গুৱাহাটীৰ ভৰলুত দীপক সংঘই অনুষ্ঠিত কৰা ড° ভূপেন হাজৰিকাই গীত গোৱা **৫০ বছৰীয়া বৰ্ষপূৰ্তি** অনুষ্ঠানত কণ্ঠশিল্পী দিগন্ত ভাগৱতীৰ সৈতে মই উপস্থিত আছিলোঁ। সেইদিনা মঞ্চৰ সন্মুখতে ভি.আই.পি. ছিটত বহি থকা মুহূৰ্তত বৰেণ্য সাহিত্যিক, পণ্ডিত ড° মহেশ্বৰ নেওগ ছাৰক সংগ দিয়াৰ সৌভাগ্য হৈছিল। গুণী-জ্ঞানী ব্যক্তিসকলৰ লগত একেলগে বহি অনুষ্ঠান উপভোগ কৰিছিলোঁ। এই স্মৃতিয়ে মোক আজিও সজীৱ কৰে।

১৯৯২ চনত পুনৰ পলাশবাৰীত অনুষ্ঠিত ভূপেন্দ্ৰ সংগীত

প্ৰতিযোগিতা উপলক্ষে এক বিশেষ কাৰ্যসূচীৰে গীত গাবলৈ আহিছিল ড° ভূপেন হাজৰিকা। তেওঁ দিনতে আহি অনুষ্ঠানৰ অন্যতম দায়িত্বশীল সদস্য অৰূপ কুমাৰৰ বাসভৱনত জিৰণি লৈ আছিল। মই এই কথা সঠিকভাৱে আগতীয়াকৈ জানিছিলোঁ অৰূপ কুমাৰৰ পত্নী, মোৰ কলেজীয়া সহকৰ্মী অধ্যাপিকা নন্দা দেৱীৰপৰা। আবেলি দুইমান বজাত শ্ৰীযুত কুমাৰৰ বাসভৱনত উপস্থিত হৈছিলোঁ ড° হাজৰিকাক দেখা কৰাৰ উদ্দেশ্যে। মানুহৰ ভিৰৰ মাজত ড° হাজৰিকাৰ লগত দুই মিনিট সময় কথা পতাৰ সুযোগ পাইছিলোঁ।


১৯৯৩ চনত বকো শিংৰাৰ অন্তৰ্গত খলিহা গাঁৱলৈ আহিছিল ড° ভূপেন হাজৰিকা এটা সাংস্কৃতিক অনুষ্ঠানলৈ। ময়ো উদ্যোক্তাসকলৰ আমন্ত্ৰণমৰ্মে উপস্থিত হৈছিলোঁ সন্ধিয়া ৭-৩০ বজাত খলিহাত। সেই নিশা বৃহত্তৰ বকো অঞ্চলৰ অগণন দৰ্শকে ড° হাজৰিকাক চাবলৈ আহিছিল। বকোৰ সু-সংস্কৃত ব্যক্তি মাননীয় কেশৱ ৰাভাই উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত ড° হাজৰিকাৰ উপস্থিতিত মই এটি ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰাৰ সুযোগ পাইছিলোঁ। মই গাইছিলোঁ—

"আকাশী গংগা বিচৰা নাই
নাই বিচৰা স্বৰ্ণ অলংকাৰ
নিষ্ঠুৰ জীৱনৰ সংগ্ৰামতে
বিচাৰোঁ মৰমৰ মাত এষাৰ...।"

তেওঁ গীতটো শুনি মোক প্ৰশংসা কৰিছিল আৰু ভৱিষ্যতে গীত গাই থাকিবলৈ পৰামৰ্শ দিছিল। এই আশীৰ্বাদেই হ'ল মোৰ সংগীত জীৱনৰ আধাৰ, জীৱনীশক্তিস্বৰূপ। সেই সুবাসিত স্মৃতিয়ে মোক আগুৱাই লৈ গৈছিল। সৃষ্টিধৰ্মী ভাবনাৰ উদ্ৰেক হৈছিল মানসপটত। ড° হাজৰিকাৰ জীৱন আৰু গীতক লৈ কিবা এটা লিখাৰ সপোন দেখিলোঁ।

২০০১ চনত ছয়গাঁও আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিৰ আমন্ত্ৰণমৰ্মে গীত গাবলৈ আহিছিল ড° ভূপেন হাজৰিকা। ছয়গাঁওস্থিত এটি বিশেষ অতিথিশালাত সমষ্টিৰ বিধায়ক ডাঃ কমলা কলিতা, শিল্পী প্ৰতাপ বড়ো আৰু সুৰেণ ঠাকুৰীয়াৰ লগতে ময়ো ড° ভূপেন হাজৰিকাৰ সৈতে ভাব বিনিময় কৰিছিলোঁ। আলোচনাৰ মাজতে মই পৰিকল্পনা কৰা 'আজিৰ সময় আৰু অনুভৱ' শীৰ্ষক গ্ৰন্থ প্ৰকাশৰ কথা ব্যক্ত কৰিলোঁ।

অতি আগ্ৰহেৰে এই প্ৰকাশিতব্য গ্ৰন্থখনৰ বাবে তেওঁ এটি শুভেচ্ছাবাণী লিখি দিলে—



২০০১ চনৰ ৰঙালী বিহুৰ বতৰত গোৱালপাৰা জিলাৰ দুধনৈত সাংস্কৃতিক অনুষ্ঠানত গীত গাবলৈ আহিছিল ড° ভূপেন হাজৰিকা। সেইদিনা নিশা ৮-০০ বজাত মই উপস্থিত হৈছিলোঁ দুধনৈস্থিত অতিথিশালাত ড° হাজৰিকাক লগ ধৰি কিছু কথা আলচ কৰাৰ নিমিত্তে। বিহু সমিতিৰ এগৰাকী বিষয়ববীয়াই মোক বিশেষ সহায় কৰিছিল ড° হাজৰিকাৰ সৈতে যোগাযোগ স্থাপনৰ ক্ষেত্ৰত। সেই মুহূৰ্তত ড° হাজৰিকাই অকলশৰে অতিথিশালাত জিৰণি লৈ আছিল। তেওঁৰ অনুমতি সাপেক্ষে ভিতৰত প্ৰৱেশ কৰিয়েই সেৱা জনাইছিলোঁ। প্ৰায় আধাঘণ্টা তেওঁৰ সৈতে কথা পাতিছিলোঁ— মোৰ পূৰ্ব পৰিকল্পিত প্ৰকাশ পাবলগীয়া '**ড° ভূপেন হাজৰিকাৰ জীৱন আৰু দৰ্শন**' শীৰ্ষক গ্ৰন্থ সম্পৰ্কে। তেওঁ এটি শুভেচ্ছাবাণী লিখি দি মোক ভালকৈ কামটো কৰাৰ পৰামৰ্শ দিছিল।

ড° ভূপেন হাজৰিকাৰ জীৱন
আৰু দৰ্শনৰ পাণ্ডুলিপিখন
পাইলোঁ । প্ৰাণেশ্বৰে
এই গৱেষণাত্মক
মোৰ চিন্তাধাৰা বিশ্লেষণ
কৰিছে । এই গ্ৰন্থখনৰ
প্ৰকাশ উত্তম হওক বুলি
আশীৰ্বাদ কৰিলোঁ ॥
প্ৰাণেশ্বৰৰ ভৱিষ্যত
উজ্জ্বলতৰ হওক —
দিনে দিনে ॥

ভূপেন হাজৰিকা

গুৱাহাটী ২৬/৪/২০০৩

প্ৰকাশিতব্য গ্ৰন্থখনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হোৱাৰ সময়তে জ্ঞানপীঠ বঁটা বিজয়ী মাননীয়া ড° মামণি ৰয়ছম গোস্বামী বাইদেউক মিৰ্জাৰ এক সাহিত্যানুষ্ঠানত লগ পাই এটি শুভেচ্ছাবাণীৰ বাবে অনুৰোধ কৰিছিলোঁ। তেখেতে এক মিনিট পলম নকৰাকৈ এটি শুভেচ্ছাবাণী লিখি দিছিল—

ড° ভূপেন - হাজৰিকাক - বাদ - দি
এই - অসমত আন - কোনো
জগতত - কথা - ভাবিব নোৱাৰোঁ।
প্ৰাণেশ্বৰ - নাথৰ ড° ভূপেন -
হাজৰিকাৰ জীৱন - আৰু দৰ্শন
নামৰ - গ্ৰন্থ - খনে - অসমত
আৰু - বিশ্ব - মৈত্ৰী - শিল্পী - সকলক
নিশ্চয় - যুগমীয়া কৰি ৰাখিব।
— ড° মামনি ৰয়ছম
গোস্বামী -
দিল্লী - বিশ্ববিদ্যালয়

উক্ত দুয়োখন গ্ৰন্থ সময়মতে প্ৰকাশ কৰি সংগীতপ্ৰেমী তথা পঢুৱৈ সমাজৰ সমাদৰ লাভ কৰিছিলোঁ।

২০০৩ চনত এটা বিশেষ সাংস্কৃতিক অনুষ্ঠানলৈ আহিছিল ড° ভূপেন হাজৰিকা। কণ্ঠশিল্পী প্ৰতাপ বড়ো, সমাজসেৱী জীতেন শালৈ আৰু মই অনুষ্ঠানৰ কাৰ্যসূচীৰ আৰম্ভণিতে ড° হাজৰিকাক দেখা কৰিছিলোঁ। তেওঁৰ শ্ৰীচৰণ স্পৰ্শ কৰিছিলোঁ। সেই সময়ত তেওঁ শাৰীৰিকভাৱে কিছু দুৰ্বল যদিও দৰ্শকৰ অনুৰোধত বহু ৰাতিলৈ গীত পৰিৱেশন কৰিছিল। ছয়গাঁৱত নিবিড়ভাৱে দেখা কৰাৰ পিচত ড° ভূপেন হাজৰিকাক আৰু দেখা কৰাৰ সুযোগ নাহিল। সেয়াই আছিল মোৰ শেষ দেখা।

জীৱিতকালতে কিংবদন্তি হোৱা এই মহান শিল্পী-মনীষীয়ে মোৰ দৰে সাধাৰণ ব্যক্তিৰ প্ৰতি দেখুওৱা মৰম-সহানুভূতিয়ে আজিও মোৰ মন-মগজুক ক্ৰিয়া কৰি আছে। সেই সজীৱ স্মৃতিয়ে মোক এতিয়াও কৰ্মপ্ৰেৰণা দিয়ে। ড° ভূপেন হাজৰিকাৰ এজন অনুগামী হিচাপে এতিয়ালৈ মাজে-সময়ে গীত গাই আছোঁ বিভিন্ন অনুষ্ঠানৰ লগতে মই অধ্যাপনা কৰি থকা বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষা সমন্বিতে অধ্যাপক-অধ্যাপিকাবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰপৰা উদগনি পাইছোঁ। সংশ্লিষ্ট সকলোৰে ওচৰত আজিও মই কৃতজ্ঞ।

সকলোকে পলকতে আপোন কৰি লোৱা, বিশ্ববিশ্ৰুত শিল্পী ড° ভূপেন হাজৰিকা আজি আমাৰ মাজত শাৰীৰিকভাৱে নাই যদিও তেওঁৰ গীত, কথাশৈলী আৰু আত্মাই সদায়েই আমাক অনুজসকলক প্ৰেৰণা দিব। তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিজন সাংস্কৃতিকমনা ব্যক্তিৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব। আজিলৈ ভাৰত চৰকাৰে **'ভাৰত ৰত্ন'** সন্মানেৰে বৰণ নকৰিলেও তেওঁ সঁচা অৰ্থতে **'বিশ্বৰত্ন'** হৈ থাকিব। ■

# সপোনৰ সপোনেৰে হৃদয়ৰ ভাষাৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক স্মৰণ

## (৫ নৱেম্বৰত বৰেণ্য শিল্পীজনাৰ স্মৃতি দিৱস উপলক্ষে)

অমিয় পুৰুষ ড° ভূপেন হাজৰিকা (জন্ম ঃ ৮ ছেপ্তেম্বৰ, ১৯২৬; মৃত্যু ঃ ৫ নৱেম্বৰ, ২০১১)।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকা মৰতৰপৰা সৰগলৈ অহা আৰু মাটিৰ সৰগৰপৰা কল্পনাৰ সৰগলৈ যোৱাৰ দিন দুটা মনলৈ আহিলেই কাৰুণ্যত তিতা আনন্দই ভুমুকি মাৰে। তেওঁ যে আহিছিল— এই কথা সকলোৱে সানন্দে সোঁৱৰণ কৰে; কিন্তু তেওঁ যে গ'ল— এই কথা মনত পেলাবলৈ অসমীয়া জাতিৰ সাত-শতকৰেও বৰ কষ্ট পায়। কিয়নো বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকা অসম আৰু অসমীয়াৰ হিয়াৰ আমঠু। তেওঁ জীৱিতকালত অসমীয়াক যিখিনি দি থৈ গ'ল, আমি কিন্তু তেওঁৰ প্ৰাপ্য কৃতজ্ঞতাখিনিও ভালকৈ দিব পৰা নাই। এয়া অতিকৈ দুৰ্ভাগ্যজনক।

ড° ভূপেন হাজৰিকাৰ জীৱনটো এক বিশাল সাগৰৰ লেখীয়া। স্বদেশপ্ৰেমী হাজৰিকাৰ জাতীয় চেতনাবোধ আৰু সামাজিক দায়বদ্ধতা আমাৰ কাৰণে সদায় প্ৰেৰণা। জীৱনৰ পঞ্চম বয়সতেই নিজৰ কণ্ঠৰ মাধুৰ্য নিগৰাই গীত পৰিৱেশন কৰি অসমৰ স্বনামধন্য কীৰ্তিমান পুৰুষ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ আশীৰ্বাদেৰে ধন্য হৈছিল ড° হাজৰিকা। নিজৰ একাদশ বৰ্ষীয় বাল্যকালতেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাক তেওঁ নিজৰ সৃজনীশক্তি নিৱেদন কৰি জীৱনৰ প্ৰথম গীতটো ৰচিছিল—

"কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে  
ধৰিছিল নামৰে তান  
নামৰ সুৰতে আনন্দত নাচিছিল  
পবিত্ৰ বৰদোৱা থান  
মোৰ গুৰু ঐ, পবিত্ৰ বৰদোৱা থান।"

এই গীতেৰেই গীতি-সাহিত্যৰ সৃষ্টিকৰ্মত মহাপুৰুষ গুৰুজনাৰো আশীৰ্বাদ শিৰত লৈ আগবঢ়া বাল্যকালৰ সেই ভূপেন হাজৰিকাই জীৱনৰ বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে নিজৰ স্থিতি সবল কৰি ক্ৰমে নানা ধাৰা-উপধাৰাৰে আগুৱাই আহি যথাসময়ত কেৱল অসমৰ বা ভাৰতবৰ্ষৰ ভিতৰতেই নহয়, এসময়ত তেওঁৰ কৰ্ম-অৱদানে বিশ্ব পৰিধিও অতিক্ৰম কৰিবলৈ সক্ষম হ'ল।

বিনন্দীয়া প্ৰকৃতিৰপৰা আৰম্ভ কৰি সমাজৰ প্ৰতিটো স্তৰত সুধাকণ্ঠই বিচৰণ কৰিছিল সূক্ষ্ম আৰু সংবেদনশীলভাৱে। গীতেৰে নাও সাজি সুৰেৰে চলাই লৈ ফুৰা এই মহান শিল্পীগৰাকীৰ প্ৰতিভাৰ সৌৰভ লুইতৰপৰা সাগৰ-মহাসাগৰলৈ বিয়পি পৰিছিল। অধ্যাপক ড° অমৰজ্যোতি চৌধুৰীৰ ভাষাত— "*Dr. Bhupen Hazarika proved to be a destiny's child. He was burning from within, and the state of his mind found expression in his immortal lyrics.*" মানৱ প্ৰেম আৰু মানৱীয় প্ৰমূল্যবোধক সাৰোগত কৰি গোৱা তেওঁৰ নজহা-নপমা গীতবোৰ অসমীয়াৰ সুগভীৰ নিৰ্যাস। হৃদয়ৰ সঁচা মানৱীয়তাখিনিক জীপাল কৰি ৰখাৰ নিভাঁজ প্ৰতিশ্ৰুতি; যি বাস্তৱত ৰূপায়িত হ'লে প্ৰতিজন অসমীয়াই হাঁহিব— কলিজাৰ কেঁচা ৰং সনা সঁচা হাঁহি।

উল্লেখযোগ্য যে, চেইন ফ্ৰান্সিছ অৱ আছিছিৰ মতে শিল্পী এইজনেই; যিজনে দুহাতেৰে কাম কৰে, তেওঁ এজন শ্ৰমিক। যিজনে দুহাতৰ লগতে মগজুৰেও কাম কৰে, তেওঁ হৈছে কাৰিকৰ। আনহাতে যিজনে দুহাত আৰু মগজুৰ লগতে অন্তৰেৰে শ্ৰম কৰে, তেৱেঁই শিল্পী। ড° ভূপেন হাজৰিকাই অন্তৰেৰে শ্ৰম কৰে— জীৱনৰপৰা অনেক জীৱনলৈ সাঁকো দিবলৈ। পৃথিৱীৰ সকলো মানুহৰ চকুলোৰ ভাষা, হৃদয়ৰ ভাষাৰ লগত তেওঁ কথা পাতে আৰু সমন্বয়ৰ আহ্বান দিয়ে।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন পৰিক্ৰমাত তেওঁ একেধাৰে কবি, গীতিকাৰ, সুৰকাৰ, গায়ক, চিত্ৰশিল্পী, অনুবাদক, চিত্ৰনাট্যকাৰ, লেখক, ভাষাবিদ, অভিনেতা, চলচ্চিত্ৰ পৰিচালক, সংগীত পৰিচালক, এজন আলোচক, সমালোচক, সুবক্তা, চিন্তাশীল বুদ্ধিজীৱী, সুৱদি কণ্ঠৰ অধিকাৰী, ৰাজনীতিজ্ঞ, যুগান্তকাৰী শক্তিৰ অধিকাৰী, স্থিতপ্ৰজ্ঞ আদি বহু বিশিষ্ট গুণ-গৰিমা আৰু অভিধাৰে মহিমামণ্ডিত ব্যক্তিত্বৰ অধিকাৰী অসমী আইৰ এইজনা ক্ষণজন্মা পুৰুষ।

সকলোকে পলকতে আপোন কৰি লোৱা বিশ্ববিশ্ৰুত শিল্পীগৰাকী আজি

আমাৰ মাজত শাৰীৰিকভাৱে নাই যদিও তেওঁৰ গীত, কথা, কলাশৈলী আৰু আত্মাই সদায়েই আমাক অনুজসকলক প্ৰেৰণা দিব। তেওঁ প্ৰতিজন সাংস্কৃতিকমনা ব্যক্তিৰ বাবে আদৰ্শ হৈ থাকে। তেওঁ সঁচা অৰ্থতে 'বিশ্ব নাগৰিক', 'বিশ্বৰত্ন', 'ভৱিষ্য দ্ৰষ্টা'। মনত পৰিছে—

*"ফনা হো চাফ তো জিন্দগী চে ক্যয়া হাচিল।*
*ফনা চে পহলে, ফনা হো কে ব'কা হাচিল।"*

(জীৱনত কোনো ভাল কামেইতো কৰিব পৰা নগ'ল; তেনে ক্ষণত যদি মৃত্যু আহি পৰে, তেন্তে তেনে জীৱনৰ প্ৰয়োজনেই বা কি? মৰাৰ আগেয়ে এনে কোনো কাম কৰা প্ৰয়োজন, যি মানুহক মৰাৰ পিচতো জীয়াই ৰাখে।) সঁচাকৈ কৰ্মৰ সাধনাৰে জীৱনক জ্যোতিময়ী কৰি গ'ল 'মৃত্যুঞ্জয়ী' ড° ভূপেন হাজৰিকাই।

ড° ভূপেন হাজৰিকাৰ গীত শুনি ভালপাওঁ। তেওঁৰ গীত গাই ভালপাওঁ। এজন অনুগামী হিচাপে তেওঁৰ গীত আৰু সৃষ্টিৰাজিৰ ওপৰত বিশেষভাৱে গৱেষণা হোৱাটো কামনা কৰোঁ। তেওঁৰ প্ৰতিটো সম্পদ, প্ৰতিটো সৃষ্টি অত্যাধুনিকভাৱে সংৰক্ষণ হোৱাটো বিচাৰোঁ; যাতে নৱ প্ৰজন্মই ড° ভূপেন হাজৰিকাৰ বিশাল সৃষ্টি আৰু কৰ্মৰাজিৰ লগত পৰিচয় হ'ব পাৰে। লুইতৰপৰা মিচিচিপিলৈ অসমীয়া সংস্কৃতি বোৱাই নিয়া সুধাকণ্ঠ আমাৰ হৃদয়ত সৰ্বদা বিৰাজমান হৈ থাকিব। *There is just a traffic snarl on the generation bridge, but it is not burnt. On the other end is waiting Bhupenda, with all his affection for the youth. An eternal hug is just round the corner.* সৃষ্টিৰ বিশালতাৰে অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰা বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ চতুৰ্থ মৃত্যুবাৰ্ষিকীৰ পবিত্ৰ ক্ষণত কামনা কৰোঁ— তেওঁৰ গুণ-গৰিমা অধিকৰূপে প্ৰসাৰিত হওক আৰু তেওঁৰ কৰ্ম-অৱদানসমূহৰ যোগেদি অসমীয়া জাতিৰ মান-মৰ্যাদা দিনকদিনে উজলি উঠক।

"আমি ৰচিছোঁ হৃদয়ৰ গান
যি যুগে যুগে সোঁৱৰাব
সুধাকণ্ঠৰ মহা অৱদান।" ■

*('মুকুলী', মাহেকীয়া পত্ৰিকা, ৰামপুৰ, ২০১৫)*

# বিশিষ্ট পণ্ডিত ড° হীৰেন গোহাঁইদেৱৰ ঘৰত এদিন

২০০৪ চনৰ জানুৱাৰী মাহৰ ২৮ তাৰিখ। 'ড° ভবেন্দ্ৰনাথ শইকীয়া ঃ স্ৰষ্টা আৰু দ্ৰষ্টা' শীৰ্ষক গ্ৰন্থৰ বাবে লিখনি বিচাৰি গুৱাহাটী চানমাৰীস্থিত ড° হীৰেন গোহাঁইদেৱৰ বাসভৱনত উপস্থিত হ'লোঁ আমি দুয়ো বন্ধু। বন্ধুবৰ হীৰেন নাথৰ সৈতে আবেলি ৩ বজাত। সেই সময়ত হীৰেন নাথ গুৱাহাটী মহানগৰ আৰক্ষী অধীক্ষকৰূপে কৰ্মৰত। আমাক দেখিয়েই ছাৰে হীৰেন নাথক উদ্দেশ্যি ক'লে— "হীৰেন, তোমাৰ কথা শুনি আছোঁ। আজি লগ পাই ভাল পালোঁ।" সাদৰেৰে আমাক বহিবলৈ দিলে ড্ৰয়িং ৰূমত। আমি ছাৰক নমস্কাৰ জনাই বহিলোঁ। সুন্দৰ নিৰিবিলি ঘৰৰ পৰিৱেশ। কথা আৰম্ভ কৰাৰ আগতেই ছাৰে ক'লে— "তোমালোকৰ দৈ-চিৰা খোৱাৰ অভ্যাস আছেনে?" আমি ক'লোঁ— "হয়, আছে।" ছাৰে নিজহাতে দৈ-চিৰাৰ বাটি আনি খাবলৈ দি ক'লে— "প্ৰথমতে দৈ-চিৰা খোৱা। পিচত কথা পাতিম।" লগে লগেই ছাৰৰ বাইদেউৱে চাহ-পিঠা আনি খাবলৈ দি ক'লে— "খোৱাচোন, পিঠা ময়েই বনাইছোঁ।" আমি দুয়ো তৃপ্তিৰে খালোঁ। তেখেতসকলৰ মৰমসনা ব্যৱহাৰ আৰু আপ্যায়নত অভিভূত হ'লোঁ। মনত সন্মানজনক ভয় ভাব আছিল যদিও আনন্দহে লাগিল। উল্লেখনীয় যে, আমি খাই থকা সময়ত ছাৰ-বাইদেউৱে আমাৰ কাষতে বহি আছিল। ছাৰে আমাৰ আগমনৰ কথা সোধাত আমি ক'লোঁ— শীঘ্ৰেই প্ৰকাশ পাবলগীয়া **'ড° ভবেন্দ্ৰনাথ শইকীয়া ঃ স্ৰষ্টা আৰু দ্ৰষ্টা'** শীৰ্ষক গ্ৰন্থৰ বাবে এটি লিখনি বিচাৰি আহিছোঁ। আমাৰ নিৰ্ধাৰিত সময়ত লিখনি দিয়াৰ কথা ক'লে ছাৰে। বেছি দীঘলীয়া নকৰি আমাক উদ্দেশ্যি ছাৰে ক'লে— "তোমালোক দেখোন দুয়োজন নাথ উপাধিধাৰী। নাথ-যোগী জাতিৰ নিজস্ব ধৰ্ম, দৰ্শন, সাহিত্য আৰু সাংস্কৃতিক তত্ত্ব আছে। ইয়াৰ ওপৰত

অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন আছে। তোমালোকে এই দিশত চিন্তা-চৰ্চা কৰিছানে? অৱশ্যে মই যোগী জাতিৰ ইতিহাস প্ৰণয়নৰ কাম হাতত লৈছোঁ— অমিয় কুমাৰ দাস ইন্‌ষ্টিটিউট অব ছচিয়েল চেঞ্জ এণ্ড ডেভেলপ্‌মেণ্টৰ যোগেদি। উপযুক্ত সমলৰ বাবে অনুপম বৰদলৈ নামৰ এজন অনুসন্ধানকাৰীক এই কামত লগাই দিছোঁ। তোমালোকে এই কামত সহায় কৰিব লাগে।" প্ৰসংগক্ৰমে তেখেতে আৰু ক'লে— "মই জানো এসময়ত নাথ-যোগীসকলক উচ্চ বৰ্ণই হেয়জ্ঞান কৰিছিল; এতিয়া তেনে অৱহেলা নকৰে। নিজৰ নানা কৃতিত্বৰদ্বাৰা নাথ-যোগীসকলে নিজৰ যোগ্যতা প্ৰমাণ কৰি শত্ৰুৰ মুখত ছাই সানিছে; কিন্তু কেৱল নাথ-যোগীয়েই নহয়, বিভিন্ন জাতি বা জনগোষ্ঠীক বৰ্ণহিন্দু সমাজে বহুকাল ধৰি হেয়জ্ঞান কৰা কথাটো অসত্য বুলি কোৱাত ভুল হ'ব। মই ভাবোঁ, বেলেগ ধৰ্মমতৰ অনুগামী হৈ থকা বাবে সমাজৰ একেবাৰে তলৰ খাপলৈ ঠেলি দিয়া নাথ-যোগীসকলে কাৰো কৃপাপ্ৰাৰ্থী নহৈ বহু প্ৰজন্ম ধৰি নিজা প্ৰচেষ্টাৰে প্ৰগতিৰ জখলাৰে উধাই অহা আৰু নিজৰ আত্মপৰিচয় নতুনকৈ গঠন কৰা আমাৰ অসমৰ সমাজ-ইতিহাসৰ এক প্ৰেৰণাময় আৰু আকৰ্ষণীয় অধ্যায়। সেই অধ্যায়টো আধুনিক অসমৰ বুৰঞ্জীত সগৌৰৱে প্ৰতিষ্ঠিত হোৱা উচিত।" ছাৰৰ সৈতে প্ৰায় এঘণ্টা কথা পাতিলোঁ। আবেলি ৪-১০ বজাত আমি দুয়োৱে ছাৰ-বাইদেউক নমস্কাৰ জনাই বিদায় ল'লোঁ।

অসমৰ বিশিষ্ট পণ্ডিত, গৱেষক, সমালোচক হিচাপে জনসমাদৃত ড° হীৰেন গোহাঁইদেৱৰ সৈতে কথা-বাৰ্তা হোৱা মুহূৰ্ত আৰু অভিজ্ঞতা আমাৰ জীৱন পথত স্মৰণীয় হৈ ৰ'ব। ■

*(৪ এপ্ৰিল, ২০০৪)*

# বন্ধুত্বৰ মাদকতা
# আৰু এখন মুকলি চিঠি

অসমীয়াত এষাৰ কথা আছে— 'বয়স জুখিবা বন্ধুৰে, জীৱন জুখিবা হাঁহিৰে।' অৰ্থাৎ হাঁহি হাঁহি জীয়াই থকা দিনকেইটাহে মানুহে আচলতে জীয়াই থাকে। যিদিনাৰপৰা যন্ত্ৰণাত মানুহৰ হাঁহি স্তব্ধ হৈ পৰে, তেতিয়াৰপৰাই তেওঁ জীয়াই থকাৰ আনন্দৰপৰা বঞ্চিত হয়। যি মানুহৰ মন সদায় অসন্তোষ, অভিমানেৰে ভৰি থাকে, সেইসকল আচলতে জীয়াই থাকিও মৃত।

হয়, সঁচাকৈয়ে আমাৰ জীৱন সংগ্ৰামত হাঁহি স্তব্ধ হৈছিল; মাথোঁ আছিল হুমুনিয়াহ! হতাশা-নিৰাশাই জীৱন আক্ৰান্ত কৰা সময়তেই যেন কিছুমান বন্ধুৰ প্ৰেৰণাত জীৱনৰ ছন্দ ঘূৰাই পালোঁ। এই মুহূৰ্তত এজন বন্ধুৰ কথাই মনলৈ আহিছে— যিজন মোৰ জীৱনত লগ পোৱা সৎ বন্ধুসকলৰ ভিতৰত অন্যতম। যিজন বন্ধুৰ সংগই বিগত দুটা দশকত প্ৰেৰণাৰ উৎস হৈ আছে, সেই বন্ধুজনেই হ'ল— শ্ৰীহীৰেন নাথ (IPS)। ভাৰতীয় আৰক্ষী সেৱা বিষয়া। জন্ম নগাঁও জিলাৰ দীঘলদৰি গাঁৱত। ১৯৮৫ চনত কটন কলেজৰপৰা ৰাজনীতি বিজ্ঞানত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্নাতক পৰীক্ষাত উত্তীৰ্ণ। একে বিষয়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্বৰ্ণ পদক লাভ। কটন কলেজত অধ্যাপকৰূপে চাকৰি জীৱন আৰম্ভ কৰি ১৯৯২ চনত অসম লোক সেৱা (ACS)লৈ বাছনি আৰু ১৯৯৬ চনত ভাৰতীয় আৰক্ষী সেৱা (IPS)লৈ বাছনি হয়। ১৯৯৮ চনত অন্ধ্ৰপ্ৰদেশৰ ওচমানিয়া বিশ্ববিদ্যালয়ৰপৰা পুলিচ ব্যৱস্থাপনা বিষয়ত

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। উল্লেখ্য, শ্ৰীনাথে কেইবাখনো জিলাৰ আৰক্ষী অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি সুখ্যাতি অৰ্জন কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা সময়তে আৰক্ষীৰ বিশেষ সেৱা পদক (Special Duty Medal) লাভ কৰে। কোকৰাঝাৰ জিলাত আৰক্ষী অধীক্ষকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা সময়তে Deputationত ভাৰতীয় অনুসন্ধান শাখা (CBI)লৈ নিয়োজিত হয় ২০১২ চনত গুৱাহাটী শাখাত। তেওঁৰ কাৰ্যকালতে ভাৰতৰ ভিতৰত গুৱাহাটী শাখাই Best Branch হিচাপে পুৰস্কৃত হয়। উল্লেখযোগ্য যে, তেওঁ ব্যক্তিগতভাৱেও ২০১২ চনত President's Police Medal for Meritorious Service পদক লাভ কৰে। বৰ্তমান শ্ৰীনাথ অসম আৰক্ষী বিশেষ শাখাৰ IGP ৰূপে কৰ্মৰত। শ্ৰীনাথে এজন সৎ আৰু নিষ্ঠাৱান আৰক্ষী বিষয়া হিচাপে অসমত ইতিমধ্যেই সুকীয়া স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে।

সমসাময়িক সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো তেওঁৰ অনবদ্য অৱদান স্বীকাৰ্য। '**ড° ভবেন্দ্ৰনাথ শইকীয়া ঃ স্ৰষ্টা আৰু দ্ৰষ্টা**' (সম্পাদিত), '**যাত্ৰাপথত তোমাৰ অভিসাৰ**', '**দুৰ্যোগ ব্যৱস্থাপনা ঃ দায়িত্ব আৰু সাৱধানতা**' আদি গ্ৰন্থৰ প্ৰণেতা লগতে বিভিন্ন দৈনিক কাকত, ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় আলোচনীৰ পাতত শ্ৰীনাথৰ মূল্যৱান লেখা সন্নিৱিষ্ট হৈ আছে। এই ক্ষেত্ৰত এজন প্ৰতিভাধৰ সাহিত্যিক, সু-বক্তা, আলোচক তথা শিক্ষাব্ৰতীৰূপেও সমাজত তেওঁৰ এটি বিশেষ পৰিচয় আছে।

বিগত সময়ত শ্ৰীনাথৰ সৈতে মই বহু কথা বিনিময় কৰিছোঁ, নতুন নতুন জ্ঞানৰ সন্ধান পাইছোঁ, শিকিছোঁ, জানিছোঁ। তেওঁ বহু সময়ত দায়িত্বপূৰ্ণ কাম নিষ্ঠাৰে কৰি থকা সময়ত অনুভৱৰ দুই-এটা মই কথা ব্যক্ত কৰা নাই এতিয়ালৈ। আজি সেই মনৰ অনুভৱ চিঠিযোগে প্ৰকাশ কৰাৰ প্ৰয়োজনবোধ কৰিছোঁ। অৱশ্যে মই এই কথাও জানো যে, চিঠিবোৰ এতিয়া অচিনাকি। ডাকোৱালবোৰো অপৰিচিত। ইণ্টাৰনেটৰ ধামখুমীয়াত মানুহৰ আৱেগ-অনুভূতি, প্ৰীতি-প্ৰতীতি, হেঁপাহ-আন্তৰিকতাবোৰ যেন একো-একোটা মৰাসুঁতি। তথাপি একান্ত ব্যক্তিগত যদিও পঢ়ুৱৈৰ স্বাৰ্থত এই গ্ৰন্থৰ যোগেদি একলম মুকলিকৈ লিখিছোঁ— **শ্ৰীনাথ সমীপেষু।**

প্ৰিয় সুহৃদ নাথ,

স্নেহভৰা শুভেচ্ছা গ্ৰহণ কৰিবা। বহু কথাই লিখিবৰ মন গৈছে যদিও সেয়া সমীচীন নহয়। বিশ্ববিদ্যালয়ত পঢ়া দিনৰেপৰা আজিলৈ তোমাৰ সৈতে হোৱা সান্নিধ্য আৰু কথা-বাৰ্তা মোৰ হৃদয়ৰ কেন্‌ভাছত আঁকি গৈছোঁ এখন ৰঙীণ ছবি— **'বন্ধুত্বৰ মাদকতা'**। পাখি লগা কাঁড়ৰ দৰে সময়বোৰে মেলানি মাগিছে যদিও স্মৃতিবোৰ সজীৱ হৈ আছে মানসপটত। হৃদয়ৰপৰা হৃদয়লৈ এয়া অন্তৰাত্মাৰ সঁচা ছবি— য'ত নাথাকে কৃত্ৰিমতাৰ ৰং; থাকে মাথোঁ বাস্তৱতা, মহানুভৱতা আৰু মানৱতা। বিশ্বাস আৰু সহিষ্ণুতাৰ অন্য নাম বন্ধুত্ব। সততাপূৰ্ণ বন্ধুত্ব প্ৰকৃতাৰ্থত সম্পদস্বৰূপ।

মই তোমাক ভালদৰে চিনিছোঁ— তুমি সমানৰ মাজত অসমান; সাধাৰণৰ মাজত অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী। বৰ্তমান সময়ৰ নিকা ভাবমূৰ্তিৰ আদৰ্শৱান তথা দায়িত্বশীল শীৰ্ষ আৰক্ষী বিষয়া। মই ভাবোঁ, সমস্যাবহুল এইখন সমাজত এজন শীৰ্ষ বিষয়াৰ দায়বদ্ধতা, কাৰ্যদক্ষতা আৰু সততাৰ ওপৰতেই নিৰ্ভৰ কৰিছে শান্তি-সম্প্ৰীতি আৰু আইন-শৃংখলাৰ ৰূপৰেখা। জনসাধাৰণৰ ৰাষ্ট্ৰপতি ড° এ.পি.জে. আব্দুল কালামদেৱৰ এষাৰ কথা স্মৰ্তব্য— **"আটাইতকৈ ভাল কাম কি? মানুহৰ আত্মাক আনন্দিত কৰা, ভোকাতুৰক অন্ন দিয়া, দুৰ্গত বা আৰ্তজনক সহায় কৰা, দুখীজনৰ বোজা লাঘৱ কৰা আৰু যি আঘাত পাইছে তেওঁৰ কষ্ট দূৰ কৰা।"** এই দৰ্শনেৰেও তুমি জীৱন পথত অগ্ৰসৰ হোৱা পৰিলক্ষিত হৈছে। মোৰ মনত প্ৰশ্নৰ উদ্ৰেক হয়— সদ্ ভাবনাসম্পন্ন মানুহৰ সংখ্যা কমি অহাৰ ফলত আমাৰ সমাজ জীৱনত আন্ধাৰ নামি আহিছে দিনক দিনে। এনে পৰিপ্ৰেক্ষিতত মানুহে কাক লৈ আশা কৰিব? উত্তৰণৰ উৎস ক'ত বিচাৰি পাব? প্ৰকৃততে অনাগত দিনত গুণী-জ্ঞানী-সৎ মানুহৰ ওপৰতেই সমাজৰ ভৱিষ্যৎ নিৰ্ভৰ নকৰিবনে? সুধাকণ্ঠই গীতৰ ভাষাৰে কৈছে—

"দুৰ্বল মানুহে যদি
জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি?"

বিজ্ঞসকলৰ লগতে ময়ো ক'ব খোজোঁ যে, অসম আৰু অসমীয়াক

সঠিক পথত দিক্‌দৰ্শন কৰা, সামাজিক পৰিৱৰ্তন অনা আৰু শান্তি-শৃংখলা অটুট ৰখাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'ব পৰা অসমৰ দক্ষ আৰু সৎ দায়বদ্ধ ব্যক্তিসকলৰ ভিতৰত (অসম আৰক্ষীৰপৰা) তুমিও অন্যতম। বৰ্তমান সময়ত তুমি স্বকীয় মেধা-বুদ্ধিমত্তাৰে আৰক্ষীৰ বাবে যথাসম্ভৱ সংস্কাৰধৰ্মী, নীতিনিষ্ঠ গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰিলে সংশ্লিষ্ট লোকসকল উপকৃত হ'ব যেন পাওঁ। এয়া তোমালৈ মোৰ পৰামৰ্শ নহয়; ব্যক্তিগত অনুভৱহে।

মোৰ বিশ্বাস— অনাগত দিনত তোমাৰ শুভ চিন্তন-কাৰ্যই মানুহৰ আশাৰ সঞ্চাৰ কৰিব পাৰিব। এই কামনাৰে শ্ৰীকৃষ্ণই গীতাত কোৱা এষাৰ কথাৰে সামৰিছোঁ— "কৰ্ম্মনোবাধিকাস্তে মা ফলেষু কদাচন।" ইতি—

তোমাৰ বন্ধু—

**প্ৰাণেশ্বৰ নাথ, ছয়গাঁও**

# জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী

*"Life is like the river, sometimes it sweeps you gently along and sometimes the rapids come out of nowhere."*

–Ama Smith

নদী আহে জীৱনলৈ গতি হৈ; আহে কলহীৰপৰা ব্ৰহ্মপুত্ৰলৈ, বিন্দুৰপৰা সিন্ধুলৈ— হয় জীয়াই থকাৰ এমুঠি অন্ন হৈ, নহয় বিনন্দীয়া প্ৰকৃতিৰ শোভিত শৰীৰ হৈ। ৰ'দে পোৰা ভৰ দুপৰত উমলি উঠা নদী আহে কেতিয়াবা যৌৱন জ্বলাবলৈ আৰু কেতিয়াবা নুমাই যাব খোজা জীৱনক বাট দিবলৈ। সময়ৰ সোঁতত নদীৰ পাৰত গঢ়ি উঠে সেউজীয়া বিপ্লৱ। বহুজনৰ জীৱনৰ এটা অংগ হৈ পৰে নদী। আন বহুতে দেখে নদীৰ পাৰত জীয়াই থকাৰ সপোন। কেতিয়াবা চৰ-চাপৰিত যেন বাৰিষাৰ ক'লা মেঘ। এৰা, ডাৱৰ। জীৱনটোতো দুখবোৰ ওলমি থাকে ডাৱৰৰ দৰে। পিচে দুখৰ ডাৱৰৰ মাজেদিয়ে যে সৰকি আহে সুখৰ পোহৰ, ৰেঙণি।

নদীয়ে আমাৰ স্থায়ী ঠিকনা। আমাৰ জীৱনযাত্ৰাত গভীৰ সম্পৰ্কিত শব্দটোৱেই হ'ল— 'ব্ৰহ্মপুত্ৰ'। হয়তো সহস্ৰাধিক লোকৰ হৰ্ষ-বিষাদৰ সৈতে জড়িত শব্দ 'ব্ৰহ্মপুত্ৰ'। স্মৰ্তব্য যে, ব্ৰহ্মপুত্ৰ শব্দটো ব্ৰহ্মাৰ পুত্ৰৰূপে নিষ্পত্তি হোৱা শব্দ নহয় বুলি কলাগুৰু বিষ্ণু ৰাভাই মত পোষণ কৰিছে। তেওঁৰ মতে 'ব্ৰহ্মপুত্ৰ' শব্দটো আৰ্য শব্দ হ'ব নোৱাৰে। তেওঁৰ মতে ব্ৰহ্মপুত্ৰ-ডি-লাও-দি-গীলাও, দি-পানী, গীলাও-দীঘল দীঘল নদী। এই শব্দৰ ব্যুৎপত্তি— ভুল্লুম্ বুথ্-থুৰ, যাৰ অৰ্থে ফেনে-ফোটোকাৰে ভৰা পৰ্বতসদৃশ ঢৌ তুলি বহু দূৰলৈ বৈ যোৱা নৈ। ভাৰতবৰ্ষৰ আটাইতকৈ দীঘল নদীৰূপে খ্যাত ব্ৰহ্মপুত্ৰ অসমত শদিয়াৰপৰা ধুবুৰীলৈ বৈ আছে। অসমত ইয়াৰ দৈৰ্ঘ্য প্ৰায় ৭০০ কিল'মিটাৰ। চিৰপ্ৰবহমান। ব্ৰহ্মপুত্ৰ মহামিলনৰ তীৰ্থ। বহু যুগ ধৰি সমন্বয়ৰ বাহকৰূপে ব্ৰহ্মপুত্ৰ

মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰতেই অৱস্থিত আমাৰ জন্মভূমি— 'বৰটাৰী' গাঁও।

ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰস্থিত এই গাঁও কামৰূপ জিলাৰ (গ্ৰাম্য) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত তথা দক্ষিণ সৰুবংশৰ মৌজাৰ অন্তৰ্ভুক্ত। কুকুৰমাৰাৰপৰা উত্তৰে ২নং জীয়াকুৰ হৈ যোৱা পথেৰে গৈ প্ৰায় ৬ কিল'মিটাৰ দূৰত অৱস্থিত বৰটাৰী গাঁও। এই গাঁৱৰ উত্তৰ দিশত মহাবাহু ব্ৰহ্মপুত্ৰ নদী, দক্ষিণ দিশত কলহী নৈ, পূৱ দিশত ফুটুৰী-ধলিপাৰ গাঁও আৰু পশ্চিম দিশত বংশৰ গাঁও— ১নং জীয়াকুৰ গাঁও অৱস্থিত। বৰটাৰী গাঁৱৰ এক সুকীয়া ঐতিহ্য মন কৰিবলগীয়া। উল্লেখ আছে— **চান্দো সদাগৰৰ** ৰাজ্য চম্পকনগৰৰ উত্তৰ-পূব আৰু উত্তৰ-পশ্চিম দিশত ক্ৰমে কাঁকেৰি আৰু গুঞ্জুৰী সাগৰ। হাজাৰ হাজাৰ বছৰ আগতে হোৱা প্ৰাকৃতিক কাৰণত এই সাগৰদ্বয় সমভূমি হ'ল। এই সমভূমি অঞ্চলৰে এটা অংশ বৰ ওখ (টাৰী) হৈ থাকিল। জমাদগ্নি মুনিৰ পুত্ৰ পৰশুৰামে ব্ৰহ্মপুত্ৰ নৈ বা প্ৰাচীন কামৰূপ ৰাজ্যৰ মাজেৰে লৈ আহোঁতে এই বৰ ওখ অংশটো নৈখনৰ দক্ষিণ ফালে বৈ গ'ল। কালক্ৰমত এই বৃহৎ ওখ অংশটো নামকৰণ হ'ল 'বৰটাৰী'। অৱশ্যে 'বৰটাৰী' নামকৰণ সন্দৰ্ভত নিৰ্দিষ্ট তথ্য নাই। পূৰ্বপুৰুষসকলৰ মতে গাঁওখনৰ মাজেৰে পূবৰপৰা পশ্চিমলৈ গৈছে মূল যাতায়াত পথটো। মূল পথ (বাট)টোৰ তুলনাত ভেটিবোৰ বহুত বাম। একে লেঠাৰিয়ে থকা ভেটিবোৰ দেখিবলৈ একোটা ডাঙৰ টাৰী যেন লাগে। এই ডাঙৰ টাৰীৰপৰাই গাঁওখনৰ নামকৰণ হয় 'বৰটাৰী'। প্ৰথম অৱস্থাত এই গাঁৱলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশৰ হাজো, বংশৰ, হালোগাঁও আৰু দক্ষিণ দিশৰ কুলদুং, নাৰদপাৰা, কুকুৰীয়া, বাটৰহাট (দহালী), সৰপাৰা, ৰাজাপুখুৰী, ৰামপুৰ আদি অঞ্চলৰপৰা খেতি কৰিবলৈ জনপ্ৰব্ৰজন ঘটিছিল। কালক্ৰমত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা বাসিন্দাসকলক সামৰি এখন বৃহত্তৰ বৰটাৰী গাঁও হিচাপে গঢ় লৈ উঠিল। বৰটাৰীৰ লগতে নৈপৰীয়া গাঁওবোৰ দ' ঠাইত অৱস্থিত বাবে জনসাধাৰণক 'দেলীয়া' বুলি জনাজাত। এই গাঁৱত মুঠ আঠটা চুবা; যেনে— বৰিয়াপাৰা, কুমাৰপাৰা, বঙাদুৱাৰপাৰা, কোঁচপাৰা, অভিপাৰা, গোৱৰদিয়া, কলিতাপাৰা (কুলদুংপাৰা) আৰু নাথপাৰা সন্নিৱিষ্ট। কোঁচ, কলিতা, মহন্ত, নাথ, কৈৱৰ্ত, ব্ৰাহ্মণ, মালী, সূত, বড়ো আদি বিভিন্ন জনগোষ্ঠীৰ ঐক্য-সংহতি আৰু সংস্কৃতিৰ সমন্বয় ক্ষেত্ৰৰূপে সমাজত সুপৰিচিত গাঁও 'বৰটাৰী'। এই গাঁৱৰ চৌতালী নাম, ঘোষানাম, সংকীৰ্তন নাম, ওজাপালি, ঢুলীয়া, লোকনৃত্য দল, বেণ্ডপাৰ্টি দল, আয়তীৰ নাম আৰু লোকগীতৰ শিল্পীদলৰ বিশেষ সুনাম আছে। মানুহৰ সাহসিকতা আৰু স্বদেশপ্ৰীতি অনস্বীকাৰ্য। মহাত্মা

গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰি গ্ৰেপ্তাৰ হোৱা বৰটাৰী গাঁৱৰ লক্ষী কুমাৰ, পোৰা সিং, নৰেশ্বৰ শৰ্মা, নন্দৰাম কলিতা, ৰামসিং কলিতাই ইয়াৰ জ্বলন্ত উদাহৰণ।

বৰটাৰী গাঁৱৰ নিকটতম প্ৰতিবেশী কন্দলপাৰা, ধলিপাৰ আৰু ফুটুৰী গাঁৱৰ হিন্দু-মুছলমান লোকসকলৰ শান্তি-সম্প্ৰীতি, সমন্বয়ৰ ডোলডাল পুৰণি কালৰেপৰা সুদৃঢ় হৈ আছে। হিন্দু-মুছলমান লোকসকলৰ মাজত থকা সাংস্কৃতিক পৰম্পৰাই লুইতপৰীয়া অঞ্চলত পাৰস্পৰিক মৰ্যাদা অটুট ৰাখিছে। ধৰ্মীয় সহিষ্ণুতা লুইতপৰীয়াবাসীৰ স্বকীয় বৈশিষ্ট্য। নামঘোষাত শংকৰদেৱৰ একান্ত ভকত মাধৱদেৱে গোৱা গীত নৈপৰীয়া সমাজ জীৱনত আজিও প্ৰচলিত হৈ আছে—

"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদি।।"

সেইদৰে সুদূৰ বাগদাদৰপৰা শ্বাহ মিলান বা আজান ফকিৰে ৰচনা কৰা জিকিৰ-জাৰী গীত আজিও আমাৰ জীৱন পথত সমস্বৰে উচ্চাৰিত হৈছে—

"মোৰ মনত আন ভাব
নাই অ' আল্লা
মোৰ মনত ভিন-পৰ
নাই অ' আল্লা
হিন্দু কি মুছলমান
একে আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাব।"

এই দৰ্শনেৰে দক্ষিণ কামৰূপৰ নৈপৰীয়া অঞ্চলত সম্প্ৰীতি আৰু সহিষ্ণুতা জিলিকি আছে নিদৰ্শনৰূপে আৰু চিৰদিন জিলিকি থাকিব। গতিকে বৰটাৰী নৈপৰীয়া অঞ্চলৰ এনে এখন পুৰণি গাঁও, যি গাঁৱৰ মানুহে সাংস্কৃতিক সম্পৰ্ক আৰু যোগাত্মক সহায়-সহানুভূতিৰে ঐতিহাসিক মৰ্যাদা তথা ঐতিহ্য ৰক্ষা কৰি আহিছে। সঁচা অৰ্থত 'বৰটাৰী' এখন ঐতিহ্যপূৰ্ণ আৰু অতীত সমৃদ্ধিশালী গাঁও। এই গাঁৱৰ লোক অতি পৰিশ্ৰমী, সহজ-সৰল আৰু স্বাধীনচিতীয়া। এইবাবেই কৃষি-ব্যৱসায় কাৰ্যত উন্নতি সাধিছে। কৃষি প্ৰাচুৰ্যৰে

নদন-বদন হ'ল বৰটাৰী। কিন্তু পৰিতাপৰ বিষয় যে, যাতায়াত ব্যৱস্থা আৰু বৈদ্যুতিকৰণৰ ব্যৱস্থা নোহোৱাৰ ফলত উদ্যোগী-প্ৰতিভাশালী লোকেও উপযুক্ত সুবিধা লাভৰপৰা বঞ্চিত হ'বলগাত পৰিছে। ৰাজনীতিকসকলেও সময়ে সময়ে এই সুবিধা গ্ৰহণ কৰি আহিছে। আধুনিক সভ্যতাই যেন গাঁওবাসীক পোহৰৰ সন্ধান দিব পৰা নাই আজিও।

সময় গতিশীল, সময় পৰিৱৰ্তনশীল। প্ৰকৃততে এই পৃথিৱীত পৰিৱৰ্তনেই সত্য। সেয়া আমি সকলোৱেই মানি ল'বই লাগিব। নিয়তিৰ কি পৰিহাস! মহাবাহু ব্ৰহ্মপুত্ৰৰ গতি সলনি হ'ল। ফলস্বৰূপে ইয়াৰ দক্ষিণপাৰস্থিত লুইতপৰীয়া গাঁওবোৰৰ মানুহক অস্বাভাৱিকভাৱে দুৰ্যোগ-দুৰ্ভাবনাই ভীতিগ্ৰস্ত কৰিলে। উল্লেখনীয় যে, ১৯৫০-৫৬ চনৰপৰাই লুইতপৰীয়া অঞ্চলত সময়ে সময়ে ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াৰ তাণ্ডৱ চলি আহিছে। সেই সময়ত মানুহৰ দুখ-দুৰ্দশা দেখি অৰ্থাৎ ১৯৫৪ চনত ছয়গাঁৱত বহা কৃষক সন্মিলনৰ বাবে ৰচনা কৰি ড° ভূপেন হাজৰিকাদেৱে গাইছে—

"ভৰ বাৰিষাৰ বানে
খহাই নিলে গাঁও,
পাৰতে উচুপি কান্দে
দুখীয়াৰ ছাও।

........................
হেজাৰ হেজাৰ খেতিয়কৰ
পথাৰ বুৰি গ'ল,
গাঁৱৰে কঠীয়াতলীৰ
সপোন ভাঙি গ'ল।"

পুনৰ ১৯৭৪ চনত হোৱা ব্ৰহ্মপুত্ৰৰ প্ৰলয়ংকাৰী বানপানীয়ে বৰটাৰী গাঁৱৰ লগতে লুইতপাৰস্থিত মানুহৰ জীৱন আৰু সম্পত্তি নিঃশেষ কৰিলে। লুইতক উদ্দেশ্যি সুধাকণ্ঠ ৰচিত গীত জয়ন্ত হাজৰিকাদেৱে গাইছে—

"লুইতৰ বলিয়া বান
তই ক'লৈনো ঢাপলি মেলিছ?
হিৰ্ হিৰ্ শৱদে
কালৰূপ ধৰি লৈ
কাকনো বাৰে বাৰে খেদিছ?

লুইতৰ বুকু হেনো বাম হৈ গ'ল
গভীৰতা হেনো কিছু নোহোৱা হ'ল
বান তই সেয়ে হেনো
অলিয়া-বলিয়া হৈ
দুয়োপাৰে উপচি পৰিছ।"

সঁচাকৈয়ে লুইতে লুইতপৰীয়াবাসীক ভিক্ষাৰীলৈ পৰ্যৱসিত কৰিলে। অবৰ্ণনীয় খাদ্য সংকট আৰু অৰ্থ সংকটৰ ফলত মানুহে এসাঁজ খাই এসাঁজ শুকাই থাকিবলগীয়া হ'ল। দুখ-যন্ত্ৰণাৰ মাজত জীৱন যাপন কৰি থকা সময়তেই পুনৰ ১৯৭৯-৮২ চনত ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান। পদে পদে কৰে কাক অপমান? লুইতপৰীয়াবাসীক নহয়নে! ব্ৰহ্মপুত্ৰৰ প্ৰবল খহনীয়াৰ কবলত লুইতপাৰৰ বহু সমৃদ্ধিশালী গাঁৱৰ লোক সৰ্বস্বান্ত হ'ল। বৰটাৰী গাঁওখনো নিমিষতে নিঃচিহ্ন হ'ল। লুইতৰ সোঁতত নিজৰ ঘৰ-বাসভূমি-কৃষিভূমি হেৰুৱাই দিশহাৰা হ'ল। এই অঞ্চলৰ বহু লোকে মথাউৰিৰ ওপৰতে পঁজা সাজি থাকিবলৈ ল'লে। কিছুসংখ্যকে পথাৰত বস্তি সাজিছে। আন কিছুমানে জন্মভূমি এৰি অসমৰ বিভিন্ন প্ৰান্তত গৈ আশ্ৰয় লৈছে। তীব্ৰ অৰ্থনৈতিক নাটনি হোৱাত দুবেলা দুমুঠি খোৱাৰ বাবে সংগ্ৰাম কৰিবলগাত পৰিল। মানুহৰ দুখ-বেদনা কুলাই-পাচিয়ে নধৰা হ'ল। লুইতপৰীয়া মানুহবোৰ তথা সমাজখন এক অনিশ্চিত ভৱিষ্যতৰ পিনে আগবাঢ়িব ধৰিলে। যেন জীয়াই থকাৰ কোনো ফলপ্ৰসূ পথ বিচাৰি নোপোৱা এক অন্ধকাৰ ভৱিষ্যৎ। সেই সময়তে একাংশ মানুহক অসম চৰকাৰে (পলাশবাৰী সমষ্টিৰ বিধায়ক যতীন মালীৰ নেতৃত্বত) বেজৰটাৰী বিজাৰ্ভ আৰু ২নং জীয়াকুৰ বিজাৰ্ভত এবিঘাকৈ মাটি আবণ্টন দি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰি দিয়াত জীয়াই থকাৰ ক্ষেত্ৰত কিছু মানুহৰ সকাহ হ'ল।

"প্ৰকৃতিৰ—
পৰিৱৰ্তনৰ সোঁতত
ঠিকনাবোৰ সলনি হয়
কিছু হিচাপ-নিকাচ চলে
জীৱনৰ মাত্ৰা সলনি হয়
আশাভৰা জীৱনে গতি সলায়....।

স্মৰ্তব্য, ৰামে ৰাৱণক বধ কৰাৰ পিচত লংকাৰ প্ৰজাই তেওঁক লংকাতে থাকি যাবলৈ আৰু লংকাৰ ৰজা হৈ শাসন কৰিবলৈ অনুৰোধ কৰিছিল।

শ্ৰীৰামে সেই অনুৰোধ প্ৰত্যাখ্যান কৰি ক'লে— 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।' অৰ্থাৎ জন্মদাতৃ মাতৃ আৰু জন্মস্থান স্বৰ্গতকৈও মহান আৰু স্বৰ্গসুখৰ বাবেও জননী আৰু জন্মভূমি ত্যাগ কৰিব নালাগে। পাণ্ডৱসকলেও মাতৃ কুন্তীক অতি শ্ৰদ্ধা আৰু ভক্তি কৰিছিল আৰু মাতৃৰ নিৰ্দেশ আখৰে আখৰে পালন কৰিছিল। মহাভাৰতত পঢ়িবলৈ পোৱা যায় যে, পাঞ্চাল ৰাজ্যৰ ৰজা দ্ৰুপদৰ জীয়েক দ্ৰৌপদীৰ সয়ম্বৰত একমাত্ৰ অৰ্জুনে নিৰ্দিষ্ট লক্ষ্যভেদ কৰাৰ পিচত পঞ্চপাণ্ডৱে দ্ৰৌপদীক অৰণ্যত তেওঁলোকৰ কুটীৰলৈ লৈ আহে আৰু যুধিষ্ঠিৰে মাক কুন্তীক জনায় যে, তেওঁলোকে দেৱৰো দুৰ্লভ অপূৰ্ব এটা ফল পাই আনিছে। কুন্তীয়ে গোটেই পাঁচজনক ফলটো ভগাই ল'বলৈ ক'লে। মাকৰ বচন বেদবাক্যৰ দৰে মানি চলা গোটেই পাঁচজন পাণ্ডৱ ককাই-ভায়ে তেতিয়া দ্ৰৌপদীৰ স্বামী হ'ল। আগৰ দিনত হিন্দু সমাজত শিক্ষাগুৰুসকলে (আচাৰ্য) শিক্ষাৰ্থীসকলক জীৱনত 'মাতৃ দেৱোভৱ। পিতৃ দেৱো ভৱ। আচাৰ্য দেৱো ভব। অতিথি দেৱো ভব' বুলি অৰ্থাৎ মাতৃ, পিতৃ, শিক্ষাগুৰু আৰু অতিথিসকলক দেৱতাৰ দৰে জ্ঞান কৰি সেৱা কৰিবলৈ সু-উপদেশ দিছিল।

হৰ্ষ-বিষাদৰ পৃষ্ঠাৰে ভৰা শৈশৱ আৰু কৈশোৰ কাল অৰ্থাৎ মোৰ সোণালী অতীতটো যিখন গাঁৱৰ কেঁচা মাটিত নিহিত হৈ আছিল, সেইখন বৰটাৰী (ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত নিঃচিহ্ন) গাঁৱলৈ প্ৰতিক্ষণতে মনত পৰে। মথাউৰিত কিছুদিন অস্থায়ীভৱে পঁজা সাজি থকাৰ পিচত পিতৃৰ ইচ্ছা নথকা সত্ত্বেও কেৱল মাতৃৰ নিৰ্দেশানুসৰি (নিৰাপদজনিত কাৰণতেই) ১৯৮১-৮২ চনত এই মোহময়ী ওপজা গাঁওখন এৰি ছয়গাঁৱৰ বাটাকুছি গাঁৱলৈ স্থানান্তৰিত হ'লোঁ। ইয়াত কোনোমতে সংস্থাপিত হ'লো ঈশ্বৰৰ দয়াত। স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ ক্ষেত্ৰত বাটাকুছি ৰাইজ গয়ৰহে জনোৱা সদিচ্ছা আৰু সঁহাৰিয়ে আমাক বাৰুকৈয়ে কৃতাৰ্থ কৰিছে। এইক্ষেত্ৰত আমি বাটাকুছি ৰাইজৰ ওচৰত চিৰকৃতজ্ঞ। বাটাকুছি গাঁৱক দ্বিতীয় মাতৃৰূপে জ্ঞান কৰোঁ, চিনাকি দি ভালপাওঁ, গৌৰৱ কৰোঁ। ছয়গাঁৱত আমাৰ জীৱনযাত্ৰাত সহানুভূতিৰে অনুপ্ৰাণিত কৰা ব্যক্তিসকলৰ ভিতৰত জনপ্ৰিয় সংগীতশিল্পী প্ৰতাপ বড়ো, সু-চিকিৎসক তথা সাহিত্যিক ডাঃ ঋষেশ্বৰ ঠেঙাল (গোলাঘাট), সমাজসেৱী অৱলা তালুকদাৰ, শুভাকাংক্ষী প্ৰয়াত ৰহিম আলি (ফুটুৰী), বন্ধুবৰ অৰুণ দাস (বাটাকুছি), সুহৃদ সহকৰ্মী বন্ধু প্ৰবোধ দাসৰ নাম ল'বই লাগিব।

অৱশ্যে মই শৈশৱ-কৈশোৰ কালতেই যিসকল শিক্ষাগুৰুৰ আশীৰ্বাদ

পাই এন্ধাৰত প্ৰগতিৰ ছন্দ ঘূৰাই পালোঁ, সেইসকলৰ ভিতৰত শ্ৰদ্ধেয় প্ৰয়াত ইছমাইল আলী (ফুটুৰী), পিতাম্বৰ দাস (গুইমাৰা), নগেন কলিতা (১নং জীয়াকুৰ), শ্ৰীবিশ্বেশ্বৰ চৌধুৰী (২নং জীয়াকুৰ), শ্ৰীত্ৰৈলোক্য ফুকন কলিতা (১নং জীয়াকুৰ), শ্ৰীভাৰত কলিতা (বৰটাৰী), শ্ৰীখগেন কলিতা (বৰটাৰী), শ্ৰীথানেশ্বৰ মজুমদাৰ আৰু শ্ৰীকালিচৰণ কলিতা (ডুবজেনী ছয়গাঁও)ৰ নাম স্মৰণযোগ্য।

জন্মভূমি এতিয়া লুইতৰ বুকুত চৰ-চাপৰিলৈ পৰিণত হ'ল। আজিও **"লুইতৰ পাৰে পাৰে... ওপজা গাঁৱৰপৰা, নিজৰাৰ পাৰেদি লুইতৰ বালিয়ে মই জোনাকত বালিভাত খাওঁ।"** চাকৰিৰ দায়িত্ব আৰু সামাজিক দায়িত্ব বৃদ্ধি হৈছে যদিও মোৰ জন্মভূমিলৈ প্ৰায়ে উভতি চাওঁ। হাতৰ মুঠিৰ ধূলিৰ দৰেই সময়বোৰ হাতৰপৰা সৰকি গ'ল সেই সুমধুৰ শৈশৱ, কৈশোৰকালৰ মাদকতা। সময়ৰ বিবৰ্ণ পৃষ্ঠাৰ মাজত বিলীন হৈ গ'ল সেই সোণোৱালী দিন। দিনবোৰ জীৱন চক্ৰত স্মৃতি হ'ল। ৰত্ন ওজাদেৱৰ ভাষাৰেই কওঁ—

"লুইতৰ সোঁতত লিখা ৰ'ব মোৰ
জীৱনৰ যত কথা
বালি-চাপৰিত বালিৰে লিখি যাওঁ
পায়ো হেৰুৱাৰ বেথা।"

কেতিয়াবা কেতিয়াবা মনতেই গুণ্‌গুণাওঁ—

"এই মাটিৰে মৰমতে মাটিকে চুমিলোঁ
এই মাটিৰে জীৱন ছবি আঁকি আঁকি মচিলোঁ।"

মাটিৰ লগত মাতৃৰ নিবিড় সম্পৰ্ক আছে বাবেই মাতৃৰ মহত্ত্ব অনুৰণিত হয় জীৱন সংগ্ৰামৰ কোঁহে কোঁহে। অসমীয়াত এষাৰ কথা আছে— **"মাৰ সমান হ'ব কোন? নৈৰ সমান ব'ব কোন?"** 'মা'! এক অপৰিসীম হৃদয় জুৰোৱা শব্দ... সৰগীয় শব্দ 'মা'। মা শব্দৰ উচ্চাৰণে কৰায় গভীৰ সুখানুভূতি....। পৃথিৱীৰ বৃহত্তম শব্দ, শ্ৰেষ্ঠ শব্দসমূহৰ ভিতৰৰে এটা শব্দ 'মা'। মাৰ বিস্তৃতি নাই, নাই কোনো প্ৰকৃত প্ৰকাশৰ ভাষা...। সাধাৰণ এটি উজুটি খালেই হৃদয়ৰপৰা আপোনা-আপুনি ওলাই অহা শব্দ 'মা'। 'মা' শব্দটোতেই যেন যাদু আছে! 'মা' স্নেহভৰা এটা মিঠা সপোন। সৃষ্টিৰ সেউজীয়া উলাহ...! মাটিৰপৰা আকাশলৈ, হৃদয়ৰপৰা আত্মালৈ স্থান পোৱা শব্দ দুটাই হ'ল— 'জননী', 'জন্মভূমি'। ■

# লুইতৰ পাৰৰপৰা আৰৱ সাগৰৰ পাৰলৈ ঃ এটি মধুময় স্মৃতি

ৰাজকোট— গুজৰাটৰ এখন অন্যতম ঔদ্যোগিক নগৰ। এই নগৰৰ মাজমজিয়াত আছে সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ৰ লগত সংলগ্ন **Human Resource Development Centre**। ড° কালাধৰ আৰীয়া এই চেন্টাৰৰ ডিৰেক্টৰ। বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়ৰ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰই ২১ ছেপ্তেম্বৰৰপৰা ২৭ ছেপ্তেম্বৰ, ২০১৫ ইং তাৰিখলৈ অনুষ্ঠিত কৰিছে Short Term Course। এই Courseত অংশগ্ৰহণৰ বাবে আমি (সহযোগী অধ্যাপক শ্ৰীঅৱনী কুমাৰ দাসৰ সৈতে) যোগাযোগ কৰিছিলোঁ। তেতিয়া সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়ে আমালৈ চিঠি প্ৰেৰণ কৰাত আমিও আমাৰ সন্মতি প্ৰদান কৰিলোঁ ই-মেইল যোগে। সেইমতে আমি যথাসময়ত প্ৰস্তুতি সম্পূৰ্ণ কৰিলোঁ।

২০/৯/২০১৫ ইং তাৰিখ, দেওবাৰ। বিমানযোগে যিহেতু যাম, দুঘণ্টা আগতেই অৰ্থাৎ ৰাতিপুৱা ৬-১০ বজাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আমি দুয়ো উপস্থিত হ'লোঁ ফ্লাইটৰ নিয়ম অনুসৰি। নিৰাপত্তা পৰীক্ষা কৰাৰ পিচত আমি দুয়ো Waiting Roomত বহিলোঁ প্ৰায় এঘণ্টামান। মনত ভয়-শংকা, মিশ্ৰিত আনন্দ। Jet Airways বিমানৰ যাত্ৰাৰ সংকেত পালোঁ। ৭-৫০ বজাত বিমানত উঠিলোঁ। এই ফ্লাইটখন কলিকতালৈ যাব। ৮-১০ বজাত এই বিমানযোগে আমাৰ যাত্ৰা আৰম্ভ হ'ল। ৯-৩০ বজাত কলিকতা পালোঁ। তেতিয়া কলিকতাত ধাৰাসাৰ বৰষুণ। চাইনবোৰ্ডত ডাঙৰকৈ আখৰেৰে ইংৰাজী-বাংলাত লিখা আছে— **নেতাজী সুভাষ চন্দ্ৰ বসু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ**। বিমান বন্দৰৰ ভিতৰত বাজি আছে ৰবীন্দ্ৰনাথ ঠাকুৰৰ গীতৰ কলি—

"যদি তোৰ ডাক শুনে কেউ না আছে
তবে একলা চলোৰে
একলা চলো একলা চলো একলা চলোৰে... ।"

কলিকতাৰপৰা আহমেদাবাদলৈ Indigo বিমানৰ যাত্ৰা দুপৰীয়া ১২-৫০ বজাতহে। গতিকে আমি কলিকতা বিমান বন্দৰত দুঘণ্টা ঘূৰা-ফুৰা কৰাৰ সুযোগ পালোঁ। বিশাল বিমান বন্দৰ। যাত্ৰীৰ ভিৰ দেখি আচৰিত হ'লোঁ। দুপৰীয়া ১২-৫০ বজাত পুনৰ কলিকতাৰপৰা Indigo বিমানেৰে যাত্ৰা কৰিলোঁ—গুজৰাটৰ আহমেদাবাদলৈ। আবেলি ৩-৩০ বজাত আহমেদাবাদৰ **চৰ্দাৰ বল্লভ ভাই পেটেল আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত** পদাৰ্পণ কৰিলোঁ। আহমেদাবাদৰ ৰাস্তা বৰ বহল, সু-স্বচ্ছ। ডাঙৰ ডাঙৰ বাছ গাড়ী চলে। আহমেদাবাদৰপৰা বাছেৰে গৈ ৰাজকোটৰ এখন হোটেলত আমি থাকিলোঁ। পিচদিনা ৰাতিপুৱা ৯-০০ বজাত ৰাজকোটৰপৰা অ'টোৰে গৈ সৌৰাষ্ট্ৰ বিশ্ববিদ্যালয়ত প্ৰৱেশ কৰিলোঁ। সুন্দৰ সেউজীয়া পৰিৱেশ। চৌদিশে শৃংখলাবদ্ধতা দেখি অভিভূত হ'লোঁ। বিশ্ববিদ্যালয়ৰ প্ৰশাসনীয় ভৱনৰ সন্মুখত দুখন ফলক দেখিলোঁ। লিখা আছে—

**Our Vission**

"To be at the vanguard of knowledge in the domain of higher learning and achieve the highest global standards."

Educate
Liberate
Transform

**Our Mission**

- To achieve excellence in teaching and research.
- To improve learners in achieving their professional goals.
- To strengthen educational and professional interface.
- To contribute in building the society and the nation.
- To improve the quality of the life in harmony with our heritage, culture and environment.
- To relate learning with the highest human value.

অলপ গৈ দেখিলোঁ এটি সুন্দৰ বিল্ডিং। লিখা আছে— Human Resource Development Centre। এই চেণ্টাৰত প্ৰৱেশ কৰাৰ লগে লগে অধ্যাপক কেইজনমানে আমাক অৰ্থাৎ অংশগ্ৰহণকাৰী বিভিন্ন ৰাজ্যৰ অধ্যাপক-অধ্যাপিকাসকলক আদৰণী জনালে। ১০-৩০ বজাত আমাৰ নাম পঞ্জীয়ন কৰা হ'ল। পিচ মুহূৰ্ততে 'Disaster Management'ৰ ওপৰত হ'বলগীয়া পাঠ গ্ৰহণ, আলোচনা-পৰ্যালোচনাৰ নিয়মাৱলী সম্পৰ্কে Director Dr. Kaladhar Aryaই বক্তব্য আগবঢ়ালে। কাৰ্যালয়ৰ নিৰ্দেশানুসৰি বিশ্ববিদ্যালয়ৰ গেষ্ট হাউছৰ ৮নং কোঠাত আমাক থাকিবলৈ দিলে। অতিশয় সুন্দৰ পৰিৱেশ। নিৰিবিলি— স্বচ্ছ। বিশ্ববিদ্যালয়ৰ চৌহদতে আছে দুখন ডাঙৰ কেণ্টিন। প্ৰায় এক কিল'মিটাৰ দূৰত হোটেল। সকলো খাদ্যতে মিঠা। পনীয়া দৈ গাখীৰ খোৱা অভ্যাস সকলোৰে। জনামতে গুজৰাটৰ গ্ৰামাঞ্চলত হেনো ৰুটি আৰু খিচিৰি প্ৰধান খাদ্য। আমিও তেনেদৰে খোৱা অভ্যাস কৰিলোঁ।

২১/৯/২০১৫ ইং তাৰিখৰপৰা ২৬/৯/২০১৫ ইং তাৰিখলৈ নিৰ্ধাৰিত সময়ত অৰ্থাৎ দিনৰ ১১-০০ বজাৰপৰা ৫-৩০ বজালৈ 'দুৰ্যোগ ব্যৱস্থাপনা' শীৰ্ষক বিষয়ত পাঠ গ্ৰহণ কৰিলোঁ। শ্ৰেণীত হোৱা পৰ্যালোচনাত ভাগ ল'লোঁ। প্ৰতিটো ক্লাছৰ আৰম্ভণিতে প্ৰাৰ্থনা আৰু ধ্যান কৰাটো বাধ্যতামূলক। প্ৰাৰ্থনাই আনি দিয়ে পবিত্ৰতা। প্ৰতিটো ক্লাছত অংশগ্ৰহণকাৰীসকলৰ উপস্থিতি জৰুৰী। সেয়ে আমিও নিয়মীয়াকৈ শ্ৰেণীত উপস্থিত আছিলোঁ। শান্তিৰ পৰিৱেশত বহু সমল ব্যক্তিৰপৰা ন ন তথ্য, জ্ঞান লাভ কৰিবলৈ সক্ষম হ'লোঁ। ২৬/৯/২০১৫ ইং তাৰিখে দিনৰ ১-০০ বজাত আৰম্ভ হ'ল— **Validictory Function** অৰ্থাৎ সামৰণি অনুষ্ঠান। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, সচিব, সঞ্চালক তথা পঞ্জীয়কৰ উপস্থিতিত আমাক অংশগ্ৰহণকাৰী অধ্যাপক-অধ্যাপিকাসকলক গুজৰাটী পৰম্পৰা আৰু সংস্কৃতিৰে সন্মান জনাই চাৰ্টিফিকেট প্ৰদান কৰিলে। এই অনুষ্ঠানত সন্মানিত হৈ নিজকে ধন্য মানিলোঁ। অনুভৱ হ'ল তেওঁলোকৰ দৰ্শন অনুসৰি সন্মানৰ প্ৰদৰ্শন। উপাচাৰ্যৰ বক্তব্যই আমাক বাৰুকৈয়ে আকৰ্ষিত কৰিলে। কি যে আদৰ্শ! সহানুভূতি! মহানুভৱতা!

আদৰ্শ থাকিবই। আমি বিশ্ববিদ্যালয়ত থকা দিনকেইটাত ৰাতিপুৱা-গধূলিপৰত দেখিলোঁ প্ৰশাসনীয় ভৱনৰ সন্মুখত প্ৰায় ৫০০ মিটাৰমান দূৰত থকা এক সংৰক্ষিত ঠাইত স্বামী বিবেকানন্দৰ সুবিশাল প্ৰতিমূৰ্তি। প্ৰায় ৩০ ফুট উচ্চতাৰ। চাৰিওফালে দেৱাল। মাননীয় অৱনী দাসে দেৱালৰ ভিতৰত

সদায় ৰাতিপুৱা ব্যায়াম কৰা দেখি মই আচৰিত হ'লোঁ। নিচেই ওচৰত মা সৰস্বতীৰ মন্দিৰ। ৰাতিপুৱা প্ৰাৰ্থনা, গধূলি প্ৰাৰ্থনাৰ পৰিৱেশ। মোৰ সেৱা কৰিবৰ মন গ'ল। দেৱালত লিখা দুটামান বাণী নিলিখি নোৱাৰিলোঁ—

*"Be good and evil will vanish for you. The whole universe will thus be changed. This is the greatest gain to society. This is the greatest gain to the Human organ."*

স্বামী বিবেকানন্দৰ আন এটা বাণী—

"Take risk in your life. If you win, you can lead! If you lose, you can guide."

"Knowledge is nothing but finding unity in the midst of diversity."

এনেদৰে বহু কথাই যেন আমাৰ মন চুই গ'ল। বহু পাৰ্থক্য পৰিলক্ষিত হ'ল আমাৰ অসমীয়া জীৱনশৈলীৰ সৈতে, আমাৰ অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ সৈতে। বহুতো ল'বলগীয়া আছে। ২৬/৯/২০১৫ ইং তাৰিখে আবেলি বিশ্ববিদ্যালয়ত সমূহীয়াকৈ আয়োজন কৰা গুজৰাটী খানা খাই বিদায় ল'লোঁ। মহাৰাষ্ট্ৰৰ কেইগৰাকীমান অধ্যাপকৰ সৈতে আৰব সাগৰৰ পাৰত অৱস্থিত সোমনাথ মন্দিৰলৈ সৰু গাড়ীৰে আমি যাত্ৰা আৰম্ভ কৰিলোঁ, প্ৰায় ২৪০ কিল'মিটাৰ দূৰ। লক্ষ্য কৰিলোঁ— ৰাজকোটৰপৰা ৮০ কিল'মিটাৰ পৰ্যন্ত ঘাইপথৰ দাঁতিতে বহু কল-কাৰখানা, কোম্পানী। পথাৰত দেখিলোঁ— কপাহৰ খেতি, বাদামৰ খেতি ইত্যাদি। শুনিছোঁ বহু অসমীয়া শিক্ষিত ডেকা ল'ৰাই গুজৰাটৰ কোম্পানীসমূহত কাম কৰি আছে। গৈ গৈ আমি আবেলি ৫-০০ বজাত জুনাগৰ পালোঁ। হিন্দু-মুছলিমৰ সমন্বয় ক্ষেত্ৰ। ঐতিহ্যমণ্ডিত জুনাগৰত পুৰণা হিন্দু মন্দিৰ, ইছলামৰ মছজিদ দেখিলোঁ। বহু মানুহৰ সমাগম। ভাল লাগিল। নিশা ৯-৩০ বজাত সোমনাথ মন্দিৰ চৌহদত প্ৰৱেশ কৰিলোঁ। অপূৰ্ব দৃশ্য। প্ৰথমে সোমনাথ মন্দিৰত সোমাই দেৱাদিদেৱ মহাদেৱক প্ৰণিপাত জনালোঁ। কাষত আছে গণেশ, সৰস্বতী আৰু কালী মাৰ মন্দিৰ। প্ৰায় ১০০ মিটাৰ দূৰত আৰব সাগৰ। সাগৰৰ পাৰত পোহৰৰ চিক্‌মিকনি। সাগৰৰ ঢৌৱে যেন সোমনাথ মন্দিৰটোক কোবাই গৈছে। কি যে মনোমোহা দৃশ্য! নেদেখিলে বিশ্বাস নহয়। সেয়ে বোধহয় চুলতান মামুদে সোতৰবাৰ সোমনাথ মন্দিৰ আক্ৰমণ কৰিছিল।

পিচদিনা ৰাতিপুৱা ৫-০০ বজাত আৰব সাগৰৰ পাৰলৈ গ'লোঁ। তাত

থকা ত্ৰিবেণী সংগমত কিছুসময় তাৰ দৃশ্য উপভোগ কৰিলোঁ। এলাহাবাদৰ ত্ৰিবেণী সংগমৰ দৰে জনসমাগম নেদেখিলোঁ। আৰব্ব সাগৰৰ পাৰত থিয় হৈ আমি দুয়োজনে সেৱা জনালোঁ। ইমান বিশাল! চকুৰে মনিব নোৱাৰি। মনত পৰিল ড° ভূপেন হাজৰিকাৰ গীতৰ কলি—

"সাগৰ সংগমত কতনা সাঁতুৰিলোঁ
তথাপিতো হোৱা নাই ক্লান্ত...।"

আৰব্ব সাগৰৰ পাৰত অৱস্থিত সোমনাথ মন্দিৰত পুনৰ সেৱা জনাই ৰাজকোট অভিমুখে ৰাওনা হ'লোঁ ৰাতিপুৱা ১০-০০ বজাত। আবেলি ৩-৫০ বজাত ৰাজকোট পালোঁ। সহযাত্ৰী হিচাপে আমাৰ লগত যোৱা মহাৰাষ্ট্ৰৰ অধ্যাপককেইগৰাকীক পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে বিদায় ল'লোঁ। ৰাজকোট ৰে'ল ষ্টেচনত টিকট লৈ আহমেদাবাদলৈ যাত্ৰা কৰিলোঁ মুম্বাই এক্সপ্ৰেছেৰে। নিশা প্ৰায় ১০-৫০ বজাত আহমেদাবাদ পালোঁ। ৰাতিটো আহমেদাবাদত থাকিলোঁ। পিচদিনা ৰাতিপুৱা ৬-০০ বজাত আহি আহমেদাবাদ এয়াৰপোৰ্ট পালোঁ। নিৰাপত্তাজনিত পৰীক্ষা শেষ হোৱাৰ পিচত Waiting Roomত এঘণ্টা বহিলোঁ। ৰাতিপুৱা ৮-১০ বজাত Air India বিমানেৰে ৯-৩০ বজাত দিল্লী পালোঁ। দিল্লী বিমান বন্দৰ আমাৰ দেশৰ ভিতৰতেই আটাইতকৈ ডাঙৰ। পুনৰ ১০-৫০ বজাত দিল্লীৰপৰা গুৱাহাটী বৰঝাৰ বিমান বন্দৰলৈ যাত্ৰা আৰম্ভ কৰিলোঁ Air India ফ্লাইটেৰে। এই ফ্লাইটখন তুলনামূলকভাৱে ডাঙৰ। আমাৰ বহা ছিটৰ সন্মুখত সৰু সৰু টিভি আছে। যাত্ৰাকালত আমি কোন পথেৰে ক'লৈ গৈ আছোঁ টিভিত দেখুৱাই থাকে। আমাৰ ফ্লাইটখন পৃথিৱীৰপৰা ১১ কিল'মিটাৰ উচ্চতাত চলি আছে। আমাৰ কাষতে বহি আছে এজন ৭০ বছৰীয়া অধ্যাপক ড° অৰুণ বাৰ্মা। শ্বিলঙৰ এখন বিশ্ববিদ্যালয়ত সমল ব্যক্তি হিচাপে আমন্ত্ৰিত। ঘৰ এলাহাবাদত। **Research Development Welfare**ত অধ্যাপক হিচাপে কৰ্মৰত। বহু কথাই পাতিলোঁ। আমি অহা Air India বিমানখন নেপালৰ ওপৰেৰে আহিছে বাবে হিমালয়ৰ পৰ্বতৰ কিছু অংশ খিৰিকীৰে প্ৰত্যক্ষ কৰিলোঁ। অপূৰ্ব দৃশ্যৰাজি। চাই চাই উপভোগ কৰিলোঁ। অসমৰ ব্ৰহ্মপুত্ৰৰ ওপৰেৰে আহি আমি বৰঝাৰ বিমান বন্দৰত পদাৰ্পণ কৰিলোঁ দিনৰ ১-১০ বজাত।

ইমানতে শৈক্ষিক যাত্ৰাৰ অন্ত পৰিল। মিঠা মিঠা অভিজ্ঞতা লৈ আমি দুয়ো ঘৰমুৱা হ'লোঁ। মাথোঁ সজীৱ হৈ ৰ'ল আমাৰ হৃদয়ত মধুময় স্মৃতি। ■





মণালিছা
প্রকাশন